## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kalkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, [illegible] | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: [illegible] IV, V, VI, VII, VIII [illegible] | Condition of the original: Brittle. |
| Remarks: [illegible]. 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|
| | | |

বিষয় সূচী পিঠি


ধূলি ৩৩৭
সম্পাদকৰ চৰা ৩৩৮
ৰামানুজ স্বামীৰ বিশিষ্টাদ্বৈতবাদ ৩৫২
ৰজাঘৰীয়া পুৰণি চিঠি ৩৫৯
সম্পাদকৰ চৰাৰ বাটচৰা ৩৬২
সম্পাদকৰ চৰাৰ বুলনি ৩৭৩
বধ্বৰুৱাৰ কবিতা- বেদনা ৩৭৮
যমুন ৩৮১
সুযোগ ৩৮৩
সমালোচনা ৩৮৩
প্ৰাপ্তি-স্বীকাৰ ৩৮৪
নৱবৰ্ষ ৩৮৫
আজি ৩৮৬
প্ৰাৰ্থনা ৩৮৭
আমাৰত গো-ধনৰ প্ৰতি বিবৰণ ৩৮৮
সমস্তৰ ঐক্য ভাব ৩৮৯
তথা সইচা ৩৯২

# ধূলি।

ভৰিৰ তলুৱাত ধূলি লাগিছিল,
জোকাৰি পেলালোঁ কিয় ?
তুমি পেলাই গলা, বুটলি ললোঁ মই,
আদৰত সি হল থিয়।

২

জীৱনৰ কাহিনী কেউটিয়ে কলে,
টুপিকৈ চকু-লো টুকি ;
দুখতে কান্দিলোঁ, শোকতে হাঁহিলোঁ,—
জীৱনটো কি এটা ফাকি !

৩

এটি ধূলিকণা ভৱত ৰজা হেনো ;
এটিৰ নাম মান্ধাতা ৰজা ;
এটিয়ে কলে তেওঁ নহুষৰ কোৰঁৰ ;
এটি যযাতিৰ প্ৰজা।
বিক্ৰম আদিত্যৰ এটি নৱৰত্ন
কালিদাস বাণীৰ পো ;
পুলহ পুলস্ত্য আন দুটি ধূলি ;
এটি চন্দ্ৰগুপ্ত সোঁ।
জগৎশেঠ নামে ধনী এটি ধূলি ;
ভিকহু ৰুদ্ৰাম এটি ;
"মেজৰ জেনেৰেল" "মণ্টকাম" আন এটি ;
শোভাচিং চিপাহী সিটি।

৪

এটি ধূলিকণা আঁতৰি ৰুবিছে,
নকয় নিজৰ কথা।
"কোৰঁা" বুলি মই সাদৰি মাতিলোঁ,
বৰকৈ কৰিলোঁ বেথা।

৫

"বৰাহী জাতৰে, নাম বণ্ডামুৰা ;
দেউতাৰ ককাকৰ কাঁৰী ;
জাতিস্মৰ মই, মনত আছে জাত,
যদিও হৈছোঁ ধূলি।
পুলহ, পুলস্ত্য, বজা যযাতিৰে
যদিও একত্রে থকা,
তথাপি হঠাৎ দেউতাক ছুবলৈ
মনলৈ আহিল শঙ্কা।
ধূলিৰে দেউতা পুনৰপি আহি
যেতিয়া হবহি ধূলি,
বামুণ পুলস্ত্য, ক্ষত্রিয় যযাতি
সৈতে লম আকোঁৱালি।
দেউতাও ধূলি, মান্ধাতাও ধূলি,
ধূলি বণ্ডামুৰা মই ;
নাজানে দেউতাই, জানে বণ্ডামুৰাই, —
এইফেৰি মনত ভয়।"

শ্রীলক্ষ্মীনাথ বেজবৰুৱা।

---

# সম্পাদকৰ চৰা

## কলিকতা ইউনিভৰ্চিটি বা কলিকতা বিশ্ববিদ্যালয়।

সিদিনা দিল্লীত বৰ লাট চাহাবৰ আইন-সভাত মাননীয় শ্রীযুত সুৰেন্দ্র-নাথ বানুৰ্জীয়ে এটি প্রস্তাৱ কৰিছিল, যে কলিকতা বিশ্ববিদ্যালয় এতিয়াৰ দৰে পোনে পোনে ভাৰত-গৱৰ্ণমেণ্টৰ তলতীয়া হৈ নাথাকি, বোম্বাই আৰু মান্দ্রাজ বিশ্ববিদ্যালয়ৰ আহিৰে প্রাদেশিক শাসনকৰ্ত্তা অৰ্থাৎ বঙ্গদেশৰ গৱৰ্ণৰৰ তলতীয়া হব লাগে। এই প্রস্তাৱ বৰ লাটৰ সভাত গৃহীত হল, আৰু এই মতে কাৰ্য্য কিছু কালৰ মূৰত যে হব, (অৱশ্যে অলপ লৰ-চৰ হৈ) এইটোও সিদ্ধান্ত হল। আইন-সভাত আমাৰ আসাম দেশৰ প্রতিনিধি অনৰেবোল কৰ্ণেল গৰ্ডন কমিচনৰ চাহাব আৰু অনৰেবোল ৰায় শ্রীযুত ঘনশ্যাম বৰুৱা বাহাদুৰ ডাঙৰীয়া এই দুয়োজনে সেই প্রস্তাৱৰ বিৰুদ্ধে যথোচিতৰূপে প্রতিবাদ কৰি বক্তৃতা দিছিল। ব্রহ্ম দেশৰ প্রতিনিধিজনেও তাৰ প্রতিবাদ কৰিছিল। সভাত শিক্ষা-বিভাগৰ মন্ত্রী ছাৰ শঙ্কৰ নায়াৰে সেই প্রস্তাৱ গ্রহণ কৰাৰ সময়ত কৈছিল, যে আসামৰ হকৰ ওপৰত হাত পৰি যাতে আসামৰ কোনো অনিষ্ট নহয় তাৰ নিমিত্তে গৱৰ্ণমেণ্টে চকু ৰাখিব। শিক্ষা বিষয়ত কলিকতা বিশ্ববিদ্যালয়ৰ তলত বেহাৰ আৰু বৰ্ম্মাও আসামৰ লগতে আছে; কিন্তু বেহাৰে স্বকীয়া বিশ্ববিদ্যালয় পাবৰ ঠিক হৈছে, ব্রহ্মদেশেও নাপাই নাথাকে, সেইদেখি বঙ্গৰ গৱৰ্ণৰৰ হাতলৈ কলিকতা বিশ্ববিদ্যালয় আহিলে, শিক্ষা বিষয়ত আসাম বঙ্গদেশৰ শাসনৰ তলতীয়া হব লাগিব এইটো ঠিক। এইটো আসামৰ পক্ষে ভাল হব বুলি আমাৰ মনে নধৰে, — বৰং অনেক বিষয়ত বেয়া হবৰ সম্ভৱ হে বুলি ভাবোঁ। আসামৰ সুযোগ্য প্রতিনিধি কৰ্ণেল গৰ্ডন আৰু ৰায় বাহাদুৰ বৰুৱাই এই কথা ভালকৈ বুজি তাত বৰকৈ আপত্তি কৰিছিল। আমিও কওঁ, — যদি কলিকতা বিশ্ববিদ্যালয় বঙ্গীয় গৱৰ্ণমেণ্টৰ তললৈ যাব লাগিল, তেন্তে বেহাৰৰ নিচিনাকৈ আসামকো স্বকীয়া বিশ্ববিদ্যালয় দিয়ক, নতুবা আসামৰ ক্ষতি বিস্তৰ, আৰু অসমীয়াই মৰ্ম্মান্তিক বেজাৰ পাব। কলিকতা বিশ্ববিদ্যালয়ত এতিয়াই কাৰ্য্যতঃ অসমৰ মাত নাই বুলিলেই হয় ; আৰু তেতিয়া যে কি হব সেইটো ভালকৈ অনুমান কৰিবলৈ টান নহয়। আমাক স্বকীয়া বিশ্ববিদ্যালয় দিলে, তেতিয়া কলিকতা বিশ্ববিদ্যালয় যাৰ তলতে থাওক তাত আমাৰ একো কবলৈ নাথাকে। এই বিষয়ে লাট চাহাবৰ সভাত সুনিপুণভাৱে অসমৰ হকৰ নিমিত্তে অনৰেবোল কৰ্ণেল গৰ্ডন আৰু বৰুৱাই উঠি-পৰি লগা বাবে আমি তেওঁলোকৰ ওচৰত কৃতজ্ঞ।

• • •

আসাম লেজিচ্লেটিভ কাউন্সিলত সিদিনা চিফ কমিশ্যনৰ চাহাবে দিয়া বক্তৃতা পঢ়ি আমি যেনে সুখ পালোঁ, এনে সুখ বহুত দিন আমাৰ ভাগ্যত ঘটা নাই। তেখেতৰ বক্তৃতাৰ শাৰীয়ে শাৰীয়ে মহত্ব আৰু উদাৰ

ভাব আৰু যাইকৈ অসমীয়াৰ প্ৰতি Sympathy মৰম আৰু প্ৰীতিৰ ভাব ফুটি উঠিছে। বৰ্ত্তমান মহাযুদ্ধৰ নিমিত্তে আসামত সেনা সংগ্ৰহ কৰা বিষয়ে ভাল ফল দেখি তেখেতে সন্তোষ পাই কৈছে যে—"ফেব্ৰুৱাৰী মাহৰ শেহলৈকে আমি ৮৬২ জন গুৰ্খা আৰু ৩৭২ জন অসমীয়া পাইছোঁ।। এই অসমীয়াবোৰক এতিয়ালৈকে ঝাকৰা বোলা হৈছিল, —এইটো নাম অৱশ্যে ঠিক নাছিল। আসামৰ পক্ষে এইটো গৌৰৱৰ কথা যে আসামবাসী মানুহক সৈন্য কৰি যুজলৈ পঠিয়া হৈছে। এৱন অনৰেবোল মেম্বৰে সূচাইছে যে আমি মিলিটেৰি পুলিচৰ নিমিত্তে এটা অসমীয়া ৰেজিমেণ্ট সংগঠন কৰা উচিত। যিবোৰ অসমীয়া মানুহক চিপাহী কৰি যুজলৈ পঠিয়া হৈছে, সেইবোৰে যুদ্ধক্ষেত্ৰত যেনেকৈ নিজৰ সুগুণ দেখুৱাইছে, সেইটোলৈ চাই, অনৰেবোল মেম্বৰজনে সূচোৱা মতে কাৰ্য্য কৰিবলৈ বিবেচনা কৰা যাব, যদি যথোচিত মানুহ সংগ্ৰহ কৰিব পৰা যায়, কিন্তু বৰ্ত্তমান যুদ্ধ শেষ নোহোৱালৈকে একো কৰিব পৰা নাযায়। আসামৰ নৰ্থ ইষ্ট ফ্ৰণ্টিয়ৰ অৰ্থাৎ উত্তৰ-পূব-দাতিকাষৰ, কামৰূপ, গাৰো হিলচ, লুচাই হিলচ, এই কেইবিভাগৰপৰা সৈন্য সংগ্ৰহ বিষয়ত ভাল ফল পোৱা গৈছে।—I am proud of the part that Assam is playing in the war, and I have no doubt that the province will go on doing its best to furnish help in various way as long as hostilities continue"—ইয়াৰ মানে—'আসামে এই যুদ্ধৰ সম্পৰ্কে যি কৰিছে, তাৰ নিমিত্তে মোৰ মনত অহঙ্কাৰ হয়; আৰু যিমান দিন যুদ্ধ চলিব, তেতিয়ালৈকে আসামে এইদৰে নানাপ্ৰকাৰে গৱৰ্ণমেণ্টক যে সহায় কৰিব তাত মোৰ সন্দেহ নাই।'

• • •

অসমীয়া চিপাহীৰ গাৰপৰা "ঝাকৰা" নামটো যোৱাত যে আমি কিমান সন্তোষ পাইছোঁ, কৈ ওৰ পেলাব নোৱাৰোঁ। কৰপৰা এইটো নাম তেওঁলোকৰ গাত লাগিছিলহি কব নোৱাৰোঁ। আমি জানো, ভালেমান কোচ, কেওঁত, কলিতা জাতিৰ অসমীয়া এই আপত্তিজনক নামটোৰ বাবেই চিপাহীৰ দলত ভুক্ত নহৈছিল। কাৰণ সঁচাই হওক মিছাই হওক, অসমীয়াৰ মনত এনে এটা ধাৰণা আছে যে ঝাকৰা মানে "ঝাড়ুৱালা" মেটৰ। যি হওক, এতিয়া যেতিয়া সেই নামৰ চেকা গুচিল, আমি আশা কৰোঁ, আসামৰপৰা জাকে জাকে ডেকাসৱা সৈন্যদলত সোমাই ব্ৰিটিচ সাম্ৰাজ্য, ব্ৰিটিচ সম্ৰাটৰ হকে, অৰ্থাৎ আমাৰ দেশ আৰু আমাৰ ৰজাৰ হকে যুজলৈ গৈ যুদ্ধ কৰি যশস্যা, পুণ্য, আৰু বিজয়-গৌৰৱৰ কীৰিটি আৰ্জোন কৰিব। অসমীয়া ডেকা, তুমি নাপাহৰিবা, যে তোমালোকৰ পূৰ্ব্বপুৰুষেই আসামত মোগল সম্ৰাটৰ প্ৰবল সৈন্যৰ আক্ৰমণৰ প্ৰতিৰোধ কৰি, সিহঁতক হুৰুৱাই খেদি নি কৰতোয়া পাৰ কৰাই এৰিছিল। তোমালোকৰ পূৰ্ব্বপুৰুষৰ বীৰত্বৰ তেজ তোমাৰ শৰীৰত এতিয়াও আছে, আমাৰ ইংৰাজ গৱৰ্ণমেণ্ট সহায়, ভয় নাই, আগ বাঢ়া, যশস্যা গৌৰৱৰ পুণ্য-কীৰিটি তোমাৰ সমুখত।

"তোমাৰেই গৰ্ভত নে নদ! (ব্ৰহ্মপুত্ৰ)
মোগলৰ নৌ- সেনা হত?
ৰামসিংহৰ বিজয়-চূড়া পৰিল নে খহি ধৰণী?"

• • •

কামৰূপ অনুসন্ধান সমিতি। ভালেমান দিনৰ আগেয়ে আমি এই সমিতিৰ পুস্তিকা "Prospectus" এখন পাইছিলোঁ। তাৰ বিষয়ে তেতিয়া আমাৰ অলপ কব লগীয়া আছিল যদিও কোৱা হোৱা নাছিল, কাৰণ সেইখন "প্ৰচ্‌পেক্টচ্‌" খাপোন আৰু তাৰ আলেখ-লেখ চোৱাই হে আমাৰ কাম আছিল। এতিয়া আমি অলপ কব লগীয়াত পৰিলোঁ এই বাবে যে সেই সমিতি কামৰ পথাৰলৈ নামিল; আৰু এই বাবে, যে সমিতিয়ে হেনো আসাম গৱৰ্ণমেণ্টৰপৰা বছেৰেকত এহেজাৰ টকাকৈ "গ্ৰাণ্ট" পাবৰ কথা হৈছে।

• • •

আমি প্ৰথমতে সোধোঁ যে অনুসন্ধান সমিতিখনৰ নামৰ আগত "আসাম" নালাগি কামৰূপ লাগিল কিয়? কামৰূপ পুৰণি আসামৰ এছোৱাৰ নাম আছিল হয়, কিন্তু আজিকালি সি এখন ডিষ্ট্ৰিক্টত সীমাবদ্ধ। এতেকে আমি জানিব খুজিছোঁ, কমিতিয়ে অকল এই ডিষ্ট্ৰিক্টখনৰে পুৰণিতত্ত্ব অনুসন্ধান কৰিব খুজিছে নে গোটেই আসামৰে? যদি অকল ডিষ্ট্ৰিক্টখনৰ

হে, তেন্তে তেওঁলোকে গোটেই আসামৰ গৱৰ্ণমেণ্টৰপৰা টকাৰ সহায় কিয় বুলি বিচাৰে আৰু যদি কমিটি গোটেই আসামৰ অনুসন্ধানত ব্যাপৃত থাকিব খুজিছে, তেন্তে, "আসাম অনুসন্ধান সমিতি" বোলাহেঁতেনো দেখোন কামৰূপ ডিষ্ট্ৰিক্ট তাৰ ভিতৰতে থাকিলহেঁতেন। তেন্তে নামৰ এনে ঠেক বেৰেৰে সমিতিক বেৰা হল কিয়? সমিতিৰ মেম্বৰসকলৰ ভিতৰত উজনিৰ মানুহৰ নামৰ আকাল দেখিও, সমিতি পতাসকলে সমিতিৰ খোটালিটো ঠেক কৰিবলৈ যোৱাটোৰ ধাৰণা আমাৰ মনত খেলাইছিল; আৰু সি সেইদৰে খেলায়ে থাকিলহেঁতেন, যদি সমিতিয়ে হাতত লোৱা কামৰ তালিকাখনত আমাৰ চকু নপৰিলহেঁতেন; যেনে—"A Social History of Assam", A Religious History of Assam"। ইয়াত "কামৰূপ" নুবুলি "আসাম" বোলাতে আমি বুজিছোঁ যে সমিতিৰ অনুসন্ধান আসাম জুৰি চলিব। তেন্তে কামৰ বহল পথাৰত তেওঁলোকে প্ৰথমতে নামৰ ঠেক আলি দি এছিটা কৰি লবৰ কাৰণ কি? আৰু গোটেই আসাম আৰু বঙ্গৰ এডোখৰক পুৰণিকালত কামৰূপ বুলিছিল যদিও আজিকালি সেই নাম ব্যৱহাৰ কৰিলে ঠেকলৈহে যোৱা না যায় জানো?

• • •

আমাৰ দ্বিতীয় প্ৰশ্ন.—যদি অনুসন্ধান সমিতিয়ে মন বহলাই লৈ গোটেই আসামৰ মেপ বা মানচিত্ৰখন আগত পেলাই গৱেষণা কৰিব খুজিছে, তেন্তে সদিয়াৰপৰা ধুবুৰীলৈকে যি কেইজন আমাৰ অসমীয়া শিক্ষিত প্ৰতিনিধিস্বৰূপ ভদ্ৰলোক আছে, তেওঁলোকৰ ভিতৰৰ অন্ততঃ কিছুমানক সভ্য কৰি লোৱা নাই কিয়? অনৰেবোল ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা, অনৰেবোল মিষ্টৰ তৰুণৰাম ফুকন, আৰ্ল ল কলেজৰ প্ৰিন্সিপেল বেৰিষ্টৰ জে, বৰুৱা, অনৰেবোল শ্ৰীযুত পদ্মনাথ বৰুৱা, অনৰেবোল ৰায় চাহাব ফণীধৰ চলিহা, লিগেল্ ৰিমেম্ব্ৰেন্সৰ বেৰিষ্টৰ অনৰেবোল মজিদ চাহাব, অনৰেবোল চাদুল্লা, শ্ৰীযুত সত্যনাথ বৰা, ৰায় বাহাদুৰ কনকলাল বৰুৱা, শ্ৰীযুত ৰজনীকান্ত বৰদলৈ, শ্ৰীযুত বেণুধৰ ৰাজখোৱা, শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ, ৰায় বাহাদুৰ পৰশুৰাম খাওন্দ, ইত্যাদি লোকৰ নাম এই সভাৰ সভ্যৰ শাৰীত নেদেখোঁ কিয়? এওঁলোকক সভাৰ শাৰীত ভুক্ত কৰিবলৈ কোনো



চেষ্টা হৈছিল নে? এওঁলোকে হব খুজিলে নে? তৃতীয়া আসামৰ এহেজাৰকৈ টকা বছেৰেকত ভগণ কৰিবলৈ আনিব খুজিলে সমিতিখনত গোটেই আসামৰ মুখিয়ালসকলৰ মুখৰ চাঁ পৰা উচিত নহয় নে? সমিতিৰ Patron বা পৃষ্ঠপোষকৰ ভিতৰত চিফকমিশ্বনৰ, কমিশ্বনৰ আৰু অনৰেবোল ৰাজা প্ৰভাতচন্দ্ৰ বৰুৱাৰ নাম থাকিলেও সেইসকলে, অলঙ্কাৰে জেউতি চৰোৱাৰ দৰে সমিতিৰ বাহিৰা জেউতি চৰাইছে মাথোন, সমিতিৰ ভিতৰুৱা কামত সেইসকলৰ হাত সৰহ কত থাকিব? এক মাথোন আমাৰ শ্ৰীযুত হেমচন্দ্ৰ গোসাঁইদেৱৰ অৱশ্যে এই কথা নাখাটে। কিন্তু গোসাঁইদেৱো এপাচী শাকত এটি জালুক। এই জালুকটিকে সমিতি-শাকত দি সমিতি পাতোঁতাসকলে আমাক তেওঁলোকৰ এচৰু অনুসন্ধানৰ জালুকীয়া আঞ্জা খুৱাবলৈ গৈছে নেকি? তেওঁলোকে আমাৰ আসাম-আকাশৰ এন্ধাৰ এই এক হেম চন্দ্ৰেৰেই গুচাই "একচন্দ্ৰস্তমোহন্তি"ৰ উদাহৰণ দেখুৱাবলৈ গৈছে যদি অৱশ্যে কব নোৱাৰোঁ। আমি ভাবিছোঁ, গোসাঁইদেৱে তেওঁৰ লগৰীয়া আন অসমীয়া তৰা তেওঁৰ চাৰিউফালে সমিতিত দেখিবলৈ নেপাই নিশ্চয় বেজাৰত বিমৰ্ষ হৈ কেতিয়াবা কেতিয়াবা ডাৱৰৰ ভিতৰত মুখ লুকাবৰ মন কৰিছে কিজানি।

• • •

সমিতিয়ে হাতত লোৱা কামৰ তালিকা এখন দিছে; তাতে চকু দিলে দেখি—"A Social History of Assam by Babu Nogendra Nath Vasu Prachyavidyamaharnav" অৰ্থাৎ আসামৰ সামাজিক ইতিহাস ৰচিবলৈ গাত লৈছে বাবু নগেন্দ্ৰনাথ বসু প্ৰাচ্যবিদ্যামহাৰ্ণৱে। সমিতিয়ে নিযুক্ত কৰা এই ইতিহাস লেখকজনেই তাহানি বিশ্বকোষত অসমীয়াৰ অদ্ভুত "ইতিহাস" লেখি অসমীয়াৰ মনত বেজাৰ দি তাৰ পিছত মানসিক দুখ প্ৰকাশ কৰি লেঠাৰ হাতৰপৰা সাৰোতাজনেই নহয় নে? আমি পাহৰিবও পাৰোঁ, সেইদেখি আমাৰ বন্ধু গোসাঁইদেৱক হে সুধিছোঁ; কাৰণ তেৱেঁই সেই কথা ভালকৈ জানে। তেওঁ ভাবিছে যদি যে তেওঁ থাকোঁতে কোনো বাৰিধিয়ে ধেৰকা বুৰাব নোৱাৰে; তথাপি আমি হলে ভয় খাওঁ, কাৰণ আমি ভয়াতুৰ; আৰু তেনে হৈছেও এবাৰ, সেইদেখি। অসমীয়াৰ

সামাজিক বুৰঞ্জী লেখিব বঙ্গালী নগেন বাবুৱে, এইটো কিন্তু আমাৰ বৰ কেনেবা-কেনেবা লাগিছে। "বঙটা মন্দ নয়।" দাৰ্জ্জিলিঙৰ ৰেলগাড়ীত গোলমালত পৰা সান্ন্যাল বাবুকে আদি কৰি অনেক বঙ্গালী আসাম পৰ্য্যটকে লেখা অসামৰ"মূল্যবান ইতিহাসৰ" collection সংগ্ৰহ আমাৰ হাতত আছে, সেইবোৰ দেখি আমি হলে ভয়তে কপিব লাগিছোঁ।

"A Religious History of Assam" অৰ্থাৎ আসামৰ ধৰ্ম্ম সমন্ধে বুৰঞ্জী লেখিব—ধুবুৰীৰ ডিপুটী কমিশ্বনৰৰ হেড ক্লাৰ্ক বঙালী বাবুৱে! ধৰ্ম্মৰ মালিক ঈশ্বৰ, এতেকে ঈশ্বৰে হে জানে, এই ধৰ্ম্মৰ বুৰঞ্জীত তেওঁ কি লেখায়।

***

কিন্তু এটাইতকৈ "মজাৰ" কথা হৈছে,—এই অমূল্য গ্ৰন্থবোৰ বঙলা ভাষাত লেখা হব! কাৰণ বোধকৰোঁ অসমীয়া ভাষা বুলি পদাৰ্থ এটা এই সমিতিৰ হিচাপৰ ভিতৰত নাই; অথবা বঙলা ভাষাটো সমিতিৰ মতে Lingua franca অৰ্থাৎ সকলো দেশৰ ব্যৱহৃত ভাষা। আসামবাসী বঙ্গালীসকলৰ অসমীয়া ভাষাৰ প্ৰতি কিমান "পিৰ্য়াৰ" তাৰ চিনাকি অসমীয়াই আগেয়ে অনেক বাৰ পাইছে। তাহানি কটকৰ বিস্মানিধিলৈ আসামৰ বেদনিধিয়ে অসমীয়াভাষা-ৰুক্মিণীৰ বাতৰি লৈ গৈ ৰুক্মিণীহৰণ কৰিবলৈ তেওঁক বুধি-ভাগ দিয়া কথা আমি পাহৰাই নাই এখোন। সেইদেখি আসাম-গবৰ্ণমেণ্টৰ টকাৰে বঙ্গলা ভাষাত কিতাপ লেখি বঙ্গলা সাহিত্য চহকী কৰিবলৈ যোৱাৰ কথাত আমি আচৰিত মানিলে চলিব কেনেকৈ? কিন্তু বেজাইৰ কথা এই কেৰাই হে যে অসমীয়াবোৰৰ মুৰত বুজিবৰ শক্তি নাই বুলি সমিতিয়ে ভাবিছে যেন আমাৰ লাগিছে। কিন্তু কথা-সোপা বুজি আমি দুখত পৰিছোঁ। এতেকে নিৰুপায় হৈ মা কালীক কওঁ —"মা গো! এতো বুঝি কেন?"

***

শ্ৰীযুত হেমচন্দ্ৰ গোসাঁইদেৱে যোগিনীতন্ত্ৰৰ ব্যাখ্যা আৰু ভাঙনি [illegible] লৈতে এক ভাঙ্গৰণ উলিয়াবৰ ভাৰ পাইছে। নিশ্চয় এই ব্যাখ্যা আ[illegible] ভাঙনি অসমীয়া ভাষাত হব। কাৰণ আমাৰ দৃঢ়বিশ্বাস, তেওঁ কেতিয়া[illegible] বঙ্গলা ভাষাত তেওঁৰ কিতাপ ৰচনা নকৰে! কিন্তু সমিতিয়ে তেওঁৰ ক[illegible]



কওঁতে অসমীয়াত যে সেইখন লিখা হব সেইটো খুলি নকলে; আনবিলাক বঙ্গলাত লেখা হব বুলি কিন্তু খুলি কৈছে। তেনেকৈ কলে, অসমীয়া ভাষা বুলি যে কিবা এটা আছে এইটো স্বীকাৰ কৰাৰ ভয় নে কি?

***

অন্তত আমি কওঁ যে কামৰূপ অনুসন্ধান সমিতিৰ উদ্দেশ্য মহৎ; কিন্তু হলে কি হব? তেওঁলোকে সেই কাৰ্য্য কৰিবলৈ মনটো বহলাই লব পৰা নাই। সমিতিক গোটেই আসামৰ কৰিবলৈ হলে তাক অসমীয়া কৰি লব লাগিব; আৰু তেতিয়া হে সি আসামৰ টকা-সিকা পাবলৈ আশা কৰা উচিত। আমি আসাম গবৰ্ণমেণ্টকো কওঁ, যে বৰ্ত্তমান সমিতি যেনে গঢ়ত আছে, তেনে গঢ়ত থকাত গবৰ্ণমেণ্টে যেন কোনো "গ্ৰাণ্ট" নিদিয়ে; দিলে সকলো অসমীয়াই নপৈ বেজাৰ পাব।

---

"১৩১৯ সালত" আসামত বহা "উত্তৰ-বঙ্গ সাহিত্য সম্মিলনৰ" সভাপতি শ্ৰীযুক্ত শশধৰ ৰায় এম, এ,ৰ বক্তৃতাৰ ভিতৰৰপৰা তলত লিখা কথা কেইষাৰ তেওঁৰ ভাষাতেই তুলি দিলোঁ।—

"ব্যাকরণের হিসাবে, বাঙ্গালা এবং অসমীয়া ভাষায় বিশেষ প্রভেদ না থাকিলেও, প্রাচীন অসমীয়াসাহিত্য, ভগবান্ শঙ্করদেবের পদাবলী, এবং অপরাপর বৈষ্ণব সাহিত্য,—অসমীয় ভাষাকে একটি স্বতন্ত্র সমুচ্চ আসন দান করিয়াছে। সুতরাং ইহার সাহায্যে জ্ঞান বিস্তারের চেষ্টা করিয়া, অসমীয়া ভ্রাতৃগণ এখনও পুরাকালের ন্যায়, বহু পার্ব্বত্য অনার্য্য-সমাজে আর্য্য-প্রভাব বিস্তৃত করিতে পারেন। বঙ্গ-ভ্রাতৃগণের প্রতি আমার নিবেদন,—তাঁহারা বৈজ্ঞানিক-প্রণালী মতে আসামের পুরাতত্ত্ব, জাতিতত্ত্ব, ভাষাতত্ত্ব অনুসন্ধানে প্রবৃত্ত হউন। এই অনুসন্ধানে কেবল জ্ঞানপিপাসাই চরিতার্থ হইবে না; আমরা অসমীয় ভ্রাতৃগণের সাহায্যে অসমীয় সমাজতত্ত্বের শিক্ষণীয় বিষয় সকল আয়ত্ত করিয়া, অশেষ প্রকারে লাভবান্ হইতে পারিব।

প্রাচীন কামরূপের যে অংশ অহোমগণ কর্ত্তৃক অধিকৃত হইয়াছিল তাহা

এখন আসাম নামে পরিচিত। কালিকাপুরাণে কামরূপের এইরূপ বর্ণনা দৃষ্ট হয়। যথা—

"করতোয়া-নদী-পূর্ব্বং যাবদ্দিক্কর-বাসিনীং।
ত্রিংশদ্‌যোজন-বিস্তীর্ণং যোজনৈকশতায়তম্‌॥
ত্রিকোণং কৃষ্ণবর্ণঞ্চ প্রভূতাচল-পুরিতম্‌।
নদীশত-সমাযুক্তং কামরূপং প্রকীর্ত্তিম্‌"॥

এই প্রদেশের একার্দ্ধ, বর্ত্তমান কামরূপ জেলা পর্য্যন্ত, অহোমগণের করতলগত হইয়াছিল বলিয়া, তাহা এখন আসাম নামে পরিচিত; অপরার্দ্ধ উত্তর-বঙ্গের অন্তর্গত। কিন্তু অহোমগণের আগমনের পূর্ব্বে সমস্ত কামরূপ অনেক সময় একই রাজ্যের অন্তর্গত ছিল; তজ্জন্য কামরূপের প্রাচীন ইতিহাস এক এবং অখণ্ড।

কালিকাপুরাণে কামরূপের আদিম অধিবাসীগণকে "কিরাত" বলা হইয়াছে যথা—

"কিরাতৈর্বলিভিং ক্রূরৈ রক্ষৈরপি চ বাসিতঃ"।

মোঙ্গলাকৃতির লোকদিগকেই যে কালিকা-পুরাণে "কিরাত" বলা হইয়াছে, তাহার প্রমাণের অভাব নাই। কিন্তু আসাম মোঙ্গলাকৃতি জাতি-নিচয়ের আদিনিবাসভূমি নহে; তাহারা চীন এবং তিব্বৎ হইতে সমাগত। আসামের বিভিন্ন স্তরের মোঙ্গলাকৃতি জাতি-নিচয়ের মধ্যে 'বড়ো'গণ অতি প্রাচীন কাল হইতে এখানে বাস করিয়া আসিতেছে। স্থলভেদে ইহারা কাছাড়ি, গারো, টিপ্‌রা কোচ এবং মেচ নামে পরিচিত। মোঙ্গল আগন্তুকগণের আবির্ভাবের পূর্ব্বে কামরূপ আর এক প্রাচীন জাতির আবাস-ক্ষেত্র ছিল। আসামের পার্ব্বত্য খাসিয়াগণের ভাষা আসামের সেই প্রাচীনতম অধিবাসিগণের অস্তিত্বের সাক্ষ্য দান করিতেছে। খাসিয়াগণ আকারে মোঙ্গলীয়, কিন্তু ইহাদের ভাষার সহিত ছোট নাগপুরের সাঁওতাল, মুণ্ডা প্রভৃতির ভাষায় এবং মালয় উপদ্বীপের কোন কোন বর্ব্বর জাতি-কথিত ভাষার দূরতর সম্বন্ধ লক্ষিত। যে মূল ভাষা হইতে সাঁওতাল, মুণ্ডা, খাসিয়া প্রভৃতি ভাষা উৎপন্ন, সেই ভাষাভাষী এক দল মানব আসামের আদিম আদিবাসী ছিল। তাহারা কৃষ্ণকায়, স্থূল-নাসিকা এবং খর্ব্বাকৃতি



ছিল বলিয়া অনুমিত হয়। 'বড়ো' বা কাছাড়িগণের পূর্ব্বপুরুষেরা আসিয়া এই আদিম অধিবাসীগণকে বিতাড়িত অথবা স্বজাতিভুক্ত করিয়া লইয়াছিল। মোঙ্গলাকৃতি আগন্তুক এবং আদিম অধিবাসীগণের মিলনে উৎপন্ন জাতিই বোধ হয় কামরূপী "কিরাত" বলিয়া প্রাচীন কালে পরিচিত ছিল।

কিরূপে কামরূপী কিরাতগণের মধ্যে আর্য্য-সভ্যতা প্রবেশ লাভ করিয়াছিল, নরকাসুরের উপাখ্যানের তাহার আভাস পাওয়া যাইতে পারে। নরক বিষ্ণুর ঔরষে পৃথিবীর গর্ভে উৎপন্ন। কালিকা-পুরাণের মতে নরক মিথিলার রাজা জনকের গৃহে লালিতপালিত হইয়াছিলেন। বিষ্ণু নরককে কামরূপের প্রধান নগর প্রাগ্‌জ্যোতিষপুরে লইয়া গিয়াছিলেন। নরক তথায় কিরাত-রাজ ঘটককে বধ করিয়া স্বীয় আধিপত্য প্রতিষ্ঠিত করিয়াছিলেন। তৎপর বিষ্ণু—

"করতোয়া-নদীং যাবৎ কামাখ্যা নিলয়ন্তু তৎ।
তস্মাৎ কিরাতানুৎসার্য্য বেদশাস্ত্রাতিগানা বহুন্‌॥
দ্বিজাতীন্‌ বাসয়ামাস তত্র বর্ণান্‌ সগত্বনান্‌।"

করতোয়া নদী হইতে কামাখ্যা পর্য্যন্ত ভূভাগের কিরাতগণকে তাড়াইয়া দিয়া, বেদশাস্ত্র-পারগ বহুসংখ্যক ব্রাহ্মণ এবং অন্যান্য বর্ণ স্থাপিত করিয়াছিলেন। নরক রামায়ণে "দানব" এবং পুরাণে অসুর নামে উল্লিখিত। পরবর্ত্তী কালের কামরূপের নৃপতিগণের কোন তাম্রশাসনে "অসুরাংশক" বলিয়া উল্লিখিত। নরককে ঐতিহাসিক ব্যক্তি এবং নরকের উপখ্যানকে ইতিহাস বলিয়া গ্রহণ করা যায় কি না, তাহা আপনারা বিবেচনা করিবেন। বিজ্ঞানের হিসাবে দেখিতে গেলে, এই উপাখ্যানর ভিতরেই কামরূপে আর্য্য-সভ্যতার এবং আর্য্য উপনিবেশ-সংস্থাপনের আভাস পাওয়া যাইতে পারে। কামরূপী ব্রাহ্মণ এবং কামরূপী অবস্থ কলিতাগণ এবং অন্যান্য উচ্চশ্রেণীর হিন্দু এ দেশের আদিম অধিবাসী নহেন, তাঁহারা এই আর্য্য আগন্তুকগণেরই বংশধর। ভিন্ন প্রকৃতির সমাজে আর্য্য-সভ্যতা বিস্তৃত করিবার মহদুদ্দেশ্যেই ব্রাহ্মণাদি বর্ণ কামরূপে আনীত হইয়াছিলেন। ঐ ব্রাহ্মণাদি বর্ণের বংশধর আজও সেই মহাব্রত-সাধনেই তৎপর রহিয়াছেন। আজও কোন কাছাড়ি বা মিকির সদাচার গ্রহণ করিয়া, কামরূপী

গোস্বামীগণের শরণ লইলে, হিন্দু-সমাজে প্রবেশ লাভ করিয়া, ক্রমে উচ্চ হইতে উচ্চ সামাজিক স্তরে আরোহণ করিতে পারিতেছে। অনার্য্যগণ "শরণীয়া" হইলে, তাহাদিগের প্রতি আসামের ব্রাহ্মণ, গোস্বামী এবং কলিতাগণ যে উদার ব্যবহার করিয়া থাকেন, তাহা স্মরণ করিলে, হৃদয় ভক্তিরসেদ্রবীভূত হয়। বলিতে ইচ্ছা হয়,—আসামী হিন্দুভ্রাতৃগণ। ভারতের হিন্দু নিচয়ের মধ্যে আপনারাই সর্ব্বোচ্চ আসন পাইবার যোগ্য। যে কার্য্য ঋষিগণ ব্রাত্যযাগ করাইয়া নিষাদকেও ধর্ম্মে দীক্ষিত করিতেন; এবং ব্রাত্যস্তোম করাইয়া ব্রাত্যগণকে দ্বিজাতি করিয়া লইতেন, আপনারাই তাহাদিগের উপযুক্ত উত্তরাধিকারী। আর আমরা বাঙ্গালী হই, মৈথিলি হই, আর হিন্দুস্থানীই হই, "শরণীয়া" বা শরণাগত অনার্য্যকে প্রত্যাখ্যান করিতে শিখিয়া, ক্রমশঃ দুর্ব্বল হইয়া পড়িতেছি।"

---

সেই সাহিত্য সম্মিলনর অধিবেশনতে শ্রদ্ধাস্পদ উকিল শ্রীযুত কালীচরণ সেনে কোবা, কথাব আমাবচেবেক এই লিনিতে দিলে।:—অসম দেশ বঙ্গদেশের অতি সন্নিকট। আজিকালি যাতায়াত অতি সহজসাধ্য হৈছে। তথাপি আশ্চর্য্যের বিষয় এই, বঙ্গদেশ হইতে কামরূপের যাদু ও ডাকিনী-যোগিনীর ভীতি এখনও সম্যক প্রকারে দূরীভূত হয় নাই। বঙ্গীয় লেখকগণ সময়ে সময়ে তাঁহাদের কল্পনা প্রসূত এ দেশর যে সকল বিবরণ প্রচার করেন, তাহা পাঠ করিয়া ক্ষোভিত হইতে হয়।

•••

যে সকল বাঙ্গালী এতদ্দেশে বাস করিতেছেন, অনেক সময় এরূপ লেখা দ্বারা তাঁহারা বিশেষ অসুবিধা ভোগ করিয়া থাকেন। ইহাতে আসাম দেশবাসীদিগের সহিত তাঁহাদের সদ্ভাবের লাঘব হয় এবং পরস্পরের মধ্যে বিদ্বেষভাব বৃদ্ধি প্রাপ্ত হয়। একটি নিকটবর্ত্তী দেশের আচার-ব্যবহার সম্বন্ধে বঙ্গীয় লেখকগণ সময় সময় যেরূপ অজ্ঞতা দেখান, তাহা কখনও তাঁহাদের পক্ষে শ্লাঘার কারণ হইতে পারে না। আসামের কথা এখনও "ঠান্‌দিদির" গল্পের ন্যায় অতিরঞ্জিতভাবে বর্ণনা করা কোনও লেখকের পক্ষেই গৌরবজনক কার্য্য নহে।



দান যেরূপ, প্রতিদানও তদ্রূপ হইতেছে; আমরা যেমন আসামবাসীদিগকে উপলক্ষ করিয়া "অসভ্য", 'জঙ্গলী' প্রভৃতি বাক্য প্রয়োগ করি, তাঁহারাও সেইরূপ অস্পৃশ্য "বাঙ্গাল" বলিয়া ঘৃণার ভাব প্রদর্শন করিতে ছাড়েন না। অবশ্য সকলেই যে বাঙ্গালীদিগকে অবজ্ঞার চক্ষে দেখেন তাহা বলিতেছি না। আসামদেশবাসীগণ আমাদের ঘনিষ্ঠ জ্ঞাতি ভ্রাতা। উচ্চশ্রেণীর আচার-ব্যবহার, পোষাক পরিচ্ছদ সর্ব্বদা আমাদের অনুরূপ; বরং কোন কোন বিষয়ে তাঁহাদিগকে শ্রেষ্ঠ মনে হয়। বঙ্গদেশে বরবিক্রয়রূপ রাক্ষসী প্রথা সমাজে যে ভীষণ বিপ্লব উপস্থিত করিতেছে, সেরূপ কোন প্রথা এদেশে নাই, তবে ইংরাজী-শিক্ষার প্রসারের সঙ্গে সঙ্গে কি দাঁড়ায় বলা যায় না। ধর্ম্মানুষ্ঠানেও আসামবাসীরা আমাদেরই ন্যায়; তাঁহাদের মধ্যেও বৈষ্ণব, শাক্ত ও শৈব আছেন। বহু প্রাচীনকাল হইতে এদেশে সংস্কৃত চর্চ্চা চলিতেছে। ভগবান্ শঙ্করাচার্য্যের জীবনীতে আছে, অত্রত্য পণ্ডিত অভিনব গুপ্তের সহিত তাঁহার ঘোরতর বিচার হয়। ইহাও অতি আধুনিক কথাই বলিতে হইবে। কামরূপ অতি প্রাচীন জনপদ ইহাতে সুপ্রাচীন আর্য্য-সভ্যতার সাক্ষ্যদানার্থ অনেক চিহ্ন অদ্যাপি বর্ত্তমান আছে। বাঙ্গালার দক্ষিণভাগ যখন সমুদ্রগর্ভ, তখন কামরূপে আর্য্যসভ্যতা পূর্ণভাবে প্রতিষ্ঠিত ছিল। কাজেই এই দেশকে বর্ব্বর বলিয়া আমরা ঘৃণা করিতে পারি না।

কামরূপ প্রদেশে প্রত্নতত্ত্ব-অনুসন্ধিৎসু ব্যক্তিগণের গবেষণার অনেক উপকরণ বিদ্যমান আছে। আসামের বনে জঙ্গলে গিরিকন্দরে যে কত ঐতিহাসিক সত্য লুক্কায়িত আছে তাহার কে ইয়ত্তা করিবে? আমরা অদ্য যে ভগবতী আদ্যাশক্তির মন্দিরের প্রাঙ্গনে সমবেত, তাঁহার মন্দিরের প্রকৃত তথ্য আজিও নির্ণিত হইয়াছে কি না সন্দেহ। ১৪৮৭ শকে কোচবিহারাধিপতি মহারাজ মল্লধ্বজের (তিনি ইতিহাসে নরনারায়ণ নামে প্রসিদ্ধ) সুযোগ্য ভ্রাতা শুক্লধ্বজ (চিলারায়) কর্ত্তৃক বর্ত্তমান মন্দির নির্ম্মিত। মন্দিরে প্রবেশ করিয়াই শ্রীশ্রীঈশ্বরী কামাখ্যা দেবীর চলন্তী মূর্ত্তির সম্মুখ দিকের দেওয়ালের গায়ে যে দুইটি খোদিত প্রস্তরমূর্ত্তি দেখিতে পাওয়া যায় তাহা সেই সেই রাজ ভ্রাতার প্রতিকৃতি। আজিও প্রতিদিন

ভগবতীর স্নানের পর বাসী নির্ম্মাল্য পুষ্পমালা ঐ মূর্ত্তিদ্বয়ের গলদেশে পরাইয়া দেওয়া হয়। চলন্তী কামাখ্যার প্রকোষ্ঠ হইতে কামাখ্যা দেবীর মূল মন্দিরের প্রবেশদ্বারের বামদিকে প্রস্তরফলকে এইরূপ একটী কবিতা অঙ্কিত আছে।

শ্রীহরিঃ।

লোকানুগ্রহকারকঃ করুণয়া পার্থো ধনুর্ব্বিদ্যয়া,
দানেনাপি দধীচি-কর্ণসদৃশো মর্য্যাদয়াম্ভোনিধিঃ ॥
নানাশাস্ত্রবিচারচারুচরিতঃ কন্দর্পরূপোজ্জ্বলঃ,
কামাখ্যা-চরণার্চ্চকো বিজয়তে শ্রীমল্লদেবো নৃপঃ ॥ ১ ॥
প্রাসাদমদ্রিদুহিতাশ্চরণারবিন্দে,
ভক্ত্যাকরোত্তদনুজো বরনীলশৈলে,
শ্রীশুক্লদেব ইমমুল্লসিতোপলেন,
শাকে তুরঙ্গ গজ বেদ শশাঙ্ক সংখ্যে ॥ ২ ॥
তস্যৈব প্রিয়সোদরঃ পৃথুযশাঃ বীরেন্দ্রমৌলিস্থলী,
মাণিক্যং ভজমানকল্পবিটপী নীলাচলে মঞ্জুলম্।
প্রাসাদং মুনি-নাগবেদ শশভৃচ্ছাকে শিলারাজিভি-
র্দ্দেবী ভক্তিমতাং বরো রচিতবান্ শ্রীশুক্লপূর্ব্বোধ্বজঃ ॥ ৩ ॥

শ্রীহরিঃ।

করুণাদ্বারা লোকের অনুগ্রহকারক, ধনুর্ব্বিদ্যায় অর্জ্জুনসমান, দানে দধীচি মুনি ও কর্ণ তুল্য, মর্য্যাদায় সাগর-তুল্য, নানা শাস্ত্র-বিচারে চারু-চরিত্রবান্, কন্দর্পের ন্যায় উজ্জ্বল রূপ, কামাখ্যাচরণ-পূজক শ্রীমল্লদেব নৃপতি বিশেষ-রূপে জয় যুক্ত হউন।

তাঁহার কনিষ্ঠ ভ্রাতা শ্রীশুক্লধ্বজ দেব ১৪৮৭ শকাব্দে শ্রেষ্ঠ নীলাচলে অদ্রিসুতা (কামাখ্যার) চরণারবিন্দে ভক্তি-প্রণোদিত হইয়া দীপ্তিমৎ শিলা দ্বারা প্রাসাদ নির্ম্মাণ করিয়াছিলেন।

তাঁহারই (শ্রীমল্লদেব ভূপতিরই) প্রিয় সহোদর বিপুলযশঃশালী বীরশ্রেষ্ঠদিগের মস্তক-মুকুটে মাণিক্যস্থানীয়, কল্পবৃক্ষ তুল্য, দেবীভক্তগণের



মধ্যে প্রধান শ্রীশুক্লধ্বজ মহারাজ ১৪৮৭ শকাব্দে শিলাসমূহ দ্বারা নীলাচলে মনোহর প্রাসাদ (মঠ) নির্ম্মাণ করিয়াছিলেন।

এই কবিতা পাঠ করিলে বর্ত্তমান মন্দিরের নির্ম্মাতা যে কোচরাজ নরনারায়ণের ভ্রাতা শুক্লধ্বজ, সে বিষয়ে কোন সন্দেহ থাকিতে পারে না। কি প্রকারে পূর্ব্বমন্দির নষ্ট হইল এবং কতকাল তাহা ভগ্নাবস্থায় ছিল, সে সম্বন্ধে নানা প্রকার প্রবাদ প্রচলিত আছে। রায় গুণাভিরাম বরুয়া বাহাদুরের আসাম-বুরুঞ্জি মতে মল্লধ্বজ ও শুক্লধ্বজের পিতা বিশ্বসিংহ কামাখ্যা-পীঠ আবিষ্কার করিয়া মন্দির নির্ম্মাণ করেন। এবং পরে ঐ মন্দির কালাপাহাড়-ভগ্ন করায় পুনরায় মল্লধ্বজ নির্ম্মাণ করেন। কিন্তু আশ্চর্য্যের বিষয় এই যে, প্রস্তরফলকে এই ঘটনার কোন্ উল্লেখ দেখা যায় না। বিশ্বসিংহের নির্ম্মিত মন্দির শুক্লধ্বজ কর্ত্তৃক পুনঃ সংস্কৃত হইয়া থাকিলে প্রস্তরফলকে বিশ্বসিংহের কোন উল্লেখ থাকায় সম্ভাবনা ছিল।

শ্রীশ্রীঈশ্বরী কামাখ্যা দেবীর পীঠ বহু সহস্র বৎসর হইতে হিন্দুজগতে পরিচিত ও সিদ্ধস্থান বলিয়া পরিগণিত। শ্রীমদ্দেবী ভাগবতের ম স্কন্ধে লিখিত আছে :—

"শ্রীমৎ ত্রিপুরভৈরব্যাঃ কামাখ্যা যোনিমণ্ডলম্।
ভূমণ্ডলে ক্ষেত্ররত্নং মহামায়াধিবাসিতম্ ॥

* * *

তত্রত্যা পৃথিবী সর্ব্ব দেবী রূপা স্মৃতা বুধৈঃ।
নাতঃ পরতরং স্থানং কামাখ্যা যোনিমণ্ডলাৎ ॥

কামাখ্যা যোনিমণ্ডলে শ্রীমতী ত্রিপুরভৈরবীর পরম স্থান, সেই স্থান ভূমণ্ডলের সমস্ত স্থান অপেক্ষা উত্তম। এই স্থানে মহামায়া দেবী নিয়তই অবস্থিত আছেন। বুধগণ বলিয়া থাকেন যে, সেই স্থানের সমস্ত ভূমিই দেবীর স্বরূপ। কামাখ্যা যোনিমণ্ডল অপেক্ষা উত্তম স্থান আর নাই।

ইহা নিঃসংশয়িতরূপে বলা যাইতে পারে যে, কামাখ্যা দেবীর মন্দির অনেকবার কোন রাষ্ট্র কি নৈসর্গিক বিপ্লবে বিধ্বস্ত হইয়াছে এবং বহুবার সংস্কৃত হইয়াছে। মন্দিরের আশে পাশে ভগ্ন মন্দিরের প্রক্ষিপ্ত মাল-মসলা

ইহার সত্যতায় সাক্ষ্য দিতেছে। এ দেশে ৩।৪ শত বৎসরের পর পর ভূমিকম্পাদি নৈসর্গিক বিপ্লব উপস্থিত হইতেছে,ইহা ঐতিহাসিক সত্য।"

---

# ৰামানুজ স্বামীৰ বিশিষ্টাদ্বৈতবাদ।

জীৱ আৰু ব্ৰহ্মৰ সম্বন্ধ বিষয়ে ব্ৰহ্মসূত্ৰ বা বেদান্তদৰ্শনৰ তিনি প্ৰকাৰ ব্যাখ্যা আছে যেনে, অদ্বৈতবাদ, দ্বৈতবাদ আৰু বিশিষ্টাদ্বৈতবাদ। এই সকলৰ সংক্ষেপ মৰ্ম্ম পাঠকবৰ্গৰ বহুতে জানে, এতেকে এই বিষয়ে লিখিবৰ সকাম নাই। বিশিষ্টাদ্বৈতবাদক দ্বৈতাদ্বৈতবাদও বোলা হয়। শ্ৰীমৎ আচাৰ্য্য ৰামানুজ স্বামী এই মতৰ প্ৰবৰ্ত্তক আৰু তেওঁৰ বেদান্ত দৰ্শনৰ "শ্ৰীভাষ্যত" এই মত বৰ নিপুণভাৱে প্ৰতিপাদন কৰা হৈছে। শ্ৰীভাষ্য ভক্তিমাৰ্গৰ এখনি দৰ্শন বুলিলে বোধ কৰোঁ একো দোষ নহয়। বৈষ্ণৱ সম্প্ৰদায়সকলে ইয়াৰ সাহায্যত তেওঁলোকৰ নিজ নিজ সাধনতত্বৰ গূঢ় দাৰ্শনিক মৰ্ম্ম বুজিব পাৰিব। বিশেষ আমাৰ দেশৰ ধৰ্ম্ম প্ৰবৰ্ত্তক মহাপুৰুষ শঙ্কৰদেৱে যদিও শ্ৰীভাষ্যৰ যাৱতীয় মতবিলাক অৱলম্বন কৰা নাই তথাপি জীৱ ব্ৰহ্মৰ সম্বন্ধ বিষয়ে এই মতকে সমৰ্থন কৰিছে। উত্তৰ-ভাৰতবৰ্ষত শঙ্কৰাচাৰ্য্যৰ মতেই প্ৰবল আছিল। শঙ্কৰদেৱে তেওঁৰ প্ৰথম বাৰ দেশ ভ্ৰমণৰ সময়ত দাক্ষিণাত্যলৈ গৈ ৰামানুজৰ দৰ্শনেৰে বিশেষ ভাৱে সম্বন্ধ হৈ অহা যেন অনুমান হয়। এতেকে এই দৰ্শনৰ মূল বিষয় কেইটামানৰ সম্বন্ধে চুম্বকভাৱে আলোচনা কৰা অসঙ্গত নহব।

বৌদ্ধধৰ্ম্মৰ প্ৰভাৱত ভাৰতবৰ্ষত বৈদিক সনাতন ধৰ্ম্মৰ তেজ ক্ষীণ হোৱাত ভট্ট কুমাৰিল আৰু ভগৱান শঙ্কৰাচাৰ্য্যই বৌদ্ধ মত দূৰ কৰি দেশত আকৌ সনাতন ধৰ্ম্মমত প্ৰবৰ্ত্তন কৰে। শঙ্কৰাচাৰ্য্য শুদ্ধ বা নিৰ্ব্বিশেষ অদ্বৈতবাদী। তেওঁৰ নিৰ্গুণ ব্ৰহ্ম সূক্ষ্মাতিসূক্ষ্ম ধাৰণাৰো অতীত। তেওঁ জীৱ আৰু ব্ৰহ্মক এক কৰি, জগৎ একেবাৰে মিছা বুলি, এনেকি সগুণ ঈশ্বৰো পৰমাৰ্থত অবিদ্যাকল্পিত এনে মন্তব্য প্ৰকাশ কৰি প্ৰায় বৌদ্ধৰ শূন্যবাদৰ ওচৰ



পালেগৈ। সেইদেখি তেওঁৰ মায়াবাদ প্ৰচ্ছন্ন বৌদ্ধবাদ বুলি নিন্দা কৰা একো আচৰিত নহয়। সি যি হওক তেওঁৰ প্ৰদৰ্শিত ধৰ্ম্মমত জ্ঞানী সংসাৰ-ত্যাগী সাধকসকলৰ পক্ষে উপযুক্ত হলেও যে সাধাৰণৰ উপযোগী নহল এই বিষয়ে কোনো সন্দেহ নাই। সাধাৰণ সংসাৰী লোক উপযুক্ত ধৰ্ম্মৰ অভাৱত অনাচাৰতে প্ৰবৃত্ত হৈ থাকিল। এনে সময়তে শ্ৰীমদ্ ৰামানুজ আচাৰ্য্যৰ আবিৰ্ভাৱ হল। তেওঁ দেখিলে যে জীৱবিলাক প্ৰকৃততে ভগৱানৰ অংশ হলেও চিৰকাল ভগৱানৰ সেৱক আৰু ভগৱানেই সিবিলাকৰ একমাত্ৰ সেব্য। ভক্তিয়েই এনে সাধনাৰ মূল আৰু ভক্তি নহলে জীৱৰ কোনো কালে মুক্তি নহয়। এই সিদ্ধান্ত তেওঁৰ শ্ৰীভাষ্যত ভালকৈ বুজাইছে।

জ্ঞান পন্থৰ ব্ৰহ্ম নিৰ্গুণ আৰু নিৰ্ব্বিশেষ কিন্তু ভক্তিমাৰ্গৰ ব্ৰহ্ম সগুণ আৰু সবিশেষ। শ্ৰীভাষ্যৰ আৰম্ভতে মঙ্গলাচৰণত ৰামানুজ স্বামীয়ে যি শুৱলা শ্লোক ৰচনা কৰিছে সেয়ে এই কথা ভালকৈ বুজায়।

"অখিল ভুবন-জন্ম-স্থেম-ভঙ্গাদিলীলে,  
বিনত বিবিধ ভূত ব্ৰাত ৰক্ষৈকদীক্ষে।  
শ্ৰুতি শিৰাস বিদীপ্তে ব্ৰহ্মনি শ্ৰীনিবাসে,  
ভবতু মম পৰস্মিন্ শেমুষী ভক্তিৰূপা॥"

"অখিল জগতৰ সৃষ্টি স্থিতি প্ৰলয় যাৰ লীলা, শৰণাগত সৰ্ব্ববিধ প্ৰাণী-বিলাকক ৰক্ষা কৰাই যাৰ ব্ৰত, যিজন উপনিষৰ আদি শাস্ত্ৰত ভালকৈ প্ৰতিপাদিত হৈছে সেই পৰব্ৰহ্মস্বৰূপ শ্ৰীনিবাস বাসুদেৱত মোৰ ভক্তিময়ী মতি হওক।"

ৰামানুজৰ মতে "ব্ৰহ্মশব্দেন স্বভাৱতো নিৰস্তনিখিলদোষাঽনৱধিকাতি-শয়া সংখ্যেয় কল্যানগুণগণঃ পুৰুষোত্তমোঽভিধীয়তে।" বৃহ ধাতুৰপৰা ব্ৰহ্ম শব্দ হৈছে। বৃহ অৰ্থে বৃদ্ধি বা মহত্ব। নিৰতিশয় মহত্ব পৰমেশ্বৰৰ বাহিৰে আন কাৰো নাই। পৰমেশ্বৰ দোষশূন্য, কাৰণ দোষ থাকিলে নিৰতিশয় মহত্ব হব নোৱাৰে। এতেকে ব্ৰহ্মশব্দে স্বভাৱতে সৰ্ব্বদোষবিবৰ্জ্জিত, অসীম, অনন্ত কল্যাণ গুণ সমন্বিত পুৰুষোত্তম বাসুদেৱক হে বুজায়। এয়ে সগুণ ব্ৰহ্ম বা ঈশ্বৰ। ভাষ্যকাৰে আৰু কয় যে নিৰ্ব্বিশেষ বস্তুবাদী (নিৰ্গুণ ব্ৰহ্মবাদী) সকলে তেওঁলোকৰ মত সমৰ্থন কৰিবলৈ 'এই প্ৰমাণ আছে'

এনেকৈ কব নোৱাৰে, কাৰণ প্ৰমাণ মাত্ৰেই সবিশেষ বা সগুণ বস্তুগ্ৰাহী। বিশেষ "যঃ সৰ্ব্বজ্ঞঃ সৰ্ব্ববিৎ" (১) "স ঐক্ষত লোকান নু সৃজা" (২) "নিত্যো নিত্যানাং চেতনশ্চেতনা নামেকো বহুনাং য বিদধাতি কামান" (৩) "তমীশ্বৰাণাং পৰমং মহেশ্বৰং তং দেবতানাং পৰমঞ্চ দৈবতম। পতিং পতীনাং পৰমং পৰস্তাৎ বিদাম দেবং ভুবনেশমীড্যম" ॥ (৪) ইত্যাদি শ্ৰুতিবাক্যৰ দ্বাৰাই বিশেষ ভাবে বুজা যায় যে ব্ৰহ্মশব্দ সবিশেষ, অশেষ শক্তি আৰু কল্যাণগুণৰ আকৰ আৰু নিকৃষ্ট গুণৰ অভাববোধক। শঙ্কৰাচাৰ্য্যৰ মতে ব্ৰহ্ম নিষ্ক্ৰিয় আৰু শান্ত, সৃষ্টি মায়াৰ ইন্দ্ৰজাল মাথোন। ইয়াৰ উত্তৰত ৰামানুজে কয় সৃষ্টি ঈশ্বৰৰ লীলা অৰ্থাৎ অযত্নসাধ্য কৰ্ম্ম, ঈশ্বৰ নিষ্ক্ৰিয় নহয়। "তদৈক্ষত বহুস্যাং প্ৰজায়েয়েতি" (৫) "স ঐক্ষত লোকান নু সৃজা" (৬) ইত্যাদি শ্ৰুতি বাক্যইও ইয়াকে বুজায়। *

এতিয়া ৰামানুজৰ মতে জগতৰ ব্ৰহ্মৰ সৈতে সম্বন্ধৰ কথা আলোচনা কৰা যাওক। তেওঁৰ মতে সৃষ্টি স্থিতি আৰু প্ৰলয়ৰ কাৰণ ব্ৰহ্ম। চৰাচৰৰ সকলো বস্তু তেওঁৰপৰাই হোৱা আৰু সকলোৱে তেওঁকে আশ্ৰয় কৰি স্থিতি কৰিছে। কোনো পদাৰ্থ এক মুহূৰ্ত্তলৈকেও তেওঁৰ আশ্ৰয় নোলোৱাকৈ থাকিব নোৱাৰে। তেওঁ সৰ্ব্বভূতৰ আত্মা আৰু সৰ্ব্বাত্মক। তেওঁতে সমস্ত ভূতে অৱস্থান কৰে আৰু তেওঁ সকলোতে বৰ্ত্তমান। "তবৈশ মহিমা যেন ব্যাপ্তমেত চ্চৰাচৰম" (বিষ্ণুপুৰাণ)। জগৎ ব্ৰহ্মাত্মক আৰু সেই বাবে সৰ্ব্বাত্মকভাবে প্ৰকৃততে ব্ৰহ্মই একমাত্ৰ সত্য বস্তু, একমেবাদ্বিতীয়ম। ইয়াৰ অৰ্থ এনে নহয় যে জগৎ মিছা। ব্ৰহ্মই জগতৰ আশ্ৰয় এতেকে ব্ৰহ্ম-বস্তুটি বাদ দিলে জগৎ মিছা হয় এইটি সত্য। পৰমেশ্বৰ সৰ্ব্বাত্মক আৰু সকলোৰে অন্তৰত প্ৰবিষ্ট থাকি শাসন কৰে, "অন্তঃ প্ৰবিষ্ট শাস্তা জনানাং সৰ্ব্বাত্মা" (বৃহদাৰণ্যক)। এতেকে এই ব্ৰহ্মাত্মক জগৎ কেতিয়াও মিছা

---

(১) মুণ্ডক। (২) ঐতৰেয়। (৩) কঠ। (৪) শ্বেতাশ্বতৰ। (৫) ছান্দোগ্য। (৬) ঐতৰেয়।

* খ্ৰীষ্টান ধৰ্ম্মশাস্ত্ৰ বাইবেলতো এই লীলাৰ কথাকে কয়:—"In the beginning God created the heaven and the earth * * * * And God said Let there be light and there was light &c. &c.



হব নোৱাৰে, ই পৰমাৰ্থতো সম্পূৰ্ণ সত্য। ইয়াৰ আবিৰ্ভাব আৰু তিৰোভাব, সৃষ্টি আৰু লয় আছে কিন্তু যি পৰ্য্যন্ত বৰ্ত্তমান সি পৰ্য্যন্ত সঁচা নহৈ মিছা হব নোৱাৰে।

জীবাত্মা ব্ৰহ্মতকৈ ভিন্ন নহয় কিন্তু অভিন্নও নহয়। জীৱস্বৰূপ আৰু ব্ৰহ্মস্বৰূপ একে কিন্তু ব্ৰহ্ম পূৰ্ণ আৰু জীৱ অংশ। "অতএব জীবোপি ব্ৰহ্মণো নাত্যন্ত ভিন্নঃ অপি তু ব্ৰহ্মাংশত্বেন ভিন্নাভিন্নঃ। তত্ৰাভেদ এব স্বাভাবিকঃ ভেদস্তৌপাধিকঃ।" এই বাবে ৰামানুজৰো অদ্বৈতবাদ কিন্তু সেয়ে বিশেষ প্ৰকাৰৰ সেইদেখি তেওঁৰ মতক বিশিষ্টাদ্বৈতবাদ বোলা হয়। সূৰ্য্যৰ এক ৰশ্মি আৰু সূৰ্য্য যেনে জীৱ আৰু ব্ৰহ্ম তেনে সম্বন্ধযুক্ত। প্ৰকৃততে অভেদেই স্বভাবসিদ্ধ, জীৱৰ ভেদ কেৱল দেহ, ইন্দ্ৰিয় আৰু বুদ্ধিৰ দ্বাৰাই হয়। "মন্ত্ৰবৰ্ণাৎ" এই সূত্ৰৰ ভাষ্যত কৈছে যে সমস্ত বিশ্বৰ ভূতবিলাক ব্ৰহ্মৰ এক পাদ মাত্ৰ, "পাদোঽস্য বিশ্বাভূতানি ত্ৰিপাদস্যামৃতং দিবি", বাকী তিনি পাদ অমৃতৰূপে বৰ্ত্তমান। এতেকে শ্ৰুতি বাক্যৰপৰাও জনা যায় যে জীৱ ব্ৰহ্মৰ অংশ। তাৰ পাছৰ সূত্ৰ "অপি স্মৰ্য্যতে" এই সূত্ৰতো কয় যে স্মৃতিতো ইয়াকে কয় যেনে "মমৈবাংশো জীবলোকে জীবভূতঃ সনাতনঃ" --গীতা। এতেকে জীৱ যে ব্ৰহ্মৰ অংশ ই শ্ৰুতি আৰু স্মৃতি সিদ্ধ। "তোমাৰে সে অংশ আমি যত জীৱ আৰু"...শঙ্কৰদেৱ।

জৈমিনিৰ পূৰ্ব্বমিমাংসাৰ আদি সূত্ৰ "অথাতো ধৰ্ম্ম জিজ্ঞাসা" আৰু বেদান্ত বা উত্তৰ মিমাংসাৰ আদি সূত্ৰ "অথাতো ব্ৰহ্ম জিজ্ঞাসা"। শঙ্কৰা-চাৰ্য্যৰ মতে জীৱই পূৰ্ব্বমিমাংসাৰ বেদবিহিত কৰ্ম্মাদি কৰি তাৰ ফল অনিত্য বুলি জানি শেষত নিত্যানন্দ ব্ৰহ্মক বিচাৰে। এতেকে পৰমাৰ্থ তত্ত্ব অনুসন্ধান কৰা লোকৰ পক্ষে কৰ্ম্মকাণ্ডৰ আবশ্যকতা নাই, জ্ঞানকাণ্ডই আৱশ্যকীয়। শঙ্কৰে কয় যে জৰা মৰণাদি দুখ কেৱল ভেদজ্ঞানৰূপ অবিদ্যাৰপৰা হয় এতেকে ভেদজ্ঞানমূলক কৰ্ম্ম অৰ্থাৎ যাগ যজ্ঞাদি কেনেকৈ ব্ৰহ্মলাভৰ উপায় হব পাৰে? ৰামানুজে কয় যে অবিদ্যা নিবৃত্তিয়েই মোক্ষ। ব্ৰহ্মজ্ঞানৰপৰা সেই অবিদ্যাৰ নিবৃত্তি হয় সঁচা কিন্তু এই ব্ৰহ্মজ্ঞান কেনে? ই কি কেৱল বাক্যাৰ্থজ্ঞান? এনে theoritical জ্ঞানৰপৰা অবিদ্যা একেবাৰে যায় নে? কেতিয়াও নেযায়। উপাসনা, ধ্যান আদিৰ দ্বাৰাই practical জ্ঞান বা "ধ্ৰুবানুস্মৃতি" নহলে অবিদ্যাৰ নাশ নহয়। এতেকে

ধ্যান উপাসনা আদিৰ দ্বাৰাই লব্ধ জ্ঞানেই যথাৰ্থ জ্ঞান। শ্ৰুতিত কয় 'নায়মাত্মা প্ৰবচনেন লভ্যঃ ন মেধয়া ন বহুনা শ্ৰুতেন। যমেবৈষ বৃণুতে স তেন লভ্যস্তস্যৈষ আত্মা বৃণুতে তনুং স্বাম॥" (কঠ)। আত্মাই যাক বৰণ কৰে তেওঁৰ আগত হে আত্মা প্ৰকাশিত হয়। ইয়াত প্ৰকাৰান্তৰে উপাসনাহীন শ্ৰৱণ মনন আত্মদৰ্শনৰ উপায় নহয় বুলি নিৰ্দ্দেশ কৰা হৈছে। প্ৰিয়তম যি সিয়েই বৰণীয় হয় এতেক পৰমাত্মা যাৰ অত্যন্ত প্ৰিয় তেওঁহে পৰমাত্মাৰ বৰণীয় হয়। গীতাতো কৈছে :—

তেষাং সতত যুক্তানাং ভজতাং প্ৰীতিপূৰ্ব্বকম।
দদামি বুদ্ধিযোগং তং যেন মামুপযান্তি তে॥

আকৌ কৈছে "ভক্ত্যালভ্যস্তনন্যয়া"। এতেকে এয়ে স্থিৰ হল যে ভক্তি-পূৰ্ণ উপাসনা আদিৰ দ্বাৰাই হে প্ৰকৃত জ্ঞান হয় আৰু জ্ঞানৰ দ্বাৰাই ব্ৰহ্মলাভ হয়। সেই দেখি উপাসনা আদি ভক্তিমূলক কৰ্ম্ম আৱশ্যকীয়। যি কৰ্ম্ম ভক্তিৰ বিৰোধী তাক ত্যাগ কৰা উচিত।

"তাহত কৃষ্ণৰ ভক্ত নৰে, ভক্তি অবিৰোধী কৰ্ম্ম কৰে
হৰি ভক্তি যাৰে নোপযায়।"—মাধৱদেৱ।

শঙ্কৰৰ মত খণ্ডন কৰাৰ লগে লগে ৰামানুজে সাংখ্য-মতো খণ্ডন কৰিছে। সাংখ্য মতে পুৰুষ আৰু প্ৰকৃতি আদি দ্বৈত বস্তু। মূল প্ৰকৃতি বা প্ৰধানেই জগৎ কাৰণ। ৰামানুজে আগত উল্লেখ কৰা "ঈক্ষণ" শ্ৰুতিৰপৰা প্ৰমাণ কৰিছে যে জড় প্ৰকৃতি জগৎ কাৰণ হব নোৱাৰে, কাৰণ, অচেতন প্ৰধান ঈক্ষণৰ কৰ্ত্তা হব নোৱাৰে। প্ৰধানত আত্মবুদ্ধি হোৱা মোক্ষ বিৰোধী এতেকে সাংখ্যোক্ত প্ৰধান জগৎ কাৰণ সৎ বস্তু হব নোৱাৰে। তাক ভাষ্যকাৰে আৰু এক প্ৰকাৰে বুজাইছে। শ্ৰুতিত সুষুপ্তি অৱস্থাৰ বৰ্ণনা কৰোতে কৈছে যে এই অৱস্থাত জীৱই স্বস্ব ৰূপত অৱস্থান কৰে, অৰ্থাৎ সৎ বস্তুৰ লগত মিলি যায়। সেই সময়ত সংসাৰী জীৱ মুক্ত নোহোৱাকৈ সমস্ত ইন্দ্ৰিয়ৰ কাৰ্য্য স্থগিত হোৱাৰ বাবে বিষয়ৰ উপলব্ধি আৰু ভোগাদি কাৰ্য্যত অসমৰ্থ হৈ জুৰণিৰ ঠাই চিৎ স্বৰূপ পৰমাত্মাক লাভ কৰি সুস্থ হয় কিন্তু ভোগৰ বাবে আকৌ সাৰ পায়। এই অৱস্থাত জীৱাত্মাৰ জড় পদাৰ্থৰে কোনো সম্বন্ধ নথাকে, তেনেহলে অচেতন প্ৰধানত



কেনেকৈ চেতন জীৱৰ অৱস্থান হয়? সুষুপ্তিত যি সৎ বস্তুত জীৱাত্মাৰ অৱস্থানৰ কথা শ্ৰুতিত কৈছে সি ব্ৰহ্মৰ বাহিৰে একো নহয়।

ৰামানুজৰ মতে জীৱই নিজৰ দেহতে যে আত্মবোধ কৰে এয়ে অহংকাৰ, অবিদ্যা বা মায়া। দেহাতিৰিক্ত আত্মাৰ ব্ৰহ্ম স্বাৰূপ্য বুজিব পাৰিলে অবিদ্যাৰ নাশ হয় আৰু মোক্ষসাধক জ্ঞান জন্মে। কিন্তু পূৰ্ব্বে কোৱা হৈছে যে এই জ্ঞান কেৱল বাক্যাৰ্থজ্ঞান নহয়, এনে জ্ঞান ভক্তিমূলক উপাসনা আদি নহলে নজন্মে। ব্ৰহ্মজ্ঞানৰ নিমিত্তে ভক্তিমাৰ্গৰ সাধনা একান্ত আৱশ্যকীয়।

এতিয়া দেখা যাওক মুক্তি সম্বন্ধে ৰামানুজৰ মত কি। শঙ্কৰাচাৰ্য্যৰ মতে অবিদ্যা নষ্ট হলে ব্ৰহ্মস্বৰূপ জীৱ ব্ৰহ্মই হয়, অহংজ্ঞান লুপ্ত হয়, জীৱাত্মা পৰমাত্মাত লীন হয়—এযে নিৰ্ব্বাণ মুক্তি। ৰামানুজে কয় ই মুক্তি নে আত্মনাশ? ৰামানুজে কয় যে অহংপদাৰ্থৰ অভাৱত জ্ঞাতৃত্ব থাকিব নোৱাৰে, জ্ঞানৰ আত্মত্ব সিদ্ধ নহয়। এতেকে সদাই জ্ঞাতাৰূপে বৰ্ত্তমান যি অহংভাৱ সেয়ে আত্মা। এই অহংভাৱৰ নাশ আৰু আত্মাৰ নাশ একে কথা। অৱশ্যে অহংকাৰ (দেহাদি জড় প্ৰকৃতিত আত্মবোধ) নষ্ট হব লাগে কিন্তু অহংভাৱ (Self-consciousness) মুক্ত পুৰুষৰো নষ্ট নহয় আৰু সেয়ে হোৱা হলে জীৱন্মুক্ত পুৰুষ হবই নোৱাৰিলেহেঁতেন। সুষুপ্তিত বাহ্য পদাৰ্থৰ লগত কোনো সম্পৰ্ক নথকাৰ বাবে তেতিয়া অহংভাৱৰ স্পষ্ট স্ফুৰণ নহয় সঁচা কিন্তু তেতিয়াও অহংভাৱ একেবাৰে বিলুপ্ত নহয়। শঙ্কৰৰ মতে আত্মা চেতন আৰু জ্ঞানময়, অহং, পদাৰ্থ অনাত্মা বা জড় বস্তু, সুষুপ্তিৰ সময়ত জ্ঞানৰূপী আত্মা অজ্ঞান বা মোহৰ সাক্ষী হৈ থাকে, অহংকাৰ বিলুপ্ত হয় এই বাবেই আমিত্বৰ বোধ নহয়। ৰামানুজে কয় সি নহয়। অহংভাৱ আৰু আত্মা একে কথা। সুষুপ্তিৰপৰা উঠা লোকে কয় "মই গভীৰ টোপনিত সুখে আছিলোঁ। কিন্তু একো জানিব পৰা নাছিলোঁ।" ইয়াৰ দ্বাৰাই বুজা যায় যে সেই সময়তো আত্মাই নিজৰ অস্তিত্ব বোধ কৰিব পাৰিছিল। * এই

* ভাষ্যকাৰে অহংভাৱ আৰু অহংকাৰৰ পাৰ্থক্য দেখুৱাইছে। অহং ভাৱেই আত্মাৰ স্বৰূপ প্ৰতীতি আৰু অহংকাৰ জড় প্ৰকৃতিৰ পৰিণাম (সাংখ্যোক্ত অহংকাৰ বুদ্ধিৰ বিকাৰ, চতুৰ্বিংশতি জড় তত্ত্বৰ এটা তত্ত্ব)। অনাত্ম দেহত আত্মভাৱ বা আমিত্ব ভাৱ

সুষুপ্তিৰ উদাহৰণৰ দ্বাৰাইয়ে তেওঁ দেখুৱাইছে যে মোক্ষাৱস্থাতো অহংভাৱৰ অস্তিত্ব থাকে। বৃহদাৰণ্যক উপনিষদত দেখা যায় বামদেৱ ঋষিয়ে ব্ৰহ্মজ্ঞান লাভ কৰি জানিব পাৰিছিল যে তেওঁৱেই মনু আৰু সূৰ্য্য হৈছিল। এতেকে বুজা যায় যে মুক্তাত্মাৰো অহংভাব নষ্ট নহয় আৰু ই শ্ৰুতিসিদ্ধ কথা। বিশেষ সূত্ৰকাৰেও কোনো ঠাইত কোৱা নাই যে মোক্ষাৱস্থাত জীৱাত্মা ব্ৰহ্মত লীন হৈ অহংভাব একেবাৰে বিলুপ্ত হয়। বাদৰায়ণৰ সূত্ৰৰপৰাই জনা যায় যে মুক্ত পুৰুষে অকল সৃষ্টি স্থিতি প্ৰলয়ৰ বাহিৰে ঈশ্বৰৰ সকলো শক্তি পায়, কিন্তু সৰ্ব্ব শক্তিমান পৰমেশ্বৰৰ সদাই অধীন। কোৱা বাহুল্য যে যে এনে প্ৰকাৰ মোক্ষাৱস্থাই ভক্তিমাৰ্গৰ লোকৰ বাঞ্ছনীয়, নিৰ্ব্বান মুক্তি বাঞ্ছনীয় নহয়।

"নলাগে লাম মুকুতিকো (১) তথা।
নাহি হৰি পদ-পঙ্কজ যথা॥"

—শঙ্কৰদেৱ।

সংসাৰ ত্যাগী জ্ঞানী হে শঙ্কৰাচাৰ্য্যৰ দৰে নিৰ্গুণ ব্ৰহ্মত স্থিতিৰ উপযুক্ত। সংসাৰীৰ পক্ষে ভক্তিমাৰ্গই মোক্ষ সাধণৰ উপায় আৰু এই পথ অৱলম্বন কৰিয়ে গৃহাশ্ৰমীসকলে সুকলমে ব্ৰহ্মজ্ঞান লাভ কৰিব পাৰে এই কথা ৰামানুজে সুন্দৰকৈ বুজাইছে।

ওপৰত অতি চুম্বকভাবে ৰামানুজৰ খাই মতবিলাকৰ উল্লেখ কৰা গল। সেইবিলাকৰ যুক্তিযুক্ততা বিচাৰ কৰা আমাৰ নিচিনা লোকৰ পক্ষে সম্ভৱপৰ

---

উৎপাদন কৰে এইদেখি অহংকাৰ হেয়। ভাষ্যকাৰৰ এই মত বিশেষ যুক্তিযুক্ত যেন বোধ হয় কিন্তু সুষুপ্তি বা মোক্ষাৱস্থাতো যে তেওঁ অহংভাৱৰ অস্তিত্ব থাকে বুলি কয় এই কথাই কিমান দূৰ তেওঁৰ নিজ মত ৰক্ষা কৰে তাক পাঠকসকলে বিবেচনা কৰি চাব। অহংভাব relative idea. অন্য বস্তুৰপৰা স্বতন্ত্ৰতা বুজিব নোৱাৰিলে অহং জ্ঞান নহয়, গতিকে দ্বৈতভাব আহি পৰে। মোক্ষাৱস্থাতো দ্বৈতভাব ৰলে অদ্বৈতবাদ নেথাকে। সেই বাবে এনে অনুমান হয় যে দ্বৈতবাদেই ৰামানুজৰ নিজৰ প্ৰতীতিৰ ফল (result of intellectual conviction)। শ্ৰুতি বাক্যৰ মৰ্য্যাদা ৰক্ষা কৰিবৰ নিমিত্তে কেৱল তেওঁ অদ্বৈতবাদ সমৰ্থন কৰিছে।

(১) লীন মুকুতি—নিৰ্ব্বাণমুক্তি অৰ্থাৎ জীৱাত্মা ব্ৰহ্মত লীন হোৱা অৰ্থে যি মুক্তি।



নহয়। সি যিহওক শঙ্কৰাচাৰ্য্যৰ নিচিনা অলৌকিক মেধাবিশিষ্ট পুৰুষৰ মত খণ্ডন কৰাৰ নিমিত্তে ৰামানুজৰ নিচিনাকৈ যুক্তিপূৰ্ণ প্ৰতিবাদ আৰু কোনেও কৰিব পৰা নাই, ই কথা নিশ্চয়। শ্ৰীভাষ্যৰ আন সাধাৰণ মতবিলাকৰ সম্বন্ধে আলোচনা কৰা এই ক্ষুদ্ৰ প্ৰবন্ধৰ উদ্দেশ্য নহয়, এতেক ইমানতে সামৰিলোঁ।

শ্ৰীকনকলাল বৰুৱা।

---

## ৰজাঘৰীয়া পুৰণি চিঠি।

(২)

গতসংখ্যা বাঁহীত ওলোৱা জয়ন্তাৰ ৰজাই লিখা চিঠিৰ উত্তৰত আমাৰ ৰৰবৰুৱা ডাঙৰীয়াই, তেওঁলৈ যি চিঠি লিখিছিল সেইখন এই :—

"স্বস্তি শ্ৰীমদিন্দ্ৰোদিবৃন্দাৰকবৃন্দবন্দিতপদদ্বন্দ্বাৰবিন্দ শ্ৰীগোবিন্দপদকমলা-মন্দমেদুৰ মকৰন্দোন্দিৰসান্দ্ৰানন্দমন্দিৰ নীতিসুন্দৰীপৰিৰম্ভিতকলেৱৰ প্ৰবিণ-বিতৰণতৃণীকৃতগীৰ্ব্বাণক্ৰমকীৰহিতৈৰসোদৰ কীৰ্ত্তিপূৰ জয়ন্তীপুৰ শ্ৰীমদ্ৰামসিংহ নৃপেষু।"

"স্বস্তি শ্ৰীমদ্বিশ্বেশ্বৰচৰণশ্ৰীপূৰ্ণপৰায়নান্তঃকৰণধিষণাধিকৃতধিশণনীতিসেতু ৰক্ষক শ্ৰীমদ্বৰবৰুৱাময়িশৃঙ্গস্য লিপিৰিয়ং বিৰাজতেতৰামত্ৰশুদিনং ভৱত্তব্যমীহ খানানামব্যাহতং ভদ্ৰং নঃ।"

"বিশেষ সমাচাৰ এহি শ্ৰীশ্ৰী৮ৰ স্থানে আপনে শ্ৰীৰামচন্দ্ৰ কটকীৰ যোগে যে পত্ৰ প্ৰেৰণ কৰি আছিল সে পঁহুছিল ; তাহাৰ বাচনিতে শ্ৰীশ্ৰী৮ৰ সকল সমাচাৰ জ্ঞাত হৈয়া পৰমাপ্যায়িত হৈল। তাপৰ শ্ৰীশ্ৰী৮ত আপনাৰ কটকী মজকুৰকে সাক্ষাত কৰালেন ; সে সময়ে যে কথোপকথন হৈ আছিল তাহা সকল কটকী মজকুৰ জ্ঞাত হৈ আছে ; আৰ পত্ৰে লেখি আছিলেন পূৰ্ব্বেৰ প্ৰীতি সম্বন্ধীয় উপযুক্ত হয় ; এইৰূপ কিয়ৎকাল হৈতে কথন মাত্ৰ প্ৰবৰ্ত্তনাভাৱ হৈ আছেন। সম্প্ৰতি যেমতে পূৰ্ব্ব ৮ৰ প্ৰীতি ৰক্ষা পৰা যাই তাহা কৰনেসে উচিত হয় ; আৰ বলি আছেন সুপ্ৰতুল শত্ৰুদমন শ্ৰৱণ মাত্ৰকে বড় আনন্দতাক পাই। আপ্তজন হৈলে আপ্তজনে

শুভাকাঙ্ক্ষী হবনেসে উচিত। আৰ যে বলি আছ উভয় দেশেৰ প্ৰীতি ও একত্তাপত্তি বিস্মৃত নাহয় এবাক্য আপনাৰ সত্য বটেন; তাহাতে লেখি আছেন শ্ৰীশ্ৰী৺ৰ ইচ্ছাতে নৰ্থম্বেৰ কতগোটা গাৰো পথ বিৰোধ কৰি আছিল, সম্প্ৰতি সুপ্ৰতুল হৈ আছে, অল্প শেষ আছে, তাহাও অল্প দিবসেই সুপ্ৰতুল হয় নহয় এক প্ৰকাৰ বিৰোধেৰ শেষ দেখিবাম; আপনাতে অভেদতা কাৰ্য্য জানাইলাম; আত্ৰাও এসকল জ্ঞাত আছি কিন্তু বাহা বিৰোধ যে শেষ থাছে তাহা চেষ্টিত কৰিয়া পথ খোলাসা কৰি পূৰ্ব্বেৰ ৺তে থাকিয়া সৰ্ব্বধাৰাম্নমতে উকীল গতায়াত হৈলে উভয়েৰ এবং উভয়ত ৰক্ষা পাই এবং প্ৰীতো জিয়াদা হয়; অভেদতা বাক্যো তেবেসে উচিত হয়। আৰ ভগনীয়া প্ৰজাৰ কাৰণ যথোচিত সমস্ব কৰিবাম এমত যে লেখি আছেন এ বাক্য ৰক্ষা কৰেনসে উচিত, তথাচ কাযেৰ দ্বাৰাই বুঝিতেনা যেকালে এদেশেৰ শত্ৰু মায়ামৰীয়াক দমন কৰা গেল সে কালেতে মৰণ ভয়ে বহু লোক গিয়া সেথানেৰ দাতি সোমাইল; সে সময়ে আমাদেৰ লোকে সেথানেৰ লোকক বলি আছিল আমাদেৰ প্ৰজাক তোমা সকলে ৰাখিবেক না এবং সংস্থানো দিবেক না; শত্ৰু হৈতে পশ্চাত জঞ্জাল বৃদ্ধি হৈবে এবং উভয়েৰ প্ৰীতো নষ্ট হৈবে অতএৱ ৰাখিবেক না তথাচ সেথানেৰ ৰাজা পোৱালী ও দাতিয়াল ও গাৰো এ সকলে প্ৰব্যা-ভিলাষে কোনোৰূপ অন্যথা নাহয়; যদিচ্যাত অন্যথা হবে আমাতে বুঝিবেক এমন বলি জিম্মা কৰি ৰাখিলেক। সম্প্ৰতি সে দাতিৰ ৰাজা পোৱালী ও গাৰো ও কাছাৰী এ সকলেই মায়ামৰীয়া সহিত সম্মিলিত হৈয়া যেৰূপ মন্দ কাৰ্য্য কৰি আছে তাহা সকলে এমন মন্দ কাৰ্য্য কৰিতে শক্য নাহয় এমত বুজা যাই; ইহাতে আশ্চৰ্য্য বোধ হৈয়াছি। কোনো প্ৰধান জনেৰ ইঙ্গিত নাহৈলে, এমন সামান্য লোকে গুৰুত্তৰ কাৰ্য্য কৰিতে পাৰেনা। যাহাৰ ইঙ্গিতত এমত অকাৰ্য্য হৈ আছে শ্ৰীশ্ৰী৺৺এ যে কৰাবে তাহা আৱশ্য হৈবেক। অতএৱ পূৰ্ব্ব প্ৰীতিত থাকিয়া আমাদেৰ ভগনীয়া প্ৰজা এবং মায়ামৰীয়া সেথানে যে আছে সকল ছাড়ি দিবাৰ জন্য সে লোককে হুকুম দিবেক। সেৰূপ নাকৰি পূৰ্ব্ব ৺ নিৰ্ব্বন্ধ ছাড়াইলে এবং প্ৰীতি বাক্যো নাচৰিলে ইহাতে যেৰূপ হবে তাহা আপনে জানিবেন। পশ্চাতে সে প্ৰজা এবং মায়ামৰীয়া ৰাখিতে পাৰিবেক না। অতএৱ লেখিতেছি আৰ লেখি আছেন



পূৰ্ব্বে অন্যান্যেৰ দ্বাৰা শুনি আছি সীমনা ভাঙ্গিয়া মদ্দেশাশ্ৰিত প্ৰজা নি আছ তথাচ পূৰ্ব্ব ৺ অবাৰণ কেন কৰি আছি এমত ৰীত ভাল না হয় যে বলি আছেন সম্প্ৰতি উপযুক্ত নয় নিশ্চয় বুজিবেক। আমি পূৰ্ব্ব ৺ তে আছি; যদিচ্যাত তাহাকে আমি ছাড়ান হৈবাম আমাদেৰ অত প্ৰজা অত দিবস সেথানে ৰাখিতে পাৰা হৈতেনা কিন্তু সেথানেৰ আপনাৰ আজ্ঞানুসাৰে, পাত্ৰ আসিয়া যে কিছু মায়ামৰীয়া এবং ভগনীয়া উলিয়াই দি আছে তাহাকে পায়াছি; আৰ বাকী যে আছে তাহা সকলকো দিতে কবুল কৰিয়া পাতৰ এবং ৰাজা পোৱালী সেথানে গিয়াছে। সম্প্ৰতি দেইনা তথাচ আত্ৰাও সীমনা ভাঙ্গিয়া আনিতেনা এবং তোম্ৰাও দুষ্ট লোকেৰ বাক্য শুনিবেনা! সম্প্ৰতি সে প্ৰজা যেৰূপ তাকিদ পাৰা যাই তাহা কৰিবেন। যদিচ্যাত দুষ্ট লোকেৰ মন্ত্ৰণাত থাকিয়া ছাড়িয়া দেইনা পশ্চাত যে হবে ৺৺ এ জানেন, আমি জনা যাইনা। কিঞ্চিৎ পত্ৰ চিহ্ন পঠাইতেছি, পহুছিবেক। বাকী সমাচাৰ ওথানেৰ শ্ৰীজয়দেউ কটকী ও টেকেলাবড়া শ্ৰীজয়দাস সেথানেৰ শ্ৰীৰামচন্দ্ৰ কটকী ওগাইবহ ইহা সকলেৰ মুখ জেৰা-নিতে সকল সমাচাৰ জ্ঞাত হৈয়া আপনাৰ নিজ মঙ্গলাদি লেখিয়া পাৰিতোষ কৰিবেন। ইতি শক ১৭২৫, তেৰিখ ২৮ মাঘ।"

"সন্দেশ, তামুত সোণৰ ফুল দিয়া হাঁচটি ১, আঁচুৰ আচলে পাৰিয়ে গুণাকটা গাৰি ফুলাম পাৰি দিয়া কাপৰ ১জোৰ, বদলা দিয়া চেলেঙ ১, গাৰে কমৰ বন্ধা ১, চাধা বানত ১, চাটনৰ চোলা ১ পাটৰ ধুতি ১, সোণৰ মলমা কৰা কটাৰী ৪খন, পিতলুৱা ৬, উকা ৬, এই।"

"কটকীক দিয়া বটা। কটকী ৰামচন্দ্ৰৰ, কুহুম বুলীয়া পাগ, আগুলচৰ জেমা, জুৰীয়া কাপৰ, পটুকা, কৰমফুলা, তিনিঠাইত সোনৰতা থাক। খৰচৰ ৰূপ ৩০ টকা, সোণ ১টকা। তাৰ লগৰ পালি কটকী ২ টাৰ কপাহি, পাগ, থনীয়া কাপৰ, কমৰবন্ধা, অস্তি, গাৰো এটাৰো এবং খৰচৰ ৰূপ এই তিনত ৩৬ টকা। আমাৰ কটকী জয়দেউৰ বটা, কুহুমবুলীয়া পাগ, চেকেৰী চৰাৰ জেমা, কুহুম বুলিয়া জুৰীয়া কাপৰ, কপাহি পটুকা, উকা থাক, কৰম ফুলা, খৰচৰ ৰূপ ২৪ টকা, সোণ এটকা। সক কটকী ২টাৰ, ভুণি, চেলেঙ, পাগুৰী, অস্তি, খৰচৰ ৰূপ ২৪ টকা। টেকেলা-বড়াৰ জৰথীয়া পাগ, থনীয়া

কাপৰ, কপাহিৰ লেমা, কেক, খৰচৰ কপ ২০ টকা। ৰৰটেকেলাৰ ভুগি, চেলেঙ, পাগুৰী, অস্তি। খৰচ-কপ সকল টেকেলাক ২৪ টকা। চকীয়া বড়াক কপ ৮ টকা।"

মায়ামৰীয়াইতে আমাৰ ৰজাৰ শিৰবীণৰ জুই লগাই পুৰিলে; ৰজাই সেই বাবে সিইতক দণ্ড বিধান কৰিলে। মায়ামৰীয়াইতে প্ৰাণৰ ভয়ত আমাৰ ৰজাৰ গোলাগঞ্জ লুৰিপুৰি অনেক ধনবিত লৈ জয়ন্তা আৰু কছাৰী দেশলৈ তাপি গল। দেশত বিপ্লৱ হোৱাত অন্নৰ বিকলত আমাৰ দেশৰ অনেক প্ৰজাও ভাগি গৈ সেইবোৰ দেশত সোমালগৈ। সেই খণ্ডতে আমাৰ ৰজাই দীতীয়লীয়া গোভা, নেলী, খলা, চহৰী এই চাৰি ঠাইৰ ৰজা-পোৱালী কেইটাক ৰহাত বন্দী কৰি থৈছিল; পাচে জয়ন্তাৰ কটকী ৰামচন্দ্ৰৰ খাটনি মতে সেই ৰজা-পোৱালী কেইটাক এৰি দিলে। এই চিঠিৰ শুৰ আৰু তাৰ লগত পঠোৱা ৰঙ্গদেওানিদিলাক বিশেষকৈ ভংকৰিব লগীয়া।

শ্ৰীহেমচন্দ্ৰ গোস্বামী।

## সম্পাদকৰ চৰাৰ বাটচৰা।

কলিকতাৰ বঙ্গলা "সাহিত্য-পৰিষৎ-পত্ৰিকা"ত (দ্বাবিংশ ভাগ-চতুৰ্থ সংখ্যা) আমাৰ শ্ৰীযুত হেমচন্দ্ৰ গোসাঁই দেৱৰ "আসামে শ্ৰীচৈতন্য" নামেৰে এটি প্ৰবন্ধ ওলাইছে। প্ৰবন্ধটো হেনো গুৱাহাটীৰ বঙ্গীয় সাহিত্য পৰিষদৰ শাখাৰ অধিবেশনত পঠিত হৈছিল। প্ৰবন্ধটো লেখাৰ উদ্দেশ্য বোধ কৰোঁ—আসামৰ দামোদৰ দেৱক চৈতন্যদেৱৰ শিষ্য বুলি প্ৰমাণ কৰি, দামোদৰীয়া সম্প্ৰদায়ক শঙ্কৰদেৱৰ কবলৰপৰা মুক্ত কৰিবলৈ চেষ্টা কৰা। লেখকে তত্ত্বৰ জন্মভূমি আসামত বৈষ্ণৱধৰ্ম্মৰ কিয় প্ৰচাৰ হল, তাৰ গুৰি বিচাৰি এটা প্ৰবাদৰপৰা আৰম্ভ কৰিছে। প্ৰবাদটো হেনো,—বিষ্ণুৱে এদিন গৰুড়ত উঠি আকাশেদি উৰি যাওঁতে কামাখ্যা পীঠৰ ওপৰেদি গৈছিল, তাকে দেখি দেৱী কামাখ্যাৰ লগুৱা বটুক ভৈৰৱৰ খং উঠি বটুকে বিষ্ণুক ধৰি আনি বন্দী কৰি থলে। বিষ্ণুৱে সেইদেখি শাপ দি কামাখ্যাক কলে, যে কামৰূপৰ মানুহে দেৱীপূজা এৰি বিষ্ণুপূজাত ধৰিব। দেৱীয়েও বিষ্ণুক উলটি



শাপ দি কলে, তেন্তে কামৰূপৰ বৈষ্ণৱে মাছ মঙহ খাব; ইত্যাদি। আমি সোধোঁ, বঙ্গদেশতো অনেক বৈষ্ণৱে মাছ মঙহ খায়, আৰু চৈতন্যই "ইলিচৰ ঝোল, কামিনীৰ কোল, বোল হৰি হৰি বোল" প্ৰচাৰ কৰিছিল; এইটো নো কাৰ শাপত? ভণ্ডুৰাৰ গল্পৰ নিচিনা এই প্ৰবাদটো লেখি প্ৰত্নতত্ত্বজ্ঞ গোসাঁয়ে কি প্ৰত্নতত্ত্ব উলিয়াবলৈ গৈছে, কি তথ্য বাহিৰ কৰিবলৈ গৈছে আমি "অপ্ৰত্নতত্ত্বজ্ঞই" একো নুবুজিলোঁ। বুজাৰ ভিতৰত এইকণকে যে যে এনে কথাই বিষ্ণুৰ ভকত বৈষ্ণৱসকলৰ মনত নথৈ কষ্ট দিব; কাৰণ দেৱীৰ চাকৰ বাউনা বটুকে তাৰ চুটি হাত মেলি আকাশৰ চন্দ্ৰ বিষ্ণুক ধৰি আনি ফাটেকত দিয়াটো কথা অসম্ভৱ হলেও যে কোৱাটো বিষ্ণুৰ পক্ষে কিমান অপমানজনক গোসাঁইদেৱে সেইটো দকৈ ভং কৰাই নাই। এনে, ভণ্ডুৰাৰ গল্প অন্ধবিশ্বাসী সঙ্কীৰ্ণ মনৰ শাক্ত শৈৱ বৈষ্ণৱৰ ভিতৰত পৰস্পৰৰ বিপক্ষে অনেক চলিত আছে,—এদলে সিদলৰ উপাস্য দেৱতাক সৰু কৰিবলৈ গল্প কত সজা আছে, প্ৰত্নৰ তত্ত্ব বা তথ্য উলিয়াবলৈ গৈ সেইবোৰ উন্নবাৰ সাৰ্থকতাৰ ভিতৰত—সুমুৰা বিদ্বেষ-অগণিত থাকো যু দিবলৈ যোৱা মাথোন। এইটো ভাল কথা নে? ই প্ৰত্নতত্ত্বৰ কিবা সহায় কৰিব নে? আৰু বটুকে ধৰি আনি কাক বন্দী কৰিলে? বিষ্ণুক! বিষ্ণু আৰু দেৱীৰ ভিতৰত দন্দ্ব বা হিংসাহিংসিৰ ভাব! আমাৰ নিচিনা ক্ষুদ্ৰমনৰ বটুকৈহে এনে কথা মনলৈ আনিব পাৰে।

দেখিছোঁ আমাৰ গোসাঁইদেৱৰো "প্ৰামাণিক গ্ৰন্থ" শ্ৰীযুত লক্ষ্মীৰাম চৌধুৰীয়ে উলিওৱা "সৎসম্প্ৰদায় কথা।" এই কিতাপখনৰ বিষয়ে আমি আগেয়ে দুবাৰ-এবাৰ অলপ-অচৰপ উন্মুকিয়াইছোঁ যদিও, ভালকৈ কোৱা নাই; তাৰ কাৰণ দুটা;—প্ৰথমটো কিতাপখন যদিও পৰম বৈষ্ণৱ ভট্টদেৱে ৰচা বুলি কোৱা হৈছে, তথাপি তাৰ ভিতৰত এনে অবৈষ্ণৱজনোচিত গালি আৰু অশ্লীল কথা আছে, যে ভট্টদেৱে সেইখন ৰচা বুলি কেতিয়াও বিশ্বাস কৰিব নোৱাৰি; কৰিলে ভট্টদেৱক বৈষ্ণৱৰ শৰীৰপৰা বাহিৰ কৰি দিব লাগিব; যিটো অসম্ভৱ; কিয়নো, ভট্টদেৱ মহাবৈষ্ণৱ পৰম পণ্ডিত বুলি খ্যাত। কাৰণ, বৈষ্ণৱৰ প্ৰতি তেনে গালি "পৰম বৈষ্ণৱৰ" মুখত যে নোলায়েই, সাধাৰণ বৈষ্ণৱৰ মুখতো নোলায়। পৰম বৈষ্ণৱ ভট্টদেৱৰ মুখৰপৰা

মাধৱদেৱ আৰু মহাপুৰুষীয়া সম্প্ৰদায়ৰ প্ৰতি এনে নিলাজ গালি ভলোৱা বুলি ভাবি, তেওঁৰ পৱিত্ৰ memoryস্মৃতিক অপমান কৰাতকৈ, পুথিখনক "জাল" অৰ্থাৎ অন্য কাৰবাৰ দ্বাৰাই ভট্টদেৱৰ নামে ৰচিত বোলাই শ্ৰেয়ঃ। দ্বিতীয় কৰণ, তাত চৈতন্যদেৱ, শঙ্কৰাচাৰ্য্য, আৰু বৌদ্ধৰ বিষয়ে এনেবোৰ অদ্ভুত ভুল কথা আছে, যে চৈতন্য সম্প্ৰদায়, শঙ্কৰাচাৰ্য্যৰ সম্প্ৰদায় আৰু প্ৰচলিত সৰ্ব্বজনস্বীকৃত প্ৰামাণ্য বিৱৰণৰ সেইবোৰ বিৰোধী ; আৰু ভট্ট-দেৱ যদি আমি সকলোৱে জনা প্ৰগাঢ় পণ্ডিত ভট্টদেৱেই হয়, তেন্তে তেওঁ তেনেবোৰ ভুল কৰা অসম্ভৱ। চৈতন্যৰ বিষয়ে যিবোৰ বৃত্তান্ত "চৈতন্য ভাগৱত" আৰু "চৈতন্য চৰিতামৃত" আদি গ্ৰন্থত আছে, সেইবোৰ দলিয়াই পেলাই, আসামৰ এই ক্ষুদ্ৰগ্ৰন্থখন লেখোঁতাৰ কথা (তেওঁ ভট্টদেৱ হয় বুলি ধৰি ললেও) পতিয়াব লাগিব নেকি? দিনে দিনে চৈতন্যদেৱৰ লগে লগে পিছে পিছে ফুৰা ভক্ত জীৱনচৰিত লেখকসকলৰ কথা নপতিয়াই, চৈতন্যক চকুৰে নেদেখা, ভাল জোৰা দি চৈতন্যৰ বিষয়ে শুনোতা অসমীয়া চটক পুথি এখন লেখোঁতা এজনৰ কথা পতিয়াবলৈ গলে আমাৰ প্ৰত্নতত্বৰ জ্ঞান বিমান দূৰ প্ৰকাশ পায় কব নোৱাৰোঁ, হাঁহিয়াতৰ পাত্ৰ যে হম তাত সন্দেহ নাই। গোসাঁইদেৱে এনেখন valuable বহুমূলীয়া "সৎসম্প্ৰদায়" পুথিৰ প্ৰমাণকে, বুকটি তাৰপৰা তিনটা প্ৰত্নতত্ব বাহিৰ কৰিছে!—

"প্ৰথম, "চৈতন্য দেব যখন কামৰূপে আগমন কৰেন, তখন নৰনাৰায়ণ সবেমাত্ৰ ৰাজপাটে বসিয়াছেন"। দ্বিতীয়, "তিনি হাজোৰ মাধব দেবালয়ে কিয়ৎকাল বাস কৰিয়াছিলেন এবং সেখানে তাঁহাৰ সহিত দেৱ দামোদৰেৰ সংক্ষাৎকাৰ হইয়াছিল"। তৃতীয়, "তিনি পৰশুৰাম কুণ্ড পৰ্য্যন্ত গিয়াছিলেন"। এই তিনটাৰ ঐতিহাসিক ভিত্তিও" তেওঁ উলিয়াইছে। তেওঁ উলিৱা ভেটিতে আমিও থিয় হৈ কথা কেইটা এবাৰ ভাবি চাওঁ চোন;—

মিষ্টৰ গেইটে নৰনাৰায়ণৰ ৰাজত্ব কাল ১৫৩৪—১৫৮৪ খৃষ্টাব্দ থিৰ কৰিছে। গুণাভিৰাম বৰুৱাৰ বুৰঞ্জীত নৰনাৰায়ণে পাটত উঠাৰ খৃষ্টাব্দ ১৫২৮। প্ৰসিদ্ধনাৰায়ণৰ বংশাৱলীয়েও ১৫৫৫ খৃষ্টাব্দত নৰনাৰায়ণ ৰজা হৈছে বুলি লিখিছে। হাজোৰ হয়গ্ৰীৱ মন্দিৰ যাৰ্ক নৰনাৰায়ণৰ দিনত কৰোৱা হৈছিল, তাত ১৫৮৩ খৃষ্টাব্দ বুলি কটা আছে। এতেকে নৰনাৰায়ণৰ ৰাজত্বৰ



অন্ত গেইটে কোৱা ১৫৮৪ খৃষ্টাব্দ বুলি ধৰিব পাৰি ; গোসাঁই দেৱেও তাকে ধৰিছে। কিন্তু নৰনাৰায়ণে পাটত উঠা শকটো গোসাঁয়ে গেইটে দিয়াটো নধৰি গুণাভিৰাম বৰুৱাই দিয়া ১৫৮২ ধৰিছে ; কাৰণ এইটো খৃষ্টাব্দ ধৰিলে হেনো তেওঁৰ প্ৰামাণিক গ্ৰন্থ "সৎসম্প্ৰদায়ে" কোৱা চৈতন্যদেৱ আসামলৈ অহাৰ কালেৰে "গৰমিল হয় না"।

চৈতন্যদেৱে ১৪০৭শক অৰ্থাৎ ১৪৮৫ খৃষ্টাব্দত জন্ম গ্ৰহণ কৰিছিল। ২৪ বছৰ তেওঁ গৃহস্থাশ্ৰমত থাকি ২৫বছৰ বয়সত অৰ্থাৎ ১৫০৯খৃষ্টাব্দত সন্ন্যাস লয়। ১৪৫৫শকত অৰ্থাৎ ১৫৩৩খৃষ্টাব্দত চৈতন্য দেৱৰ ৪৮বছৰ বয়সত তিৰোভাব হয়। এতেকে নৰনাৰায়ণৰ ৰাজত্বৰ আৰম্ভনতে চৈতন্য দেৱ আসামলৈ অহাটো হৈ সৎসম্প্ৰদায়ৰ কথা সত্য কৰিবলৈ হলে, গেইটে দিয়া নৰনাৰায়ণ পাটত উঠা খৃষ্টাব্দ, আৰু ৰামচৰণ ঘোষে দিয়া ১৫৫৫শকে খাউনি নাপায়হে ; সেইদেখি গোসাঁয়ে গুণাভিৰাম বৰুৱাৰ ১৫২৮খৃষ্টাব্দকে নৰনাৰায়ণৰ ৰাজত্বৰ আৰম্ভ বুলি ধৰিছে। আমিও নহয় গোঁসাইৰ পদাঙ্কৰে অনুসৰণ কৰোঁ, কৰি কত ওলাওঁ হৈ চাওঁ। ১৫২৮-অৰপৰা চৈতন্য দেৱৰ মৃত্যুলৈকে অৰ্থাৎ ১৫৩৩ খৃষ্টাব্দলৈকে আমি ৫ বছৰ হাতত পাওঁ। চৈতন্যৰ জীৱন কালৰ শেষৰ এই পাঁচ বছৰৰ ভিতৰতে চৈতন্য আমাৰ গোসাঁইৰ মতে আসামলৈ আহিছিল, আমিও সম্প্ৰতি তাকে মানি লওঁ ; কিন্তু এই ডোখৰ কালৰ বিষয়ে আনে কি কয় চাওঁ। "চৈতন্য চৰিতামৃত" আদি বঙ্গদেশৰ প্ৰামাণিক গ্ৰন্থই, এই ডোখৰত চৈতন্য কত আছিল, চৈতন্যই কি কৰিছিল, কি কয় চোৱা যাওক।—

"শ্ৰীকৃষ্ণ চৈতন্য নবদ্বীপে অবতৰি।
অষ্ট চল্লিশ বৎসৰ প্ৰকট বিহৰি॥
চৌদ্দশত সাত শকে জন্মেৰ প্ৰমাণ।
চৌদ্দশত পঞ্চান্নে হৈল অন্তৰ্দ্ধান॥
চব্বিশ বৎসৰ প্ৰভু কৈল গৃহবাস।
নিৰন্তৰ কৈল প্ৰেম ভক্তিৰ প্ৰকাশ॥
চব্বিশ বৎসৰ শেষে কৰিয়া সন্ন্যাস।
চব্বিশ বৎসৰ কৈল নীলাচলে বাস॥
তাৰ মধ্যে ছয় বৎসৰ গমনাগমন।

কভু দক্ষিণ কভু গৌৰ কভু বৃন্দাবন ॥
অষ্টাদশ বৎসৰ ৰহিল নীলাচলে।
কৃষ্ণপ্রেম-নামামৃতে ভাসাইল সকলে ॥" (শ্ৰীমৎ কৃষ্ণদাস কবিৰাজ গোস্বামী বিৰচিত শ্ৰীশ্ৰীচৈতন্যচৰিতামৃত। দ্বাদশ পৰিচ্ছেদ।)

আকৌ—

"চব্বিশ বৎসৰ ঐছে নবদ্বীপ গ্ৰামে।
লওয়াইল সৰ্ব্বলোকে কৃষ্ণপ্ৰেম নামে ॥
চব্বিশ বৎসৰ ছিলা কৰিয়া সন্ন্যাস।
ভক্তগণ লৈঞা কৈল নীলাচলে বাস ॥
তাৰ মধ্যে নীলাচলে ছয় বৎসৰ।
নৃত্য গীত প্ৰেম-ভক্তি দান নিৰন্তৰ ॥
সেতুবন্ধ আৰ গৌড় ব্যাপি বৃন্দাবন।
প্ৰেম নাম প্ৰচাৰিয়া কৰিলা ভ্ৰমণ ॥
এই মধ্যলীলা-নাম লীলাৰ মুখ্য ধাম।
শেষ অষ্টাদশ বৰ্ষ অন্ত্যলীলা-নাম ॥
তাৰমধ্যে ছয় বৰ্ষ ভক্তগণ সঙ্গে।
প্ৰেমভক্তি লওয়াইলা নৃত্যগীত ৰঙ্গে ॥
দ্বাদশ বৎসৰ শেষ ৰহিলা নীলাচলে।
প্ৰেমাবস্থা শিখাইলা আস্বাদনচ্ছলে ॥
ৰাত্ৰি-দিবসে কৃষ্ণ-বিৰহ-স্ফুৰণ।
উন্মাদেৰ চেষ্টা কৰে প্ৰলাপ বচন ॥
শ্ৰীৰাধাৰ প্ৰলাপ যৈছে উদ্ধৱ দৰ্শনে।
সেইমত উন্মাদ প্ৰলাপ কৰে ৰাত্ৰিদিনে ॥" (চৈতন্যচৰিতামৃত, ত্ৰয়োদশ পৰিচ্ছেদ)

আকৌ—

"শ্ৰীৰাধিকাৰ উন্মাদ যৈছে উদ্ধৱদৰ্শনে।
উদ্‌ঘূৰ্ণা প্ৰলাপ তৈছে প্ৰভুৰ ৰাত্ৰি দিনে ॥



দ্বাদশ বৎসৰ শেষ ঐছে গোঙাইল।
এইমত শেষ লীলাৰ বিধান ঘটিল ॥

* * *

প্ৰেমেতে বিহ্বল বাহ্য নাহিক স্মৰণ।
ৰাঢ়দেশে তিন দিন কৰিলা ভ্ৰমণ ॥
নিত্যানন্দ প্ৰভু মহাপ্ৰভু ভুলাইয়া।
গঙ্গাতীৰে লঞা গেল যমুনা বলিয়া ॥

* * *

বিৰহে বিহ্বল প্ৰভু না জানে ৰাত্ৰি দিন।"

* * *

বৃন্দাবন হইতে যদি নীলাচলে আইলা।
আঠাৰ বৰ্ষ তাহা বাস কাঁহা নাহি গেলা ॥" (চৈতন্যচৰিতামৃত, মধ্যলীলা, প্ৰথম পৰিচ্ছেদ)

আকৌ—

"শেষ যে ৰহিল প্ৰভুৰ দ্বাদশ বৎসৰ।
কৃষ্ণেৰ বিৰহ স্ফূৰ্ত্তি হয় নিৰন্তৰ ॥
শ্ৰীৰাধিকাৰ চেষ্টা যৈছে উদ্ধৱ দৰ্শনে।
এইমত দশা প্ৰভুৰ হয় ৰাত্ৰিদিনে ॥
নিৰন্তৰ হয় প্ৰভুৰ বিৰহ উন্মাদ।
ভ্ৰমময় চেষ্টা প্ৰভুৰ প্ৰলাপময় বাদ ॥
ৰোমকূপে ৰক্তোদ্গম দন্ত সব হালে।
ক্ষণে অঙ্গ ক্ষীণ হয় ক্ষণে অঙ্গ ফুলে ॥
গম্ভীৰ-ভিতৰে ৰাত্ৰে নাহি নিদ্ৰা লৱ।
ভিত্তে মুখ শিৰ ঘষে ক্ষত হয় সব ॥
তিন দ্বাৰে কবাট প্ৰভু যায়েন বাহিৰে।
কভু সিংহদ্বাৰে পড়ে কভু সিন্ধুনীৰে ॥
চটক-পৰ্ব্বত দেখি গোবৰ্দ্ধন ভ্ৰমে।
ধাইয়া চলে আৰ্ত্তনাদে কৰিয়া ক্ৰন্দনে ॥

কভু দক্ষিণ কভু গৌৰ কভু বৃন্দাবন॥
অষ্টাদশ বৎসৰ ৰহিল নীলাচলে।
কৃষ্ণপ্ৰেম-নামামৃতে ভাসাইল সকলে॥" (শ্ৰীমৎ কৃষ্ণদাস কৱিৰাজ গোস্বামী বিৰচিত শ্ৰীশ্ৰীচৈতন্যচৰিতামৃত। দ্বাদশ পৰিচ্ছেদ।)

আকৌ—

"চব্বিশ বৎসৰ ঐছে নবদ্বীপ গ্ৰামে।
লওয়াইল সৰ্ব্বলোকে কৃষ্ণপ্ৰেম নামে॥
চব্বিশ বৎসৰ ছিলা কৰিয়া সন্ন্যাস।
ভক্তগণ লৈঞা কৈল নীলাচলে বাস॥
তাৰ মধ্যে নীলাচলে ছয় বৎসৰ।
নৃত্য গীত প্ৰেম-ভক্তি দান নিৰন্তৰ॥
সেতুবন্ধ আৰ গৌড় ব্যাপি বৃন্দাবন।
প্ৰেম নাম প্ৰচাৰিয়া কৰিলা ভ্ৰমণ॥
এই মধ্যলীলা-নাম লীলাৰ মুখ্য ধাম।
শেষ অষ্টাদশ বৰ্ষ অন্ত্যলীলা-নাম॥
তাৰমধ্যে ছয় বৰ্ষ ভক্তগণ সঙ্গে।
প্ৰেমভক্তি লওয়াইলা নৃত্যগীত ৰঙ্গে॥
দ্বাদশ বৎসৰ শেষ ৰহিলা নীলাচলে।
প্ৰেমাবস্থা শিখাইলা আস্বাদনচ্ছলে॥
ৰাত্ৰি-দিবসে কৃষ্ণ-বিৰহ-স্ফুৰণ।
উন্মাদেৰ চেষ্টা কৰে প্ৰলাপ বচন॥
শ্ৰীৰাধাৰ প্ৰলাপ যৈছে উদ্ধব দৰ্শনে।
সেইমত উন্মাদ প্ৰলাপ কৰে ৰাত্ৰিদিনে॥" (চৈতন্যচৰিতামৃত, ত্ৰয়োদশ পৰিচ্ছেদ)

আকৌ—

"শ্ৰীৰাধিকাৰ উন্মাদ যৈছে উদ্ধবদৰ্শনে।
উদ্‌ঘূৰ্ণা প্ৰলাপ তৈছে প্ৰভুৰ ৰাত্ৰি দিনে॥



দ্বাদশ বৎসৰ শেষ ঐছে গোঙাইল।
এইমত শেষ লীলাৰ বিধান ঘটিল॥

* * *

প্ৰেমেতে বিহ্বল বাহ্য নাহিক স্মৰণ।
ৰাঢ়দেশে তিন দিন কৰিলা ভ্ৰমণ॥
নিত্যানন্দ প্ৰভু মহাপ্ৰভু ভুলাইয়া।
গঙ্গাতীৰে লঞা গেল যমুনা বলিয়া॥

* * *

বিৰহে বিহ্বল প্ৰভু না জানে ৰাত্ৰি দিন।"

* * *

বৃন্দাবন হইতে যদি নীলাচলে আইলা।
আঠাৰ বৰ্ষ তাহা বাস কাঁহা নাহি গেলা॥" (চৈতন্যচৰিতামৃত, মধ্যলীলা, প্ৰথম পৰিচ্ছেদ)

আকৌ—

"শেষ যে ৰহিল প্ৰভুৰ দ্বাদশ বৎসৰ।
কৃষ্ণেৰ বিৰহ স্ফূৰ্ত্তি হয় নিৰন্তৰ॥
শ্ৰীৰাধিকাৰ চেষ্টা যৈছে উদ্ধব দৰ্শনে।
এইমত দশা প্ৰভুৰ হয় ৰাত্ৰিদিনে॥
নিৰন্তৰ হয় প্ৰভুৰ বিৰহ উন্মাদ।
ভ্ৰমময় চেষ্টা প্ৰভুৰ প্ৰলাপময় বাদ॥
ৰোমকূপে ৰক্তোদ্গম দন্ত সব হালে।
ক্ষণে অঙ্গ ক্ষীণ হয় ক্ষণে অঙ্গ ফুলে॥
গম্ভীৰ-ভিতৰে ৰাত্ৰে নাহি নিদ্ৰা লব।
ভিত্তে মুখ শিৰ ঘষে ক্ষত হয় সব॥
তিন দ্বাৰে কবাট প্ৰভু যায়েন বাহিৰে।
কভু সিংহদ্বাৰে পড়ে কভু সিন্ধুনীৰে॥
চটক-পৰ্ব্বত দেখি গোবৰ্দ্ধন ভ্ৰমে।
ধাইয়া চলে আৰ্ত্তনাদে কৰিয়া ক্ৰন্দনে॥

উপবনোদ্যান দেখি বৃন্দাবন জ্ঞান।
তাঁহা যাই নাচে গায় ক্ষণে মূৰ্চ্ছা যান॥

• • •

হস্ত-পদ-সন্ধি যত বিতস্তি-প্ৰমাণে।
সন্ধি ছাড়ি ভিন্ন হয় চৰ্ম্ম বহে স্থানে॥

• • •

এইমত অদ্ভুত ভাব শৰীৰে প্ৰকাশ।
মনেতে শূন্যতা বাক্য হা হা হুতাশ॥ (চৈ,চ, দ্বিতীয় পৰিচ্ছেদ)

ওপৰত দিয়া টোকাবোৰৰপৰা আমি পালোঁ যে চৈতন্য দেৱে তেওঁৰ ৪৮ বছৰ দীঘল জীৱনৰ ২৪ বছৰ গৃহস্থী হৈ নবদ্বীপত আৰু বাকী ২৪ বৎসৰ সন্ন্যাসী হৈ কটালে। পিছৰ ২৪ বছৰৰ ভিতৰৰ ৬ বছৰ নীলাচল, দাক্ষিণাত্য, গৌৰ আৰু বৃন্দাবনলৈ গমনাগমন কৰি কটালে, শেহৰ ১৮ বছৰ নীলাচলত আছিল। সেই ওঠৰ বছৰৰ ৬ বছৰ ভক্তসকলেৰে সৈতে প্ৰেমভক্তি বিলাই নৃত্যগীত কৰি আছিল; আৰু বাকী ১২ বছৰ একেবাৰেই Passive গোপী-ভাবাপন্ন হৈ কৃষ্ণপ্ৰেম আস্বাদনত নিমগন আছিল। এই ডোখৰ কালত তেওঁ একেবাৰেই উন্মাদৰ নিচিনা, ৰাতিয়ে দিনে প্ৰলাপ বকিছে, বাহ্য জ্ঞানশূন্য; চটক পৰ্ব্বতক গোবৰ্দ্ধন বুলি ভাবিছে, গঙ্গাক আৰু নীল সমুদ্ৰক যমুনা বুলি ভাবি সেই সমুদ্ৰত জঁপিয়াই পৰিছে, উপবনক বৃন্দাবন বুলি ভুল হৈছে, চিঞৰি কান্দিছে, মূৰ্চ্ছা গৈছে, মুখ মাটিত ঘঁহি তাত ঘা লগাইছে, চাচ চাচ-কৰে পৰি তেওঁৰ তেজ ওলাইছে, শৰীৰ খীণাই গৈছে; তেওঁক ঘৰৰ ভিতৰত দুৱাৰ মাৰি থব লগা হৈছে, আৰু ভক্তসকলে তেওঁক ৰখি ফুৰিছে, ইত্যাদি। মুঠতে এই বাৰ বছৰ, আৰু বিশেষকৈ একেবাৰেই শেহৰ ৬ বছৰ তেওঁ উন্মাদ পাগল। "চৈতন্যচৰিতামৃতৰ" গ্ৰন্থকাৰ শ্ৰীমৎ কৃষ্ণদাস কবিৰাজ গোস্বামীক বঙ্গীয় বৈষ্ণৱ সমাজত ব্যাসৰ অৱতাৰ বুলি মানে; তেওঁ স্পষ্টকৈ কৈছে যে শেহৰ এই ওঠৰ বছৰ চৈতন্য নীলাচলৰপৰা আৰু কলৈকো যোৱা নাই—"বৃন্দাবন হৈতে যদি নীলাচলে আইলা। আঠাৰ বৰ্ষ তাহা বাস কাঁহা নাহি গৈলা॥" এতেকে যদি আমি এইজন ব্যাসৰ কথা দলিয়াই পেলাই অসমীয়া "সংসম্প্ৰদায়" পুথিৰ "ব্যাস সমসৰ" আমাৰ ব্যাস ভট্টদেৱৰ কথাকে পতিয়াওঁ



আৰু শ্ৰীযুত গোসাঁইদেৱে কোৱা মতে চৈতন্যক তেওঁৰ জীৱনৰ শেহৰ ৫ বছৰৰ ভিতৰত আসামলৈ লৈ গৈ হাজোত থৈ তেওঁৰ হতুৱাই ৰত্নেশ্বৰ বিপ্ৰ আৰু দামোদৰদেৱ আদিক শৰণ আৰু তত্বজ্ঞান দিয়াওঁ আৰু তেওঁৰ হাতত বীণ দি নাৰদৰ ভাও দিয়াওঁ, (যদিও বীণ লৈ চৈতন্যদেৱে কোনো কালে বজোৱা আৰু ৰাধাৰ ভাবৰ বাহিৰে এদিনো নাৰদৰ ভাবাপন্ন হোৱা বঙ্গদেশৰ কোনো বৈষ্ণৱ গ্ৰন্থত লেখা পাবলৈ নাই), আমাৰ আৰু এটা বিপদ আগত;—চৈতন্যদেৱ এই ডোখৰত একেবাৰে একপ্ৰকাৰ উন্মাদ, আৰু তেওঁৰ ভকতসকলে তেওঁৰ পিছে পিছে care লৈ ৰখি ফুৰিছিল; এনে উন্মাদ অৱস্থাত তেওঁ দুৰ্গম পৰশুৰাম কুণ্ডলৈ গৈছিল বুলি, আমাৰ অসমীয়া ব্যাস ভট্টদেৱে কলেও আমি বিশ্বাস কৰোঁ কেনেকৈ? ব্যাসকুচিৰ ভট্টদেৱ অধিকাৰে স্বহস্তে দিলেও ইমানটো ডাঙৰ আৰু টান পকামিঠৈ আমি কিন্তু গিলিব নোৱাৰোঁ। চৈতন্যদেৱে দক্ষিণলৈ যোৱা, বৃন্দাবন কাশী প্ৰয়াগ ইত্যাদিলৈ যোৱাৰ বিবৰণ তন্ন-তন্নকৈ তেওঁৰ ভকতসকলে দিছে, অথচ এনে উন্মাদ আৰু অসমৰ্থ অৱস্থাত তেওঁ আসামলৈ অহা আৰু দুৰ্গম পৰশুকুণ্ডলৈ যোৱাৰ কোনো বিবৰণ তেওঁলোকৰ পুথিত নাই। নিশ্চয় চৈতন্যৰ এনে উন্মাদ অৱস্থাত, তেওঁৰ গাত জোক লগাদি লাগি থকা ভকতসকলে তেওঁক অকলৈ পৰশুৰাম কুণ্ডলৈ আহিবলৈ এৰি দিয়া নাছিল, তেওঁৰ লগতে আহিছিল; অথচ সেই বৃত্তান্ত তেওঁলোকে লেখিবলৈ এৰি থলে আসামৰ ভট্টদেৱলৈ! ভট্টদেৱক তেওঁলোকে বা চৈতন্যদেৱে তেওঁৰ এই আসাম-ভ্ৰমণ গ্ৰন্থৰ "কপি ৰাইট" (copy right) স্বত্ব দি গৈছিল নে যে কেনেবাকৈ তেওঁলোকে সেই কথা তেওঁলোকৰ পুঁথিত লেখিলে copyright infringe স্বত্ব ভঙ্গ হব বুলি ভয় খালে? অথবা সেই সময়ত আসামত ডাক-জাহাজ বা ৰেল আছিল নে, যে চৈতন্য দেৱে সাউৎকৰে পৰশুৰাম আৰু হাজো তীৰ্থ কৰি গলহি, তেওঁৰ ভকত-সকলে তাৰ গমকে ধৰিব নোৱাৰিলে—মাথোন দামোদৰদেৱকে প্ৰমুখ্য কৰি আমাৰ অসমীয়া কেইজনে হে তেওঁক দেখিলে? আমাৰ গোসাঁয়ে শ্ৰীহট্টৰ শ্ৰীযুত অচ্যুতচৰণ চৌধুৰীৰ "জনশ্ৰুতিক" প্ৰমাণ ধৰি লৈছে,—আমি কওঁ, ভয় কি, গোসাঁই দেৱৰ সাহিত্য পৰিষদৰ এই প্ৰবন্ধকো অচ্যুত বাবুকে

আদি কৰি বঙ্গালী প্ৰত্নতাত্ত্বিকসকলে, চৈতন্যদেৱে দামোদৰদেৱক শিষ্য কৰি লৈগৈছিল বুলি এতিয়া আকৌ নুৰি প্ৰমাণ দিব পাৰিব। ছপা কাকতত এনে একোটা প্ৰবন্ধ বা কথাৰ গুটি গজিলে তাক ঘনে ঘনে ঠাই লৰাই কই থাকিব পাৰিলে সি সোনকালে বাঢ়ি উঠে।

এই খিনিতে আৰু এটা কথা কওঁ। ভট্টদেৱে তেওঁৰ "সৎসম্প্ৰদায় কথা" তিনিখন অসমীয়া পুথি অৱলম্বন কৰি লেখিছে বুলি কোৱা হৈছে,—(১) চৈতন্য সংগ্ৰহ, (২) কৃষ্ণ ভাৰতীৰ সংগ্ৰহ, আৰু (৩) নৃসিংহ কৃত্য। এটা সংস্কৃত শ্লোক ৰচি ভট্টদেৱে এই তিনিখন পুথিৰ সহায় প্ৰাপ্তি স্বীকাৰ কৰিছে। আমি সোধোঁ, এইজনা ভট্টদেৱ যদি দামোদৰ দেৱে পাটবাউসীত অধিকাৰ পাতি যোৱা ভট্টদেৱ হয়, তেন্তে চৈতন্যৰ কথা আৰু মাধৱদেৱক দমন কৰা কাহিনী লেখিবলৈ তেওঁ এই তিনিখন পুথি চাব লগীয়াত কিয় পৰিছিল? তেওঁ তো সেইবোৰ দেখা কথা, শুনা কথা, অৰ্থাৎ তেওঁৰ information first-hand? দামোদৰ দেৱে কোচবেহাৰত এবাৰ মাধৱ দেৱক ৰজাৰ হাতৰপৰা সৰুৱালে, দ্বিতীয় বাৰ মাধৱ দেৱৰ দুষ্টালিৰ কোব ইমান বাঢ়িল যে দামোদৰ দেৱে তেওঁক আৰু সৰুৱাব নোৱাৰিলে; শেহত ৰজাই তেওঁক দণ্ড দিয়াবলৈ ধৰি নিবলৈ টেকেলা পঠিয়ালত "বেটা মাধৱে"!!! আত্মহত্যা কৰিলে, এনেবোৰ libelous কথাৰ, "পৰম ভাগৱত ভট্টদেৱে" তেওঁৰ জীৱন কালত তেওঁৰ পাটবাউসীতে বহি খবৰ পাইছিল; তাৰ পিছতো এই তিনিখন পুৰণি পুথি—(এখনৰ অসমীয়া ভাঙনি পদ পৰ্য্যন্ত হোৱা)—চাব লগা, consult কৰিব লগীয়া হল কিয়? ইয়াৰ ভিতৰতে ঘটনাবোৰ ভট্টদেৱলৈ ইমান প্ৰাচীন হৈ পৰিছিল নে যে, খোৱাঁ-চাঙৰপৰা তিনিখন পুথি আনি তেওঁ study কৰি অৰ্থাৎ খুচৰিহে এই প্ৰত্নতত্ব উলিয়াব লগাত পৰিল? আমি সোধোঁ, ইও এটা যথেষ্ট প্ৰমাণ নহয় নে যে "সংসম্প্ৰদায়" পুথিখন ভট্টদেৱৰ অনেক কালৰ পিছত তেওঁৰ নামত আন কোনবাই স্বাৰ্থসিদ্ধি কৰিবৰ নিমিত্তে লেখাৰ? যি জনে এই পুথি ৰচনা কৰিছে, তেওঁ তো ভৈ ক্ষৰ নহয়েই, বৰং ভট্টদেৱৰ পবিত্ৰ স্মৃতিক অপমান কৰোঁতা হে, আৰু বিপক্ষ-দলক ভট্টদেৱৰ নামেৰে গালি পৰা আৰু নিন্দা কৰাই তেওঁৰ উদ্দেশ্য। ভট্টদেৱ পৃথিৱীত থকাহেঁতেন তেওঁ মহাপুৰুষ মাধৱদেৱৰ নিচিনা মহাবৈষ্ণৱ (যাক



তেওঁৰ সম্প্ৰদায়ৰে, ভাগৱতৰ পদ কৰোঁতা গোপালচৰণে আৰু ঘোষাৰত্ন আদি পুথি ৰচনা কৰোঁতাসকলে অতি সম্মানেৰে সৈতে উল্লেখ কৰিছে,) নিন্দকৰ জিভা কাটি পেলাবৰ ব্যৱস্থা দিলেহেঁতেন বুলি আমাৰ দৃঢ় ধাৰণা। এতিয়াও ভট্টদেৱে স্বৰ্গৰপৰা এই নিৰ্লজ্জ নিন্দকৰ মূৰত curse শাওপাত বৰষিব লাগিছে বুলি আমাৰ বিশ্বাস। মাধৱদেৱৰে সৈতে দামোদৰ দেৱৰ আৰু দামোদৰৰ শিষ্য ভট্টদেৱৰ কোনো point বিষয় লৈ মতান্তৰ হলেও এই মহাপুৰুষ বৈষ্ণৱসকলে পৰস্পৰক অতি সম্মানৰ চকুৰে নিশ্চয় দেখিছিল, আৰু তাৰ প্ৰমাণো অনেক আছে। পৰস্পৰ মত নিমিলিলেও, ভাল মানুহে ভাল মানুহক সম্মানেৰে উল্লেখ কৰে, এইটো ভাল মানুহৰ স্বভাৱসিদ্ধ,—নিৰ্ব্বিকাৰী বৈষ্ণৱৰ তো কথাই নাই। তেওঁবিলাকৰ "বটুক ভৈৰৱ" বা ভটুৱাই হে সেই কথা নাজানে, কাৰণ তাৰ জানিবৰ শকতি নাই; আৰু এই কথাৰ প্ৰমাণ আমাৰ গোসাঁইদেৱে প্ৰবন্ধটোৰ শুৰিত দিয়া বিষ্ণু আৰু ভগৱতীৰ উপাখ্যানতে আছে—ভগৱতীয়ে তেওঁৰ লগুৱা বটুকক বিষ্ণুক অপমান কৰাবাবে "ধমক" দিয়াতে। "মুনিব" নাথাকিলে এৰা-ভেটিত শিয়াল আৰু পোটা-পুখুৰীত বাক বজা হোৱাদি বটুকে যিহকে মন যায় তাকে বলকি বজা-পাংস্থা ভাঙিব পাতিব পাৰে, কিন্তু সেই কথাকে প্ৰমাণ বুলি ধৰি তাক প্ৰত্নতত্বত ব্যৱহাৰ কৰিবলৈ গলেহে লেঠাত পৰা যায়।

কৃষ্ণ ভাৰতীৰ "সংগ্ৰহ" আৰু "নৃসিংহকৃত্য" পুথি আমাৰ গোসাঁইদেৱৰ হস্তগত হৈছে হেনো, "চৈতন্যসংগ্ৰহ"খনহে এতিয়াও হেনো তেওঁ পোৱা নাই। আমি কওঁ, সেইখনো অচিৰতে পোৱা হব ভয় নাই। তেতিয়া এই চাৰিখন অসমীয়া পুথিৰে আসামৰ আৰু বঙ্গৰ পুৰাতত্ব উদ্ঘাটিত আৰু হব, আৰু চৈতন্যদেৱৰ বিষয়ে চৈতন্যৰ বঙ্গালী শিষ্যসকলে ৰচা পুথিবোৰ সংশোধন কৰিব পৰা যাব; আৰু দামোদৰীয়া সম্প্ৰদায়ে চৈতন্যৰপৰা ধৰ্ম্ম পোৱা সাধুকথাটো established হৈ গজগজীয়া দি বহি দামোদৰীয়া সত্ৰৰ বামুণ শিষ্যসকলৰ শূদ্ৰিৰ-শৰণীয়া বদনাম গুচি পৰিব!

নৃসিংহকৃত্য পুথিৰ বিষয়ে গোসাঁইদেৱে কৈছে—"এইখানে নৃসিংহ কৃত্য সম্বন্ধে একটী কথা উল্লেখ কৰিতে হইয়াছে। প্ৰকৃতপক্ষে বলিতে গেলে আমৰা নৃসিংহেৰ কৃত মূল পুথিখানি এখনও সংগ্ৰহ কৰিতে পাৰি

নাই। কৃষ্ণ আচাৰ্য্য নামক একজন এই দেশীয় কবি "সন্তবংশাবলী" নাম দিয়া নৃসিংহেৰ কৃত পুথিকে অসমীয়া পদ্য ভাষায় ৰচনা কৰিয়াছেন। … …এইখানে একটী বিশেষভাবে লক্ষ্য কৰিবাৰ কথা যে যদিও এই দুইখানা পুথিতে চৈতন্য দেবেৰ হাজোৰ গোফাঁতে বাসেৰ এবং সেখানে কতিপয় এদেশীয় বিশিষ্ট ব্ৰাহ্মণকে উপদেশ দিবাৰ কথা আছে, তথাপি তাহাৰ সহিত দামোদৰ দেবেৰ সাক্ষাৎ হওয়া সম্বন্ধে কোন কথাৰ উল্লেখ দেখিতে পাওয়া যায় না। তাহা হইলে ভট্টদেব এই কথা কোথা হইতে পাইলেন ? বোধ হয় দামোদৰদেবেৰ নিজ মুখ হইতেই এই কথা সংগ্ৰহ কৰিয়া তাহাৰ পুস্তকে লিপিবদ্ধ কৰিয়া থাকিবেন। কৃষ্ণভাৰতী এবং নৃসিংহ ভট্টদেবেৰ পূৰ্ব্ববৰ্ত্তী লোক ছিলেন এবং তাহাদেৰ ভিতৰ কাহাৰও হয়ত এই কথা বিদিত ছিল না।"

আমি ওপৰত কৈ অহা—যে চৈতন্যদেৱে তেওঁৰ জীৱনৰ শেহৰ ৫ বছৰতে, অতি উন্মাদ অৱস্থাতে, কেতিয়াবা তেওঁক বেঢ়ি পহৰা দি থাকোঁতা ভকত শিষ্যসকলৰ "নজৰৰ"পৰা পুলুকা মাৰি সাৰি সাউৎকৰে আহি নদীয়াৰ ওপৰৰ দুৰ্গম পৰশুৰাম তীৰ্থ কৰি, হাজোৰ গোঁফাত থাকি, আকৌ ততালিকে গৈ নীলাচলপুৰী পালেগৈ ; কোনেও নেদেখিলে, আন কি অসমীয়া নৃসিংহ কৃত্য ৰচোতা আৰু কৃষ্ণ ভাৰতীয়েও নেদেখিলেও, মাত্ৰ দেখিলে দামোদৰদেৱে আৰু বংশপাঠকক আদি জনচেৰেকে তেওঁক গুৰু কৰি ললৈ ! কিন্তু বংশপাঠক আৰু কণ্ঠভূষণে কোনেও এই কথা কাকো কতো নকলে, মাথোন দামোদৰদেৱে তেওঁৰ অন্তৰঙ্গ বন্ধু শিষ্য ভট্টদেৱক কাণে কাণে কৈ গল ! এইবোৰ দৈবিক শক্তিৰ কথা, আমি "অপ্ৰত্নতাত্বিকে" বিশ্বাস নকৰিহে পাপ আৰ্জিছোঁ মাথোন।

ভট্টদেব চৰ্কাৰী সাক্ষী। প্ৰমাণৰ অভাব হলেই তেওঁক "পৰম ভাগৱত" আৰু মহা পণ্ডিত বুলি তেওঁৰ respectability দেখুৱাই সাক্ষী ধৰিব পাৰি। নৃসিংহকৃত্যৰ মূলখন গোসাঁয়ে পোৱাই নাই, তাৰ আন এজনে কৰা পদ হে দেখিছে। ভট্টদেব দামোদৰৰ অন্তৰঙ্গ বন্ধু আৰু শিষ্য, কিন্তু ইয়াৰ ভিতৰতে মাধৱ-মৰ্দ্দন আৰু চৈতন্যৰ আসাম-ভ্ৰমণ ইমান পুৰাতত্ব হৈ পৰিছিল, যে তেওঁ তিনিখন Rare পুথি ঘাটিহে সেই বৃত্তান্ত উলিয়াব



লগা হৈছিল ! আসামৰ প্ৰত্নতত্ব আলোচনাৰ সোতৰ ধাৰা ভট্টদেবৰ দিনৰেপৰা কোৱেৱে চলিছে দেখিছোঁ !

শেহত কওঁ, শ্ৰীযুত হেমচন্দ্ৰ গোসাঁইদেও আমাৰ পৰম বন্ধু; তেওঁক আমি ভাল পাওঁ আৰু শ্ৰদ্ধা কৰোঁ। তেওঁ প্ৰত্নতত্ব বিচাৰিবলৈ গৈ যি উপায় অৱলম্বন কৰিছে ত 5 কৃতকাৰ্য্য কত হব হবলা ; লাভৰ ভিতৰত তেওঁ অসমীয়াৰ শ্ৰদ্ধা হেৰুৱাবৰো risk লৈছে যেন আমাৰ লাগিছে—অৱশ্যে আমাৰ আশঙ্কা ভুলও হব পাৰে। বঙ্গলা কাকতত তেওঁৰ বঙ্গলা প্ৰবন্ধটোৱে বিদেশীৰ Vanity চৰিতাৰ্থ কৰিব পাৰে, কিন্তু অসমীয়া আৰু অসমৰ প্ৰত্নতত্বৰ ওপৰত সি এন্ধাৰ পেলাই তাক বিতত হে যে কৰিব এইটো আমাৰ মনত আশঙ্কা উপজিছে। বঙ্গৰ "সাহিত্য পৰিষৎ পত্ৰিকা"হে নেলাগে, ইংৰাজি "এচিয়াটিক জৰ্নেলতো" এনে প্ৰবন্ধ ইংৰাজী আকাৰ ধৰি ওলাল জানিবা, তথাপি সি অসত্যৰক সত্যৰ কৰিব নিশ্চয় নোৱাৰে। সত্যৰ ওপৰৰপৰা সেই মকৰাজালৰ এগাছুবোৰ জাৰি পেলাবলৈ আমাৰ অলপ পৰিশ্ৰম লাগিব, এই মাথোন।। আজিলৈ ইমানতে।

---

## সম্পাদকৰ চৰাৰ বুলনি।

আমি সম্পাদকৰ চৰাত "কামৰূপ অনুসন্ধান সমিতিয়ে" ধুবুৰীৰ হেড ক্লাৰ্ক বাবু উমেশচন্দ্ৰ দেক আসামৰ ধৰ্ম্মসম্বন্ধে বুৰঞ্জী লেখিবলৈ ভাৰ দিয়াৰ কথা কৈছিলোঁ। কিন্তু চৰাৰপৰা ওলাই বুলনি পাওঁতেই আমি তাৰ নমুনা পালোঁ—"ৰঙ্গপুৰ সাহিত্য-পৰিষৎ পত্ৰিকা" নামেৰে বঙ্গলা ত্ৰৈমাসিক কাকত এখনত। এই উমেশ বাবুৱেই সেই উমেশ বাবু হব পায়। এই বঙ্গলা কাকতত তেওঁ "শঙ্কৰদেব" নামে প্ৰবন্ধ গোটাচেৰেক লেখিছে। প্ৰবন্ধকেইটা দেখিলেই অনুমান হয় যে আসামৰ ধৰ্ম্ম সম্বন্ধে বুৰঞ্জীলৈ যুগুত কৰা প্ৰবন্ধমালাৰ সেইকেইটা নাই। শ্ৰীশঙ্কৰদেবৰ জীৱনীৰ বিষয়ে উমেশ বাবুৱে নানা প্ৰমাণ সংগ্ৰহ কৰি এনে নানা সিদ্ধান্ত কৰিছে যে, তেওঁৰ শঙ্কৰ প্ৰবন্ধ পুৰাণৰ পাঁচ-মুখীয়া শঙ্কৰকে অথবা মহাদেব শঙ্কৰে

পিন্ধা পঞ্চমুখী-ৰুদ্ৰাক্ষকে বুলিব পাৰি। শঙ্কৰদেৱৰ বিষয়ে এতিয়া এওঁ স্থাপন কৰিবলৈ যোৱা কথাবোৰ আগেয়ে আমি ইমানবাৰ ইমান ঠাইত সমালোচনা কৰিছোঁ যে নতুনকৈ সেই কথাকে লৈ আমি তেওঁৰেসৈতে তৰ্কযুদ্ধত লাগিব নোখোজোঁ,—আমনিও লাগিছে। তেওঁ চৈতন্যৰ প্ৰভাৱ আৰু কাৰ্য্য আমাৰ শঙ্কৰদেৱৰ ওপৰত যিমানকে দেখুৱাবলৈ চেষ্টা কৰক সেই চেষ্টাই শঙ্কৰবিৰোধী আমাৰ দেশৰ এদলক সন্তোষ দিব পাৰে, কিন্তু প্ৰমাণ একোকে কৰিব নোৱাৰে। শঙ্কৰদেৱৰ বৰ-গীতৰ ওৰি বা ঐক্য তেওঁ "বাঙ্গালী বৈষ্ণৱদেৰ মধ্যে "শব বাহন কালে" গীত হোৱা "হৰি হৰয়ে নমঃ নমঃ কৃষ্ণ যাদবায় নমঃ"-অত বিচাৰিবও পাৰে আৰু কাছাৰীৰ অফিচৰ "বেকৰ্ডত" গায়ত্ৰীৰ ব্যাখ্যাও বিচাৰিব পাৰে, তাত আমাৰ কবলৈ একো নাই ; পালে তেওঁৰ লাভ, নাপালে পৰিশ্ৰম পণ্ড। উমেশ বাবুৰ "একখানি প্ৰামাণিক গ্ৰন্থ"—"সৎসম্প্ৰদায় কথা"! এই "প্ৰামাণিক গ্ৰন্থৰ" পৰাও তেওঁ এবকলা প্ৰমাণ তুলি তেওঁৰ এটা সিদ্ধান্ত প্ৰমাণ কৰিছে। মুঠতে আমি এতিয়া বুজিছোঁ, কিয় এওঁ আসামৰ ধৰ্ম্মৰ বিষয়ে আৰু বিশেষকৈ বৈষ্ণৱ ধৰ্ম্মৰ বিষয়ে ইতিহাস লেখিবলৈ মনোনীত হৈছে। আমি বুজিবৰ মন নাথাকিলেও বেছিকৈ যে বুজোঁ,—এইটোৱেই আমাৰ বেমাৰ। সেইদেখিহে সম্পাদকৰ চৰাৰ এঠাইত কৈছিলোঁ "মা গো! "আমি এত বুঝি কেন ?"

•••

আমি "শঙ্কৰদেৱ" প্ৰবন্ধ লেখকক সোধোঁ,—তেওঁৰ "প্ৰামাণিক গ্ৰন্থ" "সৎসম্প্ৰদায়ত" আৰু অনেক "প্ৰামাণিক" কথা আছে, সেইবোৰও তেওঁ প্ৰামাণিক বুলি মানি লবলৈ সাজু আছে নে ? যেনে—শঙ্কৰাচাৰ্য্যৰ বৌদ্ধ খণ্ডন বৃত্তান্ত যত "শঙ্কৰাচাৰ্য্যে খড়্গ ধৰি বৌদ্ধক কাটি নিৰ্ম্মূল কৰিলা"; ধোবাৰ লৰা পদ্মা ব্ৰাহ্মণসকলৰ গুৰু হল ; মঠৰ ওপৰৰপৰা পদ্মাই "ঝাম্প" দি প্ৰথম বাৰ থোৱা হৈ, দ্বিতীয় বাৰ "ঝাম্প" দি থোৱা ভৰি ভাল কৰি বেদৰ সত্যতা প্ৰমাণ কৰিলে, ইত্যাদি, ইত্যাদি ? উমেশ বাবুৰে এই "প্ৰামাণিক গ্ৰন্থৰ"পৰা চৈতন্য দেৱৰ জন্ম, শিক্ষা, খোলত তিনটা পদ্ম উঠা, চতুৰ্ভুজ হোৱা, "মহাপ্ৰভু লক্ষ্মীপ্ৰিয়া নামে উত্তম বিপ্ৰৰ কন্যাক বিহা



কৰাই এক ৰাত্ৰি বঞ্চি গৃহাশ্ৰম ধৰ্ম্ম দেখাইলা। পাচে অৰণ্যে যাই বৃক্ষমূলত বসি অন্নজল তেজি বানপ্ৰস্থ দেখাইলা। পাচে চতুৰ্থাশ্ৰম ধৰ্ম্ম দেখাইতে শ্ৰীকটোয়াল ঘাটে কেশৱ ভাৰতীৰ ঠাই সন্ন্যাস লৈলা। সেই বেলা শচী মাৱে পুত্ৰক ফিৰাইবা নপাৰি অনেক বিলাপ কৰিলে। পাচে মহাপ্ৰভু তাস্তে সপ্ৰেমা ভক্তিৰো উপদেশ লভি গৌৰ অঙ্গ মুণ্ডিত মুণ্ড গলে কণ্ঠি হাতে গীতা ভাগৱত কটিত কপিন এই বেশে চৈতন্য ভাৰতী নামে মহা মহন্ত ভৈলা। .. ... পাচে মহাপ্ৰভু প্ৰতাপৰুদ্ৰ ৰাজাক তিনি নাম দিলা। অল্প বুলি অৱজ্ঞা কৰন্তে ৰাজাৰ গল বেকা ভৈলা। পাচে চৈতন্যৰ পাৱে পড়িলা। পাচে প্ৰভু তাৰ বিশ্বাসৰ অৰ্থে মূল তিনি নামকে যোল্ল নাম কৰি দিলা। তেৱে নামৰ বিশ্বাসে ৰাজাৰ গল ঠাক ভৈলা। পাচে মহাপ্ৰভু বৃন্দাবনে জাই অম্বিতলা গ্ৰামে সঙ্কীৰ্ত্তন আৰম্ভিলা। তৈতে ৰাজাসবে তাঙ্ক মঠ দেৱালয় বান্ধি দিলা। সেই বেলা অদ্বৈতাচাৰ্য্য, শিৱৰাম, চৈতন্যদাস, এইসবে চৈতন্যৰ ব্ৰহ্মচৰ্য্য, গৃহাশ্ৰম, বানপ্ৰস্থ সন্ন্যাস, শচীবিলাপ বৰ্ণাই গৌৰচন্দ্ৰ নামে গীত ৰচিলা; আৰু জগাই মাধায়ে অষ্টাদশ অঙ্ক ৰচিলা। পাচে তান মহিমা শুনি একাজৰ পাৎচাএ ডিল্লিপাটে নিয়াই অনেক পৰীক্ষা কৰিলা। তাতে তান চতুৰ্ভুজ ৰূপ দেখি ঈশ্বৰ মানি হৰিভক্ত হৈলা। পাচে পাৎচা একশত গীতে চৈতন্যক বৰ্ণাই স্তুতি কৰিলা"—এইবোৰ প্ৰমাণ সংগ্ৰহ কৰিবলৈ প্ৰস্তুত নে ? তেওঁ চৈতন্যদেৱৰ বিষয়ে এই "প্ৰামাণিক গ্ৰন্থৰ" ওপৰত লিখা প্ৰমাণবোৰ গ্ৰহণ কৰি, "চৈতন্য চৰিতামৃত" "চৈতন্য ভাগৱত" আদি যিবোৰ গ্ৰন্থ তেওঁৰ বঙ্গদেশত আছে, সেইবোৰ শুধৰাই দিলে আমি সন্তোষ পাম। একেখন গ্ৰন্থৰে যি ছোৱা তেওঁৰ মনেৰে মিলে, সেই ছোৱা প্ৰমাণ বুলি ব্যৱহাৰ কৰি, আনবোৰ প্ৰামাণিক নহয় বুলি তেওঁ এৰি নিদিয়ে বুলি আমি আশা কৰিছোঁ।

••••

"মহাকবি ৺কবিচন্দ্ৰ ৰচিত ভবিষ্যত কথা বা সন্তচৰিত" "সৎসম্প্ৰদায় কথা" ইত্যাদি "প্ৰামাণিক গ্ৰন্থৰ" ইতিহাস অলপ-অচৰপ আমাৰো জনা আছে। "ভবিষ্যত কথাৰ" গ্ৰন্থকাৰ এবাৰ নাম সৰস্বতী এবাৰ নাম

স্বৰস্বতীৰ ককায়েক কেনেকৈ হল তাৰ ইতিহাসও আমি জানো। আমাৰ হাতত আমাৰ কথাৰ প্ৰমাণৰো অভাৱ নাই। সি পিছলৈ থাকিল।

****

এইখন "ৰঙ্গপুৰ-সাহিত্য-পৰিষৎ পত্ৰিকাতে" "শ্ৰী নগেন্দ্ৰনাথ বসু প্ৰাচ্য-বিদ্যামহাৰ্ণৱ'ৰ "কামৰূপ ইতিহাসেৰ উপকৰণ" প্ৰবন্ধ এটাও ওলাইছে। এতিয়া আমি আমাৰ শ্ৰীযুত হেমচন্দ্ৰ গোসাঁই দেওক নোসোধাকৈয়ে জানিব পাৰিলোঁ যে "কামৰূপ অনুসন্ধান সমিতিয়ে" আসামৰ সামাজিক ইতিহাস ৰচিবলৈ ভাৰ দিয়া এইজনেই। যি হওক আমি তেওঁৰ প্ৰবন্ধ পঢ়ি বুজিলোঁ, যে তেওঁ মন মুকলি কৰি লৈ আসামৰ সম্পৰ্কে তেওঁৰ আগৰ ভ্ৰান্ত মতবোৰ পৰিত্যাগ কৰি, আৰু আগেয়ে তেনে ভ্ৰান্ত মত তেওঁ প্ৰকাশ কৰা বাবে যথেষ্ট অনুতাপ কৰিহে এই কাম হাতত লৈছে। তেওঁৰ প্ৰবন্ধৰ পৰাই আমি তেওঁৰ এই কথা তুলি দেখুৱাওঁ "প্ৰাচ্য-ভাৰতেৰ অন্যতম সুপ্ৰাচীন ৰাজধানী আদ্যাশক্তি মহামায়াৰ মহাপীঠেৰ অন্তৰ্গত প্ৰাচ্য ও প্ৰতীচ্য-সভ্যতাৰ লীলাস্থান এই প্ৰাগ্‌জ্যোতিষপুৰে আসিয়া কতই পূৰ্ব্ব-স্মৃতি—কতই গৌৰব গাথা—কতই দেশেৰ কথা প্ৰাণে জাগিয়া উঠিতেছে। যতই এই পুণ্যপীঠেৰ কথা ভাবি, যতই ইহাৰ পুৰাকাহিনী আলোচনা কৰি, ততই আমি আত্মহাৰা হইয়া পড়ি—ততই এই পুণ্যক্ষেত্ৰেৰ প্ৰত্যেকে তীৰ্থস্থান, ইহাৰ প্ৰতি পল্লী, প্ৰতি বনস্থলী আমাৰ কাণে কাণে যেন কত প্ৰাণেৰ কথা—যেন কত গৌৰবেৰ গাথা শুনাইয়া দেয়। বৰ্ষাধিক পূৰ্ব্বে যাহা অলীক স্বপ্ন বলিয়া মনে কৰিতাম,—সহজে যাহা বিশ্বাস কৰিতে চাহিতাম না—এই অল্প সময়েৰ মধ্যে তাহা বাস্তৱ-ঘটনা—ধ্ৰুৱ সত্য বলিয়া মনে কৰিতেছি। ইতিহাসনিভিজ্ঞ বিদেশীৰ ৰচনা পড়িয়া কিছুকাল পূৰ্ব্বে কতই ভ্ৰান্ত ছিলাম—সেই অলীক ৰচনায় আস্থা স্থাপন কৰিয়া সুসভ্য আসামবাসীৰ নিকট আমি কতই অপ্ৰিয়-ভাজন হইয়াছিলাম! সুখেৰ বিষয়, অল্পদিন মধ্যে সেই ভ্ৰম ধৰা পড়িল। ... ... আমি আসাম ও আসামবাসীকে কিৰূপ ভক্তিৰ চক্ষে দেখিয়া থাকি, বিশ্বকোষে "কামৰূপ" ও "প্ৰাগ্‌জ্যোতিষপুৰ" শব্দে তাহাৰ কিছু কিছু ব্যক্ত হইয়াছে।"

যি হওক আমি নগেন্দ্ৰ বাবুৰ ওপৰৰ কথা পঢ়ি সন্তোষ পাইছোঁ; কিন্তু



তেওঁ প্ৰবন্ধটোৰ ভিতৰত "মহামাণ্ডলিক" কথাৰ মানে যে "শিৰোমণি ভূঞা" কৰিছে সেইটোত তেওঁৰে সৈতে একমত হব পৰা নাই। তেওঁ এঠাইত কৈছে "সম্ভৱতঃ মহামাণ্ডলিক ঈশ্বৰঘোষ ও বৈষ্ণদেবেৰ বংশই আসাম—অঞ্চলে শিৰোমণি ভূঞা নামে প্ৰথম প্ৰথম পৰিচিত হন।" শিৰোমণি ভূঞাৰ ঘৰৰ মহাপুৰুষ শঙ্কৰদেৱক তেওঁ গৌৰৱপৰা অহা বাৰভূঞাৰ ঘৰৰ বুলি কব খোজে। আমি কব নোখোজোঁ, কাৰণ তেওঁৰ বংশাৱলী প্ৰামাণিক চৰিত্ৰত সেই দৰে নকয়; সেই কথা ঠিক হোৱাহেঁতেন সেই দৰে চৰিত্ৰত কবলৈ কোনো আপত্তি তেওঁৰ পূৰ্ব্বপুৰুষসকলৰ কেতিয়াও নাথাকিল-হেঁতেন; কাৰণ গৌৰৱপৰা তেওঁলোকৰ আদিপুৰুষ অহা বুলিলে কোনো অগৌৰৱৰ কথা নহয়। আমি এটা কথা পাহৰিব নেলাগে যে আসামলৈ ভূঞাসকলৰ মাথোন এটা সোঁতাহে যে আহিছিল এনে নহয়। লক্ষীমপুৰ অঞ্চললৈ ভূঞাৰ এটা সোঁতা অনেক আগেৰ কালতে আহিছিল, আৰু সেই সোঁতাৰ অনেক শ্ৰেষ্ঠ ৰজা ভূঞাই সেই অঞ্চলত ৰাজত্ব কৰি নিজৰ বংশৰ শ্ৰেষ্ঠতা আৰু কাৰ্য্যকলাপ প্ৰকাশ কৰিছিল। সেই সোঁতাৰ অনেক ভূঞাঁ কায়েস্থৰে সৈতে পিছত চণ্ডীবৰ ভূঞাৰ সোঁতাৰ সম্পৰ্ক ঘটিছিল। গৌৰৱৰ ভূঞাৰে সৈতে লক্ষীমপুৰীয়া ভূঞাৰ মিল থাকিব পাৰে। ভূম্যাধি-কাৰীকে ভূঞা বোলে। ভাটীফালে আগেয়েও অনেক ভূঞা আছিল, এতিয়াও অনেক আছে। ভাৰতৰ মধ্যপ্ৰদেশত অনেক ভূঞাৰ ঘৰৰ সন্তান ৰজা জমিদাৰ হৈ আছে। আৰু মুখৰ গঢ় আদি দেখিলে তেওঁলোকৰ ক্ষত্ৰিয়ত্বত সন্দেহ জনমিলেও, তেওঁলোকে নিজক ৰাজপুত ক্ষত্ৰিয় বুলি পৰিচয় দিয়ে। কায়স্থ আৰু কলিতা যে ক্ষত্ৰিয়ৰপৰাহে নমা জাত, এই কথাত আমাৰ সন্দেহ নাই। ক্ষত্ৰিয় ৰাজকোৱঁৰে বিদেশলৈ আহি ৰাজ্যস্থাপন কৰি কালক্ৰমত তাতে বিয়াবাৰু আদিৰ সম্পৰ্ক কৰি পতা ক্ষত্ৰিয়ৰপৰা নামি কায়স্থ জাতিত পৰিণত হোৱাটোও অসম্ভৱ নহয়। ৰজাৰ পৰাই ভূমিৰ অধিপতি হৈ ভূঞা হোৱাটোও বুজিব পাৰি।

বঙ্গালী লেখকসকলৰ আজিকালি বাতিক হৈছে, যে ভাৰতবৰ্ষৰ প্ৰায় সকলো পুৰণি বিখ্যাত লোকতে তেওঁলোকে বঙ্গালীৰ গাৰ গোন্ধ পায়। মন গলে নানা কথা পকাই-জকাই কোনো এটা কথা প্ৰমাণ কৰি প্ৰাত্নতাত্বিক হবলৈ বৰ টান নহয়;—কালিদাসকো বঙ্গালী কৰিব পাৰি, আৰু উপন্যাস গল্প কিতাপৰ প্ৰমাণ উলিয়াই বঙ্গালীৰ হতুৱাই সিংহল বিজয়ো কৰাব পাৰি। বঢ়াবঢ়ি কৰিলেহে কথা হাঁহিউঠা হৈ পৰেগৈ। আমাৰ ভয় হয়, যে এনে এদিন আহিব, আমাৰ দেশতো যেতিয়া লেখকৰ লেখ বাঢ়িব, গোটেই ভাৰতৰ গুৰিত অসমীয়া বুলি অসমীয়া লেখকে কিজানি প্ৰমাণ কৰিবলৈ যাব। এই নগেন্দ্ৰ বাবুৱেই পূৰ্ব্ববঙ্গৰ বিক্ৰমপুৰক সিদিনা বৰ্দ্ধমানৰ ফালেলৈ তুলি নিছে!—অবশ্যে

তেওঁ তেওঁৰ কথাৰ "প্ৰমাণ" নিদিয়াকৈ থকা নাই ; আৰু ইফালে পূৰ্ব্ববঙ্গৰ বিক্ৰমপুৰীয়াই তেওঁৰ কাৰ্য্য দেখি চিয়ঁৰিব লাগিছে। সৰহকৈ লেখা-পঢ়া শিকি পণ্ডিত হলে মানুহৰ শকতি বাঢ়ে। নগেন বাবুও বৰ পণ্ডিত, বৰ ঐতিহাসিক, বৰ প্ৰত্নতাত্বিক, সেই দেখিহে তেওঁ আসামৰ ইতিহাস লেখিবলৈ হাতত লোৱা দেখি আমি ভয় খাওঁ। আশা কৰোঁ তেওঁৰ বিদ্যাৰ অৰ্ণবৰ পানীয়ে আসাম নুবুৰোৱাকৈয়ে থব।

---

# বৰবৰুৱাৰ কবিতা-বেদনা।

"এনাক দেখি উঠিল গা। কেতুবিয়ে বোলে মোকো খা॥" পুঠি খলিহা, পোনা, দৰিকণা, সকলোৱে কবিতা লেখে। মই বোলোঁ ময়েই বা নেলেখিম কিয়? কিন্তু কবিতা জনমোৱাত যে কি বেদনা, সি কবিতা-বাজীয়ে কি জানিব? বৰবৰুৱাই হে তাক জানে। একুৰি তিনি দিন মই পাপি পুৰি থাকি এদিন থিৰ কৰিলোঁ যে আজ লেখিম কমিতা! দেখক লোকে! বোলক মোক কবি!—চাবি! চাবি! সকলো সাৱধান হবি! সেই দিনা ফুট-গধুলিবেপৰা মই সকলোৰে সৈতে কথা বন্ধ কৰি কবিতা ভাবিবলৈ ধৰিলোঁ। ভাবোঁতে ভাবোঁতে মই হেন মানুহটো জৰ-ঘামে ঘামিলোঁ। ভাবৰ ঘাগত কবিতা পকিল আৰু টুল টুলীয়া হল। কবিতাই মোৰ মন পেট জুৰি পৰিল। ভাত খাবৰ হল। কবিতাৰ ভাব ঠেলি হেচুকি এচুকীয়া কৰি থৈ ভাত মাহ মওহলৈ ঠাই উলিয়ালোঁ। মুঠতে মই এপেটকৈ গাম্ভছ-ভোজনো কৰিলোঁ আৰু লগে লগে কবিতাকো হেচি কাষৰতে থলোঁ।

খাই-বৈ যেতিয়া উঠিলোঁ, তেতিয়া বাতি দহ বাজিল। মুখত চেলেউ, হাতত কাপ, আৰু আগত তুলাপাত লৈ মোৰ লেখা-পঢ়া কৰা মেজৰ কাষত বহিলোঁ,—অবশ্যে মাচিয়াত। দেখিলোঁ—ভাবি থোৱা কবিতাৰ ফাকিবোৰ ভাতৰ হেঁচাত তল পৰি চেপা খালে, নোলায়। আহকালত পৰিলোঁ। বুজিলোঁ, গুদা পেটত হে কবিতাৰ কেঁও যেলে। কিন্তু মই কবিতা নেলেখিমেই বা কিয়? লেখিম বুলি মনটো ডাঠ কৰিলোঁ।

বাতি ভাত খাই উঠিলেই মোৰ শোৱা অভ্যাস। চকুৰ পতা ছুখন গধুৰ হৈ আহিল। চিঠি ভৰোৱা লেফাপাৰ দৰে চকুৰ পিৰিকতিৰ মুখ ছুখন জোৰা খাব খুজিলে ; কিন্তু ৰণত ভঙ্গ নিদিওঁ থিৰ কৰিলোঁ। কবিতা আজি লেখিমেই লেখিম। আন একো বিষয় নেপালে, টোপনিৰ বিষয়েই লেখিম। টোপনিয়ে জানো মোৰে সৈতে কম টানিভুলিখন কৰে? তাকো নো এৰোঁ কিয়? লেখাপঢ়াৰ নিচিনা কিবা এটা কৰিবলৈ গলেই টোপনি



কাষ চাপি আহে, আৰু গুৱলৈ গৈ পাটীত পৰিলেই আঁতৰি পলায়। আজি কবিতা ধৰিম। পাতিলোঁ চিটিকা। কৰিলোঁ আৰম্ভ ;—

## টোপনি।

কৰ নো পাইছিলোঁ        ইমানবোৰ টোপনি
কুমলীয়া বয়সত?—
সন্ধিয়া হল কি        টোপনি আহিল,
যতে ততে লোটসোত।
হাত বঢ়ালেই        টোপনি আহিল,
নবঢ়ালেও আহি থিয়,
কৰ নো সস্তা        টোপনি সেইবোৰ,
এতিয়া নাপাওঁ কিয়?
বয়সে বাঢ়িলে        জ্ঞানৰ ভঁৰাল,
ধনৰ ভঁৰাল কামে ;
পুৰণি টোপনিৰ        ভঁৰাল মোৰ উদং,
মাথোন সি থিয় হে নামে।

— — — — —

এই আঁকৰ চিনবোৰৰ মানে কি জানা নে? নাজানা যদি কওঁ শুনা,—কবিতাটো লেখি এইখিনি পাওঁতেই মোৰ হাতৰ কাপ হাততে থাকিল, টেঁথৰ টোপনি আহিল। বহি থাকোঁতেই ছুবাৰ কি চাৰিবাৰ নাকে ঘোঁট ঘোঁট কৰিলে; সেই শবদ মই ভালকৈ শুনিবলৈ পালোঁ ; আৰু শুনিবলৈ পালোঁ,—টং টং কৰি ঘৰীটোৱে এঘাৰ কোবেৰে মোৰ নাকৰ ঘোঁট ঘোঁটনিত তাল দিলে। চকু ছুটা মোহাৰি লৈ মই আকৌ কবিতাৰ মাকো চলাবলৈ লাগিলোঁ—

জ্ঞানৰ ভঁৰাল,        ধনৰ ভঁৰাল,
কত পৰিশ্ৰমৰ বিত,
তাৰে টোপনি        মোলাব খুজিও,
টোপনি নাপাওঁ কিঞ্চিৎ।
টোপনি চলিল,        শান্তি আঁতৰিল,
স্বাস্থ্য ললে তাৰ পাছ ;
টোপনি শুকুৱা        ধনৰ বিলত
পৰি আছোঁ যেন মাছ।
হেৰা জ্ঞানী হেৰা        ধনেৰে চহকী!
টোপনি ক'ত পাম কোৱোঁ?
এদীৰ নতগা        টোপনি বেচি মোৰ
ধনৰ ভঁৰালটি লোৱাঁ।

এইখিনি পাইছোঁহি এনেতে আকৌ মোৰ চকুত তন্দ্ৰা আহিল ; কিন্তু চকু মুদ খালে নে নাই কব নোৱাৰোঁ দেই। কিমান বেলি এইদৰে আছিলোঁ। নাজানো ; সম্ভৱতঃ ভালেমান বেলি ; কাৰণ টং টং কৰে এবাৰ ঘৰীয়ে মৰা বাৰটা কোব মোৰ কাণত পৰা যেন লাগিল।

এনেতে এবাৰ ছঁয়ামুয়াকৈ মোৰ আগতে মানুহ এজন দেখিলোঁ। খন্তেকতে মানুহজনৰ আকৃতি সুস্পষ্ট হৈ উঠিল। মই শুধিলোঁ 'তুমি কোন?" মানুহজনে উত্তৰ দিলে -"মই মমেই"। মই দৃঢ় ভাৱে শুধিলোঁ "মই-মই তই-তই" এইখন মোক নালাগে, তুমি কোন কোৱা ? তেওঁ সমিধান দিলে "মই এই ঘৰৰ আগৰ মালিক।" মই আকৌ শুধিলোঁ—"এই ঘৰ এতিয়া মোৰ। তোমাক কি লাগে? এই ৰাতিখন তুমি কিয় আহিছা?" মানুহজনে উত্তৰ দিলে "মই ঘৰৰ দাবি কৰিবলৈ অহা নাই। এই ঘৰ তোমাৰ বুলি মই জানো। মোক একো নালাগে। মই মাথোন তোমাক এবাৰ কথা কৈ যাবলৈ আহিলোঁ।" এই বুলি মানুহজনে সৰ সৰ্ কৰে কৈ যাবলৈ ধৰিলে :—"ভাইটি! তোমাৰ নিচিনাকৈয়ে একালত মই এই ঘৰ মোৰ বুলি ভাবিছিলোঁ। তোমাৰ নিচিনাকৈয়ে ইয়াক মই সজাইছিলোঁ পৰাইছিলোঁ। তোমাৰ নিচিনাকৈয়ে ইয়াত খাইছিলোঁ, শুইছিলোঁ, ৰংধেমালি কৰিছিলোঁ আৰু এইখিনিতে বহি লেখা-পঢ়া কৰিছিলোঁ। ইয়াতে বহি মই মনে মনে কত ৰজা-পাৎজা পাতিছিলোঁ, ভাঙিছিলোঁ, কত নিজৰ মঙ্গল আৰু পৰৰ অমঙ্গল চিন্তা কৰিছিলোঁ, কত সুখৰ সমাজিক দেখিছিলোঁ তাৰ লেখ-জোখ নাই। ইয়াতে বহি মই ইহকাল পৰকালৰ কত সমস্যাৰ মীমাংসা কৰিছিলোঁ, কত সাঁথৰ ভাঙিবলৈ চেষ্টা কৰিছিলোঁ তাক কৈ ওৰ পেলাব নোৱাৰোঁ। এই ঘৰলৈকে সুন্দৰী এজনীক মোৰ সহধৰ্ম্মিণী কৰি বিয়া কৰাই আনিছিলোঁ, আৰু ইয়াতে তেওঁৰ সোণৰ পুতলা যেন দুটি লৰা আৰু এজনী ছোৱালী হৈছিল ; আৰু ইয়াতে ছয়া-পুতলাই নচাদি সিহঁতে কিছুকাল নাচি মোক আনন্দ দিছিল, আৰু ইয়াতে সেই ছয়াবাজী ভাগি সকলো নাইকিয়া হৈছিল! সৌ কোঠালিটোতে মোৰ ঘৈণীৰ কোলাতে মোৰ সৰু লৰাটিয়ে বহি তেওঁৰ মুখলৈ চাই হাঁহি হাঁহি পিয়াহ খাইছিল, আৰু তাতে কিছুদিনৰ পিছত তেওঁৰ কোলাতে সি যন্ত্ৰণাত চট্ফট কৰি মৰি গল! এই কোঠালিতে মই মোৰ উকিলেৰে সৈতে বহি মোৰ সৰু ভাইৰ মাটি-বাৰী কাঢ়ি লৈ মোৰ সম্পত্তি বঢ়াবলৈ পৰামৰ্শ কৰিছিলোঁ। আৰু সৌ মাজৰ কোঠালিটোতে মই ব্ৰাহ্মণৰ হতুৱাই চণ্ডীপাঠ গ্ৰহযজ্ঞ তুলসীদিয়া আদি ধৰ্ম্মকাৰ্য্য কৰাইছিলোঁ। কিমান কম কিমান ক'নবা? মুঠতে কওঁ—এই ঘৰতে মই এহেজাৰ-এডাল মায়া-জৰীৰে এনেকৈ বান্ধ খাই ইয়াকে মোৰ বুলি আছিলোঁ, যে মোৰ



সমাজিকতো মনত নেখেলাইছিল, যে এই ঘৰ মোৰ নহৈ কেতিয়াবা আন কাৰবাৰ হব। হায়!"

"এতিয়া মৃত্যুৱে মোৰ সেইবোৰ বান্ধোন কাটিলে ; সেই মায়াৰ বান্ধোন আৰু মোৰ এডালিকে নাই। তুমিও মোৰে নিচিনাকৈ কি কৰিব লাগিছা, কেনেকৈ তোমাৰ মনকে ভুকুকাব লাগিছা, চাবৰ মন হৈছিল, সেই দেখিহে এবাৰ ভুমুকি মাৰি চাই গলোঁ, ভাইটি! খং নকৰিবা!"

পিছৰ কথা কেইষাৰ তেওঁ এনেকৈ পেংলাইৰ ভাৱে কৈছিল, যে মোৰ তন্দ্ৰা একেবাৰেই ভাগি গল। মই ভালকৈ চকু মেলি চালোঁ, দেখোন মোৰ আগত কোনো নাই!

কৃপাবৰ।

# যত্নন।

এইটো সংস্কৃত শব্দ। আগৰ দিনত মানুহৰ মুখৰপৰা ওলোৱা শব্দবোৰ শুনিবলৈ কিবা আপচু আৰু কঠুৱা থকাৰ গতিকে সংস্কৃত শব্দৰ উৎপত্তি হোৱা বুলি শুনিবলৈ পোৱা যায়। বাস্তৱিকতে কথাটোও সঁচা। বুজি নেপাওঁ যদিও শুনিলে শুনি থাকিবৰ হে মন যায়। সংস্কৃত শব্দবোৰ যেনে শুৱলা তাৰ অৰ্থবোৰো ঠিক তেনেকুৱাই। যত্নন শব্দটো সংস্কৃতৰ যিখন আসনত বহি আছে তাক সদাই সেইখন আসনতে বহি থকা দেখা পোৱা হলে আজি আৰু আমি তাক বেলেগে উলিয়াই লৈ লটি-ঘটি দিবলৈ কেতিয়াও সুবিধা নেপালোঁহেঁতেন।

আমি কব লগীয়া কথাৰ আৰম্ভনতে এটা সৰুসুৰা বঙ্গালী গল্পেৰে পাঠকসকলক বিষয়টো বুজিবলৈ অলপ উজু কৰি দিব খোজোঁ। এসময়ত এজন বিদেশী মানুহ বঙ্গদেশলৈ আহি তাৰে এজন ভদ্ৰলোকৰ ঘৰত আলহী থাকিলহি। কেদিনমান থকাৰ পাছতে আলহী আৰু গৃহস্থ জনৰ ভিতৰত বৰ মিলা-প্ৰীতি হবলৈ আৰম্ভ কৰিলে। এদিন কথায় কথায় কিবা এটা কথা ওলোৱাত বিদেশীজনে বঙ্গালীজনক সুধিলে যে—"বাৰু কওকচোন, আপোনালোকৰ ভিতৰত কোন সম্বন্ধটোৱে প্ৰাণ মন জুৰাই নিয়ে?" বঙ্গালী ভদ্ৰলোকজনে অলপ সময় মনে মনে থাকি তাৰ পাছত কলে যে—"শালা" অৰ্থাত খুলশালি। বিদেশী মানুহ জনে ভাবিলে যে—"এওঁৰ লগতটো মোৰ এই কিদিন—মশাই, দাদা, ভাই, ইত্যাদি বহুত ৰকমৰ সম্বন্ধই চলি গৈছে, এইকিটা সম্বন্ধত যিমান মিলা-প্ৰীতি আৰু আনন্দানুভৱ কৰিব পাৰিছোঁ বোধ কৰোঁ। হয়ো হয়োক! 'শালা শালা' বুলি মাতিলে ইয়াতকৈও আৰু বেছি আনন্দানুভৱ কৰিব পাৰিম হবলা।" ইয়াকে ভাবি তেওঁ কথামাৰ বঙ্গালীজনৰ আগতো

কলে। বঙ্গালীজনে প্ৰথমতে নানান আপত্তি দেখুৱাই বিদেশীজনক সেই সম্বন্ধৰপৰা আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিছিল, কিন্তু বিদেশী জনৰ কাওঁবাৰ নিত তত নেপাই শেষত অগত্যা মান্তি হবলৈ বাধ্য হল। এই দৰে আৰু কেদিনমান যোৱাৰ পাছত এদিন কিবা এটা কথাত বঙ্গালী জনে তেওঁৰ লওৱাটোক "দূৰ্ শালা" বুলি গালি এধাৰ পাৰিলে। বিদেশী জনে সেই কথাৰ অৰ্থ কি বুলি সোধাত বঙ্গালীজনে কবলৈ আৰম্ভ কৰিলে—"শালা শব্দটো অতি মধুৰ শব্দ। ইয়াক লাহে লাহে যিমানেই উচ্চাৰণ কৰা যায় ইয়াৰ মধুৰত্ব সিমানেই বাঢ়ি গৈ থাকে। কিন্তু যেই কোনোৱে ইয়াক অলপ টান ভাৱেৰে উচ্চাৰণ কৰে, শুনোতা হাজাৰ জ্ঞানী হলেও তৎক্ষণাত তেওঁৰ ধৈৰ্য্যচ্যুতি ঘটে। এই শব্দটোৰ বিশেষত্বই এনে।"

এতিয়া আমি এই "যৱন" শব্দটোক উক্ত শ্ৰেণীৰ লগতে থিয় কৰি দুই তিনটা উদাহৰণেৰে সৈতে দেখুৱাব খোজোঁ যে, আজিকালি "যৱন" কথাষাৰ মুচলমানৰ কাণত কিয় এনে বিহ যেন লাগে। আজি বহুত দিনৰেপৰা বিভিন্ন ( বঙ্গালী আৰু অসমীয়া ) ভাষাত মুচলমানক হেয় আৰু অপদাৰ্থ কৰি লোকসমাজত প্ৰচাৰ কৰিবলৈ মধুৰ 'যৱন' শব্দটোৱে কৱিয়ে কেনেকৈ নিজৰ কাব্য ফুটাই তুলিছে পাঠকসকলে এবাৰ মন কৰি চাওক চোন :—

" , ,, ,, সিংহৰ ভয়ত

পলায় শিয়াল যেনে,—পলালে যৱন।"

মুচলমানৰ ভাগ্যত কি ঘোৰ লাঞ্ছনা ! যি মুচলমানৰ হুঙ্কাৰত এদিন পৃথিৱীৰ এক তৃতীয়াংশ ভাগ থৰ্ থৰাই কঁপি আছিল সেই মুচলমানৰ অসম ৰঙ্গত কি গতি হল তাক আল্লাৰ বাহিৰে একমাত্ৰ কৱিয়েই হে জানে !

হে কৱি ! ( বৰ্ত্তমানৰ ) তোমাৰ যদি আগৰ দিনৰ যৱন সেনাৰ সম্পৰ্কে দুই চাৰি আমাৰ পৰিচয়ৰ কথা সোধোঁ তেন্তে তুমি আমাক কল্পনাৰ বলেৰে নকবানে যে :——

"কিন্তু পাপী ঘোৰ পাপী যৱনৰ সেনা।
মহাপাপী, অবিচাৰী ... ... ... ইত্যাদি।

মুচলমানে দেশীয় সাহিত্য চৰ্চ্চা কৰিব নোখোজে কি কাৰণে ? এই ৰোৰ পূৰ্ব্বপুৰুষসকলৰ দুৰ্ণাম শুনি হিয়াখন কলুষিত হয় বুলিহে তেওঁ। মুচলমান ধৰ্ম্মভীৰু আৰু দিগ্বীজয়ী বুলি সকলো মুচলমানৰেই বিশ্বাস, কিন্তু আজিকালিৰ সাহিত্যক্ষেত্ৰত প্ৰবেশ কৰা নতুন মুচলমান ডেকা সকলৰ মনৰপৰা ক্ৰমে সেই বিশ্বাস পাতলি আহিবলৈ আৰম্ভ কৰিছে।



কিয়নো, তেওঁলোকে প্ৰকৃত ইতিহাসতকৈ ঐতিহাসিক কাব্যৰ মোল বেছিকৈ বুজে, আৰু তাৰ পাত লুটিয়ালেই দেখিবলৈ পায় যে তেওঁলোকৰ গৌৰৱস্থল পূৰ্ব্বপুৰুষ বীৰ যোদ্ধাসকল এই ঠাইৰ যুদ্ধ ক্ষেত্ৰত—

" ,, ,,, পলালে যৱন।
যি দৰে পিয়াপি দিয়ে ফেকুৰাৰ জাক
ভয়ঙ্কৰ শাৰ্দ্দূলৰ দেখি পৰাক্ৰম।"

অসমীয়া মুচলমান ! তুমি যদি নিজে তোমাৰ প্ৰকৃত ইতিহাসবোৰ জনসমাজত প্ৰচাৰ কৰিবলৈ যত্ন নকৰা তেন্তে আৰু কি কৰিবা ? ওপৰত তুলি দিয়া "গৎ" তিনটাকে মুখস্থ কৰি লৈ কাষলটিতল বজাই থাকা। আন ফালেদিতো তোমালোকৰ ওপৰলৈ শিক্ষিতসকলৰপৰা "যৱন" আৰু অশিক্ষিতবিলাকৰপৰা "গৰীয়া" সম্বোধন আছেই ! ইমানতো তোমালোকে যদি এবাৰো চকু নেমেলা তেন্তে দোষ কাৰ ?

এম, মোছলেহ উদ্দিন আহমদ।

---

## সুযোগ।

জোৱাৰ উঠিলে যদি মেলা নাওখনি,
বিপদৰ নাই একো ভয়।
সুযোগ হেৰালে কিন্তু হব বহু হানি,
জীৱনৰো জানিবা সংশয়।

শ্ৰীৰাজেন্দ্ৰনাথ বৰুৱা।

---

## সমালোচনা।

### "মহাত্মা গোপাল কৃষ্ণ গোখেল"। শ্ৰীসূৰ্য্যকুমাৰ ভূঞা প্ৰণীত।

শ্ৰীমান্ সূৰ্য্যকুমাৰ ভূঞা ৰচিত মহাত্মা গোপাল কৃষ্ণ গোখেলৰ জীৱনচৰিত খন পঢ়ি বাস্তৱিকে অশেষ আনন্দ পালোঁ। যদিও কিতাপখন সৰু, তথাপি তাৰে ভিতৰত লিখোঁতাই মহাত্মা গোখেলৰ অতি সৰল; অতি পৱিত্ৰ, অতি সুন্দৰ মনোবাঞ্ছাৰ তলে এটি সুন্দৰ সুস্পষ্ট চিত্ৰ আঁকি দিব পাৰিছে যে তাৰ দ্বাৰাই শিক্ষিত মানুহ মাত্ৰৰেই মন আকৃষ্ট হয়। আমাৰ গৌৰৱৰ বিষয় এই যে উন্নত বঙ্গালী ভাষাতো মহাত্মা গোখেলৰ জীৱনী ওলোৱাৰ আগেয়েই অসমীয়াত মহাত্মাৰ এনে সুন্দৰ জীৱনচৰিত ওলাইছে। সমগ্ৰ ভাৰতে স্বীকাৰ কৰিব লাগিব যে অন্যান্য বিষয়ত অসমীয়া পিছ পৰিলেও বীৰ-পূজাত

অসমীয়া পিছ পৰা নাই—,যে অসমীয়া গ্ৰন্থকাৰে মহাত্মা গোখেলৰ এনে নিখুঁত ছবি আঁকি স্বদেশবাসীক দেবসেবাৰ মহামন্ত্ৰেৰে অনুপ্ৰাণিত কৰিবলৈ চেষ্টা কৰিছে।

গোখেলক লিখোঁতেই ঋষিকল্প বুলি উল্লেখ কৰিছে, মোৰ মনেৰে তেওঁ মহৰ্ষি আছিল। বাস্তবিক এই কলিযুগত মানুহে মুনি ঋষি নাই বুলি কয় কিন্তু গোখেলৰ জীৱনলৈ ভালকৈ চালে দেখা যায়—যে তেওঁ প্ৰকৃততেই ঋষি, আছিল। তেওঁ লিখিছে—'ইন্দ্ৰিয় সংযম' 'মনঃ সংযম', আৰ 'লয়' তেওঁত পূৰ্ণ জ্যোতিৰে জিলিকিছিল। ই অতি সঁচা কথা। এই সংসাৰ স্বাৰ্থৰ দ্বাৰাই ঘৈ আছে, স্বাৰ্থৰ বশীভূত হৈ চলিছে। এই আনন্দময় জগতত সচ্চিদানন্দ পুৰুষৰ কল্পনাৰপৰা উদ্ভূত প্ৰত্যেক জীৱই আনন্দ বিচাৰি আত্মহাৰা, মায়াৰ বশীভূত জীৱও সেই আনন্দ বিচাৰি নিজ সুখ বিচাৰি উন্মাদ। "পীত্বা মোহ-ময়ীং প্ৰমোদ মদিৰা উন্মত্তীভূতো জগৎ"। এই মায়াৰ বন্ধন কটাব পাৰিলেই, এই নিজ সুখ বিচাৰি নিজকে পাহৰা ভাবটি দূৰ কৰিব পাৰিলেই মানুহ পৃথিৱীৰপৰা কিছুদূৰ ওপৰলৈ উঠে। কিন্তু যদি স্বাৰ্থ বলিদান দি পৰৰ সুখ দেখি প্ৰকৃততে সুখী হব পাৰি তেনেহলে সেয়ে প্ৰকৃত স্বাৰ্থহীনতা। কৰ্ম্ম-ফলাকাঙ্ক্ষা ত্যাগ কৰি ত্যাগী কৰ্ম্মবীৰে যেতিয়া কৰ্ত্তব্য বোধেৰে এটি মহাব্ৰত মূৰত তুলি লয়, আৰু সেই পবিত্ৰ ব্ৰতৰ সাধনাৰ নিমিত্তে অকাতৰে হাঁহিমুখে শাৰীৰিক দুখ কষ্ট ৰোগ যাতনা সহ্য কৰে, যেতিয়া মানুহে মনোমোহা সুখ সৌকৰ্য্যাভূষিতা ৰমণীৰ সঙ্গ, টকাৰে কিনিব পৰা সকলো ৰকম বিলাসিতা আৰু অৰ্থসমাগম, হাত মেলিলেই পাব পাৰিও তাৰ ফালে পিঠি দিয়ে তেতিয়াও ত্যাগ সিদ্ধ হয়। তেতিয়াই তেওঁক সংযমী, তেতিয়াই তেওঁক ভক্ত, তেতিয়াই তেওঁক জীৱনমুক্ত সাধক ঋষি বা মুনি বুলিব পাৰি।

দেশহিতব্ৰত মানে মোৰ গাৱঁৰ দুকুৰি মানুহক ভাল কাম শিয়াম, বা সিহঁতক এটা ইস্কুল খুলি দিয়াম অকল এয়ে নহয়—যি মানুহে আত্মবলিদান কৰিব পাৰে,যি স্বাৰ্থক বধ কৰি নিজৰ নিজত্ব পাহৰিব পাৰে,তেওঁৰ দৃষ্টি পোৰা মাইল বা আধা মাইল দূৰ ব্যাপী নহয়। তথাপি ব্ৰত আৰম্ভ কৰোঁতে নিজ গাঁৱৰপৰা বা দেশৰপৰা আৰম্ভ কৰিব লাগে। মূলত ন্যায় আৰু সত্য এই দুটি ঐশ্বৰিক গুণ লৈ মহাত্মাসকলে কাম আৰম্ভ কৰে। মহত্মা গোখেলৰ জীৱন ব্যাপী ব্ৰত আছিল মানুহ জাতিক ওপৰলৈ তোলা। মানুহৰ পুত্ৰক শিক্ষাৰ দ্বাৰাই উন্নত উদাৰচেতা দেশপ্ৰেমিক কৰা, ভাৰতবৰ্ষৰ এই তেত্ৰিশকোটি প্ৰজাক জগতৰ উন্নত জাতিৰ শাৰীলৈ তুলি বিশ্বৰ কল্যান সাধন কৰা। শ্ৰীকৃষ্ণই—গীতাত যি শিক্ষা উপদেশ মহাভক্ত অৰ্জ্জুনক দিছিল, বৰ্ত্তমান যুগৰ এই অৰ্জ্জুনে তাক নকৈ পালন কৰি দেখুৱালে।

দেশনায়কৰ যি চিত্ৰটি আঁকিছে—বাস্তৱিকে সি বৰ হচোঁতাই আদৰ্শ



সুন্দৰ আৰু উন্নত হৈছে। যি জনাৰ অন্তৰ স্বাৰ্থৰে মেৰ-খোৱা তেওঁ দেশসেৱীৰ পবিত্ৰ মন্দিৰত সোমাই তাক কলুষিত কৰিবলৈ যোৱাটো কোনো মতেই বাঞ্ছনীয় নহয়। লিখোঁতাই কবৰ দৰে "দেশহিতব্ৰত মাতৃৰ স্তনৰ দৰে পবিত্ৰ, প্ৰশান্ত মহাসাগৰৰ দৰে গহীন, হিমালয় গিৰিৰ তুষাৰ কিৰীটিৰ দৰে উজ্জ্বল"। আৰু এটি কথা—কোনো মহাত্মাৰ জীৱনী লিখিবলৈ গলে লিখোঁতাৰ মনো উন্নত হব লাগে, তেহে তেওঁ মহাপুৰুষৰ জীৱনৰ ঘটনাৱলীত মহত্বৰ লক্ষণ উলিয়াব পাৰে, আৰু তেওঁৰ কোন কাৰ্য্যৰ কোনটি গুণৰ বিকাশ হৈছে তাক ফঁহিয়াই দেখুৱাব পাৰে। সহানুভূতি হৈছে জীৱনচৰিত লিখকৰ প্ৰধান গুণ। এই গুণটি যাৰে তাৰে থকাটো অসম্ভৱ। মহাত্মাৰ মানসিক অৱস্থা আৰু আদৰ্শৰ লগত লিখকৰ মানসিক অৱস্থা আৰু অদৰ্শৰ সাদৃশ্য থাকিব লাগে, তেহে প্ৰকৃত সহানুভূতিৰ সম্ভৱ। শ্ৰীমান্ ভূঞাদেৱে মহাত্মা গোখেলৰ উপযুক্ত জীৱনী লেখকৰ শাৰীত বহিব পাৰিছে, সেই বাবে আমি নথৈ বং পাইছোঁ। তেওঁৰপৰা আগলৈ আসাম মাতৃয়ে বহুতো আশা কৰে।

লিখকৰ অকা ছবিটি দেখি বোধ হল অতি মিহি লেখনীৰে অতি কোমল ভাৱে ছবিটি তেওঁ আঁকিবলৈ চেষ্টা কৰিছে। তেওঁৰ পৰিশ্ৰম সফল হৈছে। কিতাপখনিৰ ভাষাও বৰ মৰম লগা আৰু প্ৰাঞ্জল হৈছে। অৱশেহত মোৰ কৰলগীয়া এইযে যি সকল মহাপুৰুষৰ জীৱন চৰিত লেখিবলৈ তেওঁলোকে যত্ন কৰিছে অসম-আয়ে যেন তেওঁলোকতে তেনে সন্তান পায়।

শ্ৰীনবীনচন্দ্ৰ বৰদলৈ।

# প্ৰাপ্তি-স্বীকাৰ।

আমি তলত নাম দিয়া কিতাপবোৰ সমালোচনা কৰিবলৈ পাইছো। আমি কিতাপ কেইখন পঢ়ি ভাল পাইছোঁ; আৰু লেখকসকলক এনেকৈ কিতাপ উলিয়াই আমাৰ সাহিত্য চহকী কৰি থাকিবলৈকো কওঁ।

(১) মিত্ৰ-লাভ। ( সচিত্ৰ ) সংস্কৃত হিতোপদেশৰ প্ৰথম কথা মিত্ৰ লাভৰ ভাঙনি। বেচ আধলি।

(২) নিবেদন। ( কবিতা ) "অঞ্জলি"ৰ গ্ৰন্থকাৰ কবি শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা প্ৰণীত। বেচ এটকা।

(৩) তুমি। ( কবিতা ) শ্ৰীযুত অম্বিকাচৰণ ৰায় চৌধুৰী প্ৰণীত আৰু প্ৰকাশিত। বেচ।• অনা।

(৪) সীতাহৰণ। ( পদ্য ) থলৰ সত্ৰৰ শ্ৰীযুত তীৰ্থনাথ গোস্বামীৰ দ্বাৰাই বিৰচিত আৰু প্ৰকাশিত। মূল্য প্ৰতিখনে ।৵• অনা।

(৫) শব্দমালা। উলিওৱাঁতা শ্ৰীযুত ভ্ৰমৰ শইকীয়া। বেচ চাৰি অনা।

(৬) মহাত্মা গোপালকৃষ্ণ গোখেল। শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা প্ৰণীত। বেচ ।৵॰ অনা। বত্নমালা গ্ৰন্থ ক্ৰমৰ ১ম গ্ৰন্থ। ইয়াৰ সমালোচনা এইবাৰ বাঁহীত ওলাইছে। আগেয়েও বাঁহীত ই প্ৰবন্ধৰূপে ওলাইছিল; সেই প্ৰবন্ধকে ঠায়ে ঠায়ে বহলাই এতিয়া কিতাপৰ আকাৰলৈ অনা হৈছে।

সম্পাদক।

---

## নৱবৰ্ষ।

অনন্ত বীণৰ আজি অনন্ত তাঁৰত
উঠিছে আকউ এটি নতুন ৰাগিণী; -
বোৱাই আনিছে যেন মুগ্ধা মন্দাকিনী
সাদৰে আদৰে থাপি জটীয়া শিৰত।
পুৰণি ৰাগিণী সিটি বিজন বনত
পৰিছে যে লয় হৈ ধীৰে দশোদিশ জিনি ;—
নিলেগই হৰি যেন চঞ্চলা কামিনী
পৰম যতনে তুলি পুষ্পক ৰথত।
সিপিনেদি অভিনয় হল সমাপন।
ইপিনে হুনাই খুঁৰ হল আৰম্ভন॥
পুৰণি বছৰে আজি টাঁহি-টুঁহি ধৰি
কিনো জানো লই যায় সন্ধিয়া পৰত।
নতুন বছৰে আজি আলুকুল কৰি
আহিছে কিনোবা লই পুৱা-পোহৰত।

শ্ৰীলক্ষ্মীনাথ ফুকন।

---

## আজি।

### বিহু উপলক্ষে।

আজি মোহিনী উষাৰ কনক অঞ্চল
মৃদু মলয়াত নাচিছে;
আজি প্ৰেমৰ সুৰভি কৰি আকিঞ্চন
দিনকৰে দৰা সাজিছে।
আজি তটিনীৰ বুকু নব আবেগত
দনে দনে কঁপি উঠিছে;



আজি নিজান হাবিত বনদেবী মিলি
নিজ মনে মালা গুঠিছে।
আজি নাচিছে পখিলা গাইছে বিহগে
গছে গছে ফুল ফুলিছে;
আজি নতুন সাজেৰে সাজি নব নাৰী
অতীতৰ সুৰ ভুলিছে।
আজি নব জীৱনৰ নতুন প্ৰেমৰ
মোহন বাঁহীটি বাজিছে;
আজি ছয়াময়া এটি ভৱিষ্যৰ ছবি
কল্পনা-চকুত ৰাজিছে।
আজি সাধক সাধুৱে সাধি নিজ কাম
পিতাৰ ওচৰ চাপিছে;
আজি পিতাৰ পবিত্ৰ প্ৰেম-তটিনীৰ
সলিলে ধৰণী ঢাকিছে।
আজি প্ৰভু জেউতিৰ পাই জিলিকনি
পুণ্য পথে হিয়া পাতিছে;
আজি আগুৱৱা ভাই আগত পিতাৰ
বিমল আলোক ভাতিছে।

শ্ৰীদণ্ডিনাথ কলিতা।

---

## প্ৰাৰ্থনা।

দিবলই প্ৰভু আছে কি আমাৰ ?
দিম কিবা বস্তু চৰণে তোমাৰ ?
আছে যিবা বস্তু, কলঙ্কেৰে ভৰা,
বিশেষত্ব হীন অনিত্য অসাৰ।
এই সংসাৰৰ মধ্যত আমাৰ
বনৰ পাতটো নাই অধিকাৰ ;—
ভাবি চালে দেখোঁ সকলো তোমাৰ।
অহে পীতবাস পতিত পাৱন !
আছে যিবা স্তুতি অশুচি মনৰ—
দিব পাৰোঁ দিছোঁ লোৱাঁ নাৰায়ণ।

দীনতা কাতৰে জুৰি কৃতাঞ্জলি,
কৰিছোঁ কাকুতি বুলি দয়াধাৰ।
সকলোৰে মিলি ভক্তি পুষ্পাঞ্জলি।
দিছোঁ শ্ৰীচৰণে মোৰা প্ৰভু মোৰ।
দুখীয়াই দিয়া অপবিত্ৰ বুলি
অনাদৰি নকৰিবা পৰিহাৰ,
তোমাৰ অকলঙ্ক দয়াশীল নামে,
সংসাৰত হ'ব কলঙ্ক প্ৰচাৰ।
চোৰা দেব চোৰা এবাৰ অধমক
কৰুণা কিৰণ বিলোৰা।
ভৱদাস বুলি চৰণাগ্ৰে তুলি
অমল ভকতি মিলোৱা।
অশান্তিত মোৰ দ্ৰৱিত মন,
একমাত্ৰ আশা তোমাৰ ৰঙ্গা চৰণ।
দিয়া প্ৰভু দিয়া শান্তি-সুধা,
শীতল চৰণ চায়া,
দিছোঁ নকলোকে সমৰ্পি চৰণে।
এৰি জীৱনৰো মায়া।

শ্ৰীউৎসৱানন্দ গোস্বামী।

---

## আসামত গো-বধৰ এটি বিবৰণ।

আমাৰ আসাম দেশত গোস্বামী মহন্ত এবাসকলৰ প্ৰতাপ প্ৰতিতা সকলোতকৈ ডাঙৰ। কৰ, বৰঙনি, বিয়াভাৰ, কন্যাকালৰ প্ৰায়শ্চিত্তৰ মূল্য, শৰ প্ৰায়শ্চিত্তৰ মূল্য এইবিলাক ঘৰ কোবোক নকৰাকৈয়ে তেওঁলোকে পাচনি পঠালেই পায়। কিন্তু ৰাজখাজনা হলে মাটি বিক্ৰি কৰিলেহে কোনো ঠাইত পোৱা যায়। সেই মহাপুৰুষসকলে ধৰ্ম্মৰ দোল বান্ধি ৰাখিছে। যদিও আমি দেশাত টকাৰ হে, তত্ৰাচ তেৱাসকলে ধৰ্ম্মদোলৰপৰা নামিব নোখোজে। নিজৰ শিষ্যৰ কথা নকওঁ, পৰ শিষ্যৰ ওপৰতো ধৰ্ম্ম বিচাৰত তেৱাসকল ব্যস্ত। এসময়ত কোনো এখন সত্ৰৰ ভকত এজনৰ ভতিজাপুতেকৰ বদনাম হৈছিল। বাদিনীৰ সমাজত তাক চোৰ বুলি স্বীকাৰ কৰিছিল। কিন্তু সেই সত্ৰখনিত বাদিনী নোহোৱাকৈয়ে ওপুততে সেই লোকজনক শপত কৰাই প্ৰায়শ্চিত্ত কৰালে। আন এসময়ত এখন সৰু সত্ৰত এজন



মানুহে বাদিনীক মতাত নোযোৱাত সজাতি ৰাখি তাই শপত খাই মাদৰ অন্তত অপৰাধৰ প্ৰায়শ্চিত্ত হল। পিছে বৃহৎ ধৰ্ম্মাচাৰ্য্য এজনৰ লগুৱাই বাদী-টোক কলে"তোক ক্ষুদ্ৰ মহাজনে উদ্ধাৰ কৰিব নোৱাৰে। আমাক ৰূপ একুৰি দে তোক ভাল কৰি দিম"। আৰু ধৰ্ম্মাচাৰ্য্যজনে ব্যৱস্থা-পত্ৰ দিলে যে যিটো নাম-ঘৰত সেই মানুহটোৱে খাইছিল সেই নাম-ঘৰটোৰ মজিয়াখন ১হাত খানি তিন দিন তাত গৰু বান্ধি থব। চাওকচোন এনেবোৰ সামাজিক কথাত এওঁলোক কিমান বলী! হিন্দুধৰ্ম্মত গৰুৰ সমান পূজনীয় কোনো নাই। গৰু পানীত পৰি বানতাত লাগি বা মহে খুচি মাৰিলেও প্ৰায়শ্চিত্ত হব লাগে। কিন্তু আজিয়েই বাটত ১৩০টা মাইকী, মতা, চেউৰী, দমৰা, গাভিনী গৰু মুচলমান জন চেৰেকে খেদি অনা দেখিলোঁ। মই নজনা ভাও ধৰি তেওঁবিলাকক শুধিলোঁ "মুক্তি, এইবোৰ কৰপৰা আনিলা? কেনৈ আনিছা?" তেওঁবিলাকৰ এজনে কলে "এইবোৰ মাজুলীৰ গৰু, কিনি আনিছোঁ ইক। এইবিলাক নগাক বেচা হব।" আকৌ মই শুধিলোঁ, "এই গৰু বেচাবিলাক হিন্দু নে মুচল-মান?" আৰু নগাই এই গৰুবোৰ কি কৰিব"? তেওঁবিলাকৰ এজনে কলে"এই-বোৰ হিন্দু মানুহে হে বেচিছে। ইয়াত মুছলমানে বেচা গৰু এটাও নাই। আৰু নগাই যিবোৰ পাৰে নিব, যিবোৰ নোৱৰা দেখে, কাটি ভাগ-ভোগ লগাব।" মই শুনি তধা। ফেটিসাপে মুৰতে খুটিলে ধৰণী ধৰিবলৈ ঠাই নাই, যাকে বৰটো কৈ গপাই ফুৰিছিলোঁ সেইসকলৰ শিষ্যসকলেই দেখোন এইটো কাম কৰিলে! এনেয়ে আসামত গৰুৰ অৱস্থা সকলো দেশত কৈ শোচনীয়, তাতে এনেকুৱা হলে শেহ ফল কি ভাবি চাব লগীয়া।

শ্ৰীদ্বাৰিকানাথ দেৱ গোস্বামী।

## সন্তৰ ঐক্য ভাৱ।

কালৰ কুটিল গতিত আজিকালি আমাৰ গোসাঞীসকলৰ যেনে অৱস্থা ঘটিছে তাক মনত পৰিলে বেজাৰ হে লাগে। যদিহে ইমানতে বুঢ়া গোসাঞীসকলে পো নাতি সকলৰ নিমিত্তে বিধান এটি নকৰে তেনে হলে গোসাঞী পদৱীটো ২।৩ পুৰুষ তিষ্ঠা টান। আজিকালি শিষ্যৰ লৰাই এম. এ, বিএ, পাছ কৰি বিদ্যাসাগৰ পৰ্য্যন্ত উপাধি লব পৰা বিদ্যা আৰ্জ্জিছে; কিন্তু আমাৰ অধিকাৰ গোসাঞীসকলে লীলামালা, শামন্তহৰণৰ পদ কেফাকি কেকাই-গেঠাই মাতিব পৰিলেই ধন্য পণ্ডিত। যাৰ ভকতৰ ঘৰত নাম গাই ফুৰা নিয়ম আছে তেওঁবিলাকে শিষ্যৰ ঘৰত ওৰে ৰাতি কীৰ্ত্তন গাই ভুৰদিয়া কোমল চাউল, পনীয়া টেঙা গাখীৰ, জুলীয়াগুৰ, আৰু দক্ষিণাকেৰি পাবৰ খাবৰ আশাতে ফাকিদেক যোৱা কীৰ্ত্তন আওৰাই "নাম গোৱাটো" শেষ কৰিব পৰাকৈ লৈছে; কিন্তু তাৰ

অৰ্থ পৰমাৰ্থৰ ফালে হলে বুজ নাই। যদি কোনোৱে শোধে তেন্তে "সন্তানাং মৌনিত্বং শোভা"। তথাপি যদি কোনোৱে নেৰানেপৰাকৈ ধৰে তেন্তে তাৰ অখণ্ড উত্তৰ এই "এই কথা পৰম গুঢ়, ইয়াক এনে সমাজত ভাঙ্গিব নেপায়, ই বৰ ডাঙ্গৰ কথা।" বচ, আৰু কোনবাই ইয়াত কিবা চল পাব নে? তেনেহলে এওঁলোকে বিধান শিষ্যক সংশয় ছেদ কৰি ধৰ্ম্মৰ শিক্ষা দিব কি?

কোনোৱে প্ৰশংসা কৰা শুনো "অমুক গোসাঞীৰ লৰাটি বৰ গুণী, তাল, খোল খুব বজাব জানে; ধেনু কিৰীটি, মুখা, সিংহাসন, দোলা, কৰণি, মেৰঢাৰি, পাটীঢাৰি, ফুলাম ঢাৰি, ফুলাম বিচনী, আৰু চক খুব কৰিব পাৰে।" আমাৰ বোধে এনেবোৰ গুণে মহন্ত পদবী উজ্জ্বল নকৰে, ই ধৰ্ম্মৰ কাৰ্য্য নহয়, ই কেৱল হাল কোৰ বাব নোৱৰাত এনেবোৰ কৰি পেট পোহা বৃত্তিহে, মহন্তৰ আচল বৃত্তি নহয়। কোনো কোনো মহন্তই প্ৰসঙ্গত তালৰ চক দি বুৰি-পকি ঘোৰ মূৰ্ত্তি ধৰি দেখুওৱাটোৱো মহন্তই শিষ্যক তাৰিব পৰা গুণ নহয়, ই ভাতৰ ওপৰৰ ফেন হে। কোনো মহন্তই এনেবোৰকে মহন্তৰ মহৎ গুণ বুলি আজিকালি দঢ়াই ধৰি ওফন্দি গঙ্গাটোপ যেন হৈছে; এনেবোৰ গুণ শিষ্যৰ সেৱা লৈ কৰ পঁচা খাই জীৱ তাৰিব পৰা উপায় নহয়।

এখন সত্ৰত ৩।৪ জন ডেকা থাকিলে অধিকাৰ হবলৈ খোৱা-কামোৰা। ই জনক অধিকাৰ হোৱা দেখি সিজন, সিজনক হোৱা দেখি ই জন, এই দৰে সোপাই অধিকাৰ হব। অধিকাৰৰ নিৰ্ম্মালী দিবলৈ অহা কেজনবো গাত সিমান বুজ নাই, যে এওঁ অধিকাৰৰ যোগ্য নে অযোগ্য? জ্যেষ্ঠ থকাত কনিষ্ঠ অধিকাৰ হব পাৰে নে নোৱাৰে? কেৱল ওপৰত কোৱা বিধৰ জলপানটো আৰু দক্ষিণা ফেৰি পালেই অধিকাৰৰ নিৰ্ম্মালী দিবলৈ কোনেও কাকো বাকী ৰখাৰ নিয়ম নাই।

অধিকাৰ হোৱা মাত্ৰ ফুলাম গাৰু, ফুলাম ঢাৰি কঠ লৈ শিৰৰ খুটা নেপাই মানে অধিকাৰৰ এডোখৰ কাটি নিলেও সভাত বহিব নেপায়। কোনোজনে ৩।৪ জন অধিকাৰ গোসাঞীক একেবাৰে নিমন্ত্ৰণ দিলে গৃহস্থৰ মনত সেই দিনা বৰ বিহ। শিৰৰ খুটা কোনে পাব কোনে নেপাব তাৰ মীমাংসা কৰোতেই, দুই দলে কাজিয়া কৰি থাকোঁতেই ৰাতি পুৱাব তথাপি শিৰৰ খুটাৰ নিশ্চয় নহয়। চহকীৰপৰা দুখীয়ালৈকে গাৰ গপ আৰু নিজৰ ক্ষেমৰ বেছ ব্যৱস্থা কৰিছে; কিন্তু ভবিষ্যতত এনে বেমেজালি ক্ষেমৰ বাবে-অৱস্থা হব কি তাৰ ফালে উভতি চোৱাৰ বিধি নাই।

হে প্ৰভোসকল! গোসাঞীসকলৰ ভিতৰত শিক্ষিতৰ সংখ্যা তেনেই তাকৰ, আৰু সত্ৰৰ প্ৰণালীত ঐক্য বান্ধত নথকাৰ কাৰণেই আমাৰ এনে



বেমেজালি। এতেকে চহকীৰপৰা দুখীয়ালৈ ইমানতে সকলোৱে যত্ন কৰি "সত্ৰৰ হিতসাধিনী" সভা একোখনিৰ দিহা কৰি প্ৰতি জিলাৰ গোসাঞী সকলে প্ৰতি জিলাতে দলবদ্ধ হৈ সত্ৰ আলোচনা কৰি লৰাবোৰক উচ্চ শিক্ষা দিবৰ ব্যৱস্থা কৰক। প্ৰথমতে মধ্যস্থলতে এখন সংস্কৃত বিদ্যালয় খোলাৰ দিহা হক। তাৰ পাছত সভাৰ আৰু মহন্তসকল দলবদ্ধ হৈ ঐক্য ভৱেত থাকি যাতে তেওঁলোকৰ উন্নতি হয়, তেনে দিহা কৰিবলৈ যত্ন কৰক। নহলে শিষ্যৰ চাউল খাই মহন্ত পদবীত থাকিবলৈ আশা এৰি দিয়ক। নগাৱঁত মাননীয় শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীৰ যত্নত এখনি ধৰ্ম্মসভা গঠিত হৈ তাত এনেবোৰ আলোচনা হৈছিল বুলি ফুস্ফুক-ফানাক বাৰ্ত্তা শুনি অতি আনন্দ পাইছিলোঁ; তাৰ শেষ ফল একো বুজিব নোৱাৰি অতি দুখিত হলোঁ। তেজপুৰৰৰ গোসাঞীসকলেও এনে এখন সভা পতি সত্ৰসকলৰ বিষয়ে সত্ৰ মীমাংসা কৰিবলৈ আগ বাঢ়িছে বুলি শুনা হৈছিল, শেষ ফল কি হল তাৰ সংবাদ একো পোৱা নহল। শিৱসাগৰৰ গোসাঞীসকলে এই কথাত আগ বাঢ়িব খুজিছে বোলা শুনি আমাৰ আনন্দৰ পাৰ নাই। যোৰহাট গোলাঘাটৰ সকলেও সেইসকলতে ভেজনি দি থিয় হব পোৱে; কিন্তু ভবিষ্যৎ ঈশ্বৰহে জানে।

হে প্ৰভোসকল! খোজতে খোজ দি এই কাৰ্য্যলৈ যেন পাছ নপৰি চাৰি খোজ আগ বাঢ়িবলৈ যত্ন কৰক, নহলে ইমানতে যায় যায় যেন দেখিছোঁ। বিশেষতঃ চাৰি-সত্ৰীয়া গোসাঞীসকলেই আমাৰ বৰমূৰীয়া, তাৰাসকলে এই কাৰ্য্যত অধ্যক্ষ হৈ এই কৰ্ম্ম হাতত লৈ আমাক উৎসাহ বঢ়াই কৃতকাৰ্য্য কৰক; সেইসকলক আগত লৈ হে আমি এনে মহৎ কাৰ্য্যলৈ আগ বাঢ়িব পাৰিম, এতেকে যেন অৱহেলা নকৰি সনাতন ধৰ্ম্ম ৰক্ষা কৰিবলৈ আগবাঢ়িব।

যিসকলে এনে সভাৰ নিমিত্তে যত্ন কৰি কাৰ্য্য সাধিব নোৱাৰি আশাক পিঠি দি নিৰাশাক আগ কৰি বহিল, সেইসকলে যেন এইবাৰ "কাৰ্য্যং বা সাধয়েৎ শৰীৰং বা পাতয়েৎ" ভাবি ককালত টঙ্গালি বান্ধি থিয় হৈ চাৰি খোজ আগ বাঢ়িব। মনুষ্যৰ অসাধ্য একো নাই, যত্ন কৰিলে ৰত্ন পায়। এটকা মহন্তই গা দাঙ্গি উৎসাহেৰে উঠিলেই এই ক্ষুদ্ৰ কাৰ্য্য যে নহব তাৰ কোনো সন্দেহ নাই। নিচেই অসভ্য জাতিয়েও ঐক্য বান্ধত থাকি নিজ গৌৰৱ প্ৰকাশ কৰিছে, ধৰ্ম্মৰ গৰাকীসকলে যে নোৱাৰে তাৰ কোনো বাধা নাই, এতেকে সকলোৱে পাছলৈ বল নিদি আগ বাঢ়ক। ইতি—

শ্ৰীতীৰ্থনাথ গোস্বামী (ধলৰ সত্ৰ)

---

## এখন চিঠি।

১। আমি চাৰি সত্ৰীয়াসকলক জনাওঁ যে গত জেঠ মাহৰ বাহীত শ্ৰীযুত

নৰোৱা সত্ৰাধিকাৰ বুলি লিখা চিঠিখনিত ৺কোৰামৰা বা শলগুৰি, ৺দীঘলি, ৺চামগুৰি এইচাৰি সত্ৰৰ কি কি গোত্ৰ, ছোৱালী কেনেকৈ অনা নিয়া কৰে এই বুলি দিয়া পত্ৰখান পঢ়ি অতি আচৰিত হলোঁ। কাৰণ আমি অনেক দিনৰপৰা, ( অৰ্থাৎ দুইপুৰুষ মান ) এই চাৰি সত্ৰত বাগৰি ফুৰিছোঁ, অদ্যাবধি দেখিছোঁ নৰোৱাৰ অত্ৰিয় গোত্ৰ। কোৰামাৰা শলগুৰি একে বংশ, কাশ্যপ গোত্ৰ। দীঘলি চামগুৰিৰ একে ভাই ভাইৰ ভিতৰত চামগুৰিৰ কৃষ্ণাত্ৰিয় গোত্ৰ, দীঘলিৰ কাশ্যপ গোত্ৰ, ইয়াৰ কাৰণ নাজানো।

২। আজিকালি শলগুৰি আৰু কোৰামৰা গোসাঞীসকলেও অত্ৰিয় গোত্ৰ পাইছে। ইফালে নৰোৱা সত্ৰৰ ছোৱালী প্ৰায় ৭।৮ জনীমান কোৰামৰা শলগুৰিলৈ, আৰু কোৰামৰা শলগুৰিৰ ছোৱালী প্ৰায় ৩।৪ জনীমান নৰোৱালৈ অনা নিয়া কৰিছে, ৰবং সেই সময়ত কোৰামৰা শলগুৰিয়ে অত্ৰিয় গোত্ৰ ধাৰণ কৰিব নোৱাৰি কাশ্যপ গোত্ৰৰেই অনা নিয়া কৰি আছে, কিন্তু নিজৰ সত্ৰত শ্ৰাদ্ধাদি কাৰ্য্যত অত্ৰিয় গোত্ৰ বুলি চলাচল কৰোতে সময়ত নৰোৱাৰ ডেকাসকলে তৰ্ক কৰা কতবাৰ দেখা পাইছোঁ, ৰবং শেষ অৱস্থাতো মৌনাৱলম্বন কৰিব লগাত পৰে।

৩। গত চনৰ ১৯ আহাৰ তাৰিখে শ্ৰীশ্ৰীযুত নৰোৱা সত্ৰাধিপতিয়ে কোৰামৰা সত্ৰৰ ডেকা গোসাঞী এজনৰ কন্যা এটী বিবাহ কৰায়; সেই বিবাহত কোৰামৰা নৰোৱা উভয়ৰে গোত্ৰৰ তৰ্ক-যুদ্ধও সাক্ষাৎ দেখিবলৈ পোৱা হল। শেষত পুনৰায় দৰাই অত্ৰিয়, কন্যাই কাশ্যপ গোত্ৰ লৈ বিবাহ কাৰ্য্য সমাধা হল।

শ্ৰীবলোভদ্ৰ দেৱ গোস্বামী। নগাও, আসাম।

## তপা পইচা।

বাট অবাট কাক বোলে মই নজানো একো প্ৰভু,
জ্ঞান বুদ্ধি একো নাই মোৰ, যেন গোট পশু।
কিয় জনম দিলা পিতৃ, তোমাৰ সংসাৰত,
জীৱন-যুদ্ধত কি দৰে নো যুজিম অবিৰত।
ধৰ্ম্ম-অধৰ্ম্ম, তত্ত্ব-জ্ঞান, নাই ভক্তিৰ লেশ,
হওঁ অতি নিহ্‌কিন্ সকল পাপীৰ শেষ।
তপা পইচা নলয় কোনো দোকানী পোহাৰী,
গোসাঞি-ঘৰত লয় মাথোঁ বৈষ্ণৱ পূজাৰী।
যয়ো সেয়ে, লোৱাঁ মোকো, কৃপাৰ ঠাকুৰ হৰি,
গতি নাই, গতি নাই মোৰ, বিনে চৰণ-তৰী।

শ্ৰীলক্ষ্মীনাথ বৰা।